● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগদৰ্শন**

যন্ত্ৰই ৫০জন সাধাৰণ মানুহৰ কাম কৰিব পাৰে; কিন্তু পৃথিৱীত এনে কোনো যন্ত্ৰ নাই যি মাত্ৰ এজন অসাধাৰণ মানুহৰ কাম কৰিব পাৰে।

এলবাৰ্ট হোৱাৰ্ড
*ব্ৰিটিছ বিজ্ঞানী*



www.dainikagradoot.in

৭ ১৫ দিনত ১৫ দেশলৈ বিয়পিল 'মংকী পক্স'
১৫ ভাৰত-পাকিস্তান হকী মেচ ড্ৰ
৪ বিহুৰ সাংস্কৃতিক অনুষ্ঠানত বোকা নাচৰ বহুৱালি ঃ সাংস্কৃতিক ঐতিহ্যৰ অধঃপতন

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২২৩তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ৯ জেঠ ১৪২৯ ভাস্কৰাব্দ ২৪ মে' ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 24 May 2022 মূল্য ঃ ৯.০০ টকা




■ সৰ্বোচ্চ গতিবেগ ঘণ্টাত এশ কিলোমিটাৰ ■ সাত বছৰৰ বাবে কৃষি বিভাগৰ 'আছাম মিলেট মিছন'ত অনুমোদন ■ কেন্দ্ৰীয় চৰকাৰৰ তিনি বছৰ পূৰ্তিত জিলাই জিলাই হ'ব ৰাজহুৱা সভা

# ৰাজ্যত যানবাহনৰ গতিবেগ নিৰ্ধাৰণ



হাজোৰ চকলাপাৰ দেৱবাৰী গকপাৰ মধ্য ইংৰাজী বিদ্যালয়ত একাঁঠু পানীৰ মাজতে গুণোৎসৱ অনুষ্ঠিত।

ৰাষ্ট্ৰীয় শিক্ষানীতিৰ বাবে বিশ্ববিদ্যালয়ক নিৰ্দেশনা ■ উদ্বোধন হ'ব ৯৬ বাগিচা বিদ্যালয়

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ২৩ মে'** ঃ অসম চৰকাৰে আজি ৰাজ্যৰ পথসমূহত চলাচল কৰা যানবাহনৰ গতিবেগ নিৰ্ধাৰণ কৰি দিয়ে। ৰাজ্যিক কেবিনেটৰ এই সিদ্ধান্তৰ বিষয়ে এক সংবাদমেলত সদৰী কৰি মন্ত্ৰী কেশৱ মহন্তই কয় যে দুৰ্ঘটনা প্ৰতিৰোধৰ লক্ষ্যৰে যানবাহনৰ গতিবেগ নিয়ন্ত্ৰণৰ বাবে চৰকাৰে যি প্ৰক্ৰিয়া চলাই আহিছিল তাক আজি অনুষ্ঠিত কেবিনেট বৈঠকত চূড়ান্ত ৰূপ দিয়া হয়। এই সিদ্ধান্ত চূড়ান্তকৰণত ৰাইজৰ পৰামৰ্শও গ্ৰহণ কৰা হয়। মহন্তই কয়, 'জাননী জাৰি কৰাৰ পাছতে কাৰ্যকৰী হ'বলগীয়া নতুন নিয়ম অনুসৰি আঠখন আসনযুক্ত ব্যক্তিগত বাহনৰ চাৰিশাৰীযুক্ত তথা ৰাষ্ট্ৰীয় ঘাইপথত প্ৰতি ঘণ্টাত সৰ্বাধিক গতিবেগ হ'ব এশ কিলোমিটাৰ। ৰাজ্যিক ঘাইপথ আৰু অন্যান্য পথত সৰ্বোচ্চ গতিবেগ হ'ব ৭০ কিলোমিটাৰ। পৌৰসভা অঞ্চলত এনে বাহনৰ সৰ্বোচ্চ গতিবেগ হ'ব ৬০ কিলোমিটাৰ। আনহাতে, আঠখন আসনযুক্ত যাত্ৰীবাহী বাণিজ্যিক বাহনৰ ক্ষেত্ৰত সৰ্বোচ্চ গতিবেগ হ'ব ক্ৰমে ৰাষ্ট্ৰীয় ঘাইপথত ৮০ কিলোমিটাৰ, অন্যান্য পথত ৭০ কিলোমিটাৰ আৰু পৌৰসভা অঞ্চলত ৬০ কিলোমিটাৰ। ইয়াতকৈ ডাঙৰ বাহনৰ ক্ষেত্ৰত সৰ্বোচ্চ গতিবেগ হ'ব ক্ৰমে ৮০ কিলোমিটাৰ, ৭০ কিলোমিটাৰ আৰু ৬০ কিলোমিটাৰ। *আঠ পৃষ্ঠাত চাওক*

■ ন্যায়ালয়ে বিবেচনা কৰিবলৈ ৰায় দিয়াৰ পাছত মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ সিদ্ধান্ত
■ স্নাতক শিক্ষক নিযুক্তিৰ বাবে নিৰ্বাচিত ১,৩৮১ গৰাকী প্ৰাৰ্থীৰ নিযুক্তিৰ দুৱাৰ বন্ধ হ'ল

## গ্ৰেচ নম্বৰত টে'ট উত্তীৰ্ণৰ নিযুক্তি বন্ধ

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ২৩ মে'** ঃ মাধ্যমিক টে'টত গ্ৰেচ নম্বৰ লাভ কৰি নিৰ্বাচিত হোৱা কোনো প্ৰাৰ্থীয়ে শিক্ষকৰ নিযুক্তিপত্ৰ লাভ নকৰে। মাধ্যমিক টে'টত উত্তীৰ্ণৰ নম্বৰ লাভ কৰি শিক্ষক পদত আবেদনৰ বাবে যোগ্যতা অৰ্জন কৰা আৰু গ্ৰেচ নম্বৰ লাভ কৰি একে যোগ্যতা আহৰণ কৰা প্ৰাৰ্থীৰ মাজৰ সংঘাতৰ বিষয়টোৱে শেহতীয়াকৈ ৰাজ্যৰ শিক্ষা বিভাগত ব্যাপক চৰ্চা লাভ কৰিছে। এই সম্পৰ্কত যোৱা ১৮ মে'ত গুৱাহাটী উচ্চ ন্যায়ালয়ে মাধ্যমিক শিক্ষা পৰিষদক নিৰ্দেশ দিয়ে যে গ্ৰেচ নম্বৰ লাভ কৰি উত্তীৰ্ণ হোৱা সকলৰ ক্ষেত্ৰত মাধ্যমিক শিক্ষা সঞ্চালকালয়ে দুমাহৰ ভিতৰত সিদ্ধান্ত ল'ব লাগিব। লগতে ন্যায়ালয়ে মত প্ৰকাশ কৰে যে মাধ্যমিক টে'টৰ দুখন প্ৰশ্নকাকতত গড় হিচাপত সাধাৰণ বৰ্গৰ প্ৰাৰ্থীৰ ক্ষেত্ৰত ৬০ শতাংশ আৰু সংৰক্ষিত শ্ৰেণীৰ প্ৰাৰ্থীৰ ক্ষেত্ৰত ৫৫ শতাংশ নম্বৰ প্ৰাপ্তজনক টে'ট উত্তীৰ্ণ হিচাপে গণ্য কৰিব লাগে। ন্যায়ালয়ে ৰায়টোত উল্লেখ কৰে যে ন্যায়ালয়ৰ নিৰ্দেশনা অনুসৰি যিসকলে সকাহ লাভ কৰিব তেওঁলোকৰ কথা বিবেচনা নকৰাকৈ কোনো চূড়ান্ত নিযুক্তি দিব নোৱাৰিব। ন্যায়ালয়ৰ এই নিৰ্দেশৰ পাছতে মাধ্যমিক *১০ পৃষ্ঠাত চাওক*

### এটা প্ৰশ্ন অনেক উত্তৰ-আকৌ প্ৰশ্ন

■ সঞ্জীৱ সভাপণ্ডিত



মূল পুথি ...তাত কোৱা ...া হ'ল— মই ...টো। ...সাধাৰণ সহজ নহয়। আমি যিমান সহজে অমুকৰ ল'ৰা বা অমুকৰ ছোৱালী বা অমুকৰ ঘৰৰ বা অমুক ঠাইৰ বা অমুক জাতিৰ বা অমুক সম্প্ৰদায়ৰ বা অমুক ধৰ্মৰ বা অমুক *১০ পৃষ্ঠাত চাওক*

### তেজপুৰত ২১টা গৰুসহ দুখন বাহন জব্দ, গ্ৰেপ্তাৰ চাৰিজন

বজাৰত বিক্ৰীত ব্যৱহাৰ জিলা পৰিষদৰ ৰছিদ



**ষ্টাফ ৰিপৰ্টাৰ**
**তেজপুৰ, ২৩ মে'** ঃ তেজপুৰত যোৱা নিশা পুনৰ জব্দ হ'ল চোৰাংকৈ সৰবৰাহ কৰা গৰু। তেজপুৰৰ গৰৈমাৰীত অবৈধভাবে সৰবৰাহ কৰা মুঠ *১০ পৃষ্ঠাত চাওক*

■ বিজেপি-ইউপিপিএলৰ ১২ পাৰিষদে যোগ দিব বিপিএফত ■ শূন্য হ'ব বিপিএফ ঃ প্ৰতিক্ৰিয়া প্ৰকাশ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৰ

## উপ-নিৰ্বাচনৰ পাছতে বিটিচিত পুনৰ পৰিষদ গঠনৰ দাবী মহিলাৰীৰ



**অগ্ৰদূত বাৰ্তা**
**মুছলপুৰ, ২৩ মে'** ঃ 'বিটিচিত পুনৰ পৰিৱৰ্তন হ'ব চৰকাৰৰ। শীঘ্ৰেই প্ৰমোদ বড়োক ওফৰাই বিপিএফৰ হাতলৈ আহিব ক্ষমতাৰ বাঘজৰী। ইউপিপিএল মিত্ৰজোঁটৰ এজন শীৰ্ষ নেতাই আমাৰ স'তে সঘনে অব্যাহত ৰাখিছে যোগাযোগ।' মুছলপুৰত আজি এই দাবী কৰিলে বিপিএফৰ সভাপতি তথা বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে। আজি বিটিচিৰ বাগ্‌সা জিলাৰ অন্তৰ্গত ২২ নম্বৰ কোকলাবাৰী পৰিষদীয় সমষ্টিৰ *১০ পৃষ্ঠাত চাওক*

■ কে'বা সহস্ৰাধিক সমৰ্থকসহ চি ই এম তুলিৰাম ৰংহাং ■ টিকটক লৈ দলত কোনো বিসম্বাদ হোৱা নাই বুলি দাবী মন্ত্ৰী হাজৰিকাৰ

## উৎসৱমুখৰ পৰিৱেশৰ মাজতে কাৰ্বি আংলঙৰ নিৰ্বাচনত মনোনয়ন দাখিল



**অগ্ৰদূত বাৰ্তা**
**ডংকামোকা/বৈঠালাছ'/বোকাজান, ২৩ মে'** ঃ অহা আঠ জুনত অনুষ্ঠিত হ'বলগীয়া কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ ২৬টা পৰিষদীয় সমষ্টিৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ পৰ্ব আজি সমাপ্ত হয়। দুই পাৰ্বত্য জিলাৰ অধীনস্থ বোকাজান মহকুমাধিপতিৰ কাৰ্যালয়, ডিফু আৰু হামৰেণ উপায়ুক্তৰ কাৰ্যালয়ত আজি এক উৎসৱমুখৰ পৰিৱেশৰ মাজত জিলাখনৰ বিভিন্ন দল তথা *১০ পৃষ্ঠাত চাওক*

### মূল্যবৃদ্ধিৰ বিৰুদ্ধে সপ্তাহজোৰা আন্দোলন বাওঁ দলৰ

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ২৩ মে'** ঃ সকলো প্ৰকাৰৰ খাদ্য সামগ্ৰীৰ সমান্তৰালভাৱে প্ৰতিবিধ নিত্যব্যৱহাৰ্য সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিৰ হেঁচাত *১০ পৃষ্ঠাত চাওক*

### লক্ষীপুৰত বন্যহস্তীৰ আক্ৰমণত নিহত একেটা পৰিয়ালৰে তিনিজন

**অগ্ৰদূত বাৰ্তা**
**লক্ষীপুৰ, ২৩ মে'** ঃ গোৱালপাৰা জিলাৰ লক্ষীপুৰ বন বিভাগৰ অন্তৰ্গত গৌড়নগৰৰ শালবাৰী দ্বিতীয় খণ্ড গাঁৱত যোৱা নিশা বন্যহস্তীৰ আক্ৰমণত তিনিজন লোকৰ মৃত্যু হয়। হাতীৰ আক্ৰমণত একেটা পৰিয়ালৰে মমিণ আলী মোল্লা (৮০), পত্নী জহুৰা বিবি (৭০) আৰু তেওঁৰ কন্যা চমিৰণ বিবি (৫০)য়ে প্ৰাণ হেৰুৱায়। যোৱা নিশা আঠ বজাত *১০ পৃষ্ঠাত চাওক*

### সোণাপুৰত অগ্ৰণী উদ্যোগী জৰ্জ বৰদলৈৰ আত্মহননত চাঞ্চল্য

বিট্ৰিট ইক' কেম্পৰ এটা ঘৰত উদ্ধাৰ মৃতদেহ



**ষ্টাফ ৰিপৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**গুৱাহাটী/সোণাপুৰ, ২৩ মে'** ঃ উদ্যোগী, অভিনেতা তথা ক্ৰীড়া সংগঠক আৰু অসমত ধাবা সংস্কৃতিৰ অন্যতম অগ্ৰণী ব্যক্তি জৰ্জ বৰদলৈৰ আত্মহত্যাৰ ঘটনাত চাঞ্চল্যৰ সৃষ্টি হৈছে। আৰক্ষীয়ে জনোৱা মতে, সোণাপুৰৰ হাতীমূৰাত থকা জৰ্জেছ ৰিট্ৰিট *আঠ পৃষ্ঠাত চাওক*

## বটদ্ৰৱাৰ অভিযুক্তৰ বাসগৃহৰ পৰা উদ্ধাৰ পিষ্টলসহ চাৰি জাঁই গুলি

থানা জ্বলোৱা কাণ্ডৰ পলাতকক বিচাৰি অভিযান



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**নগাঁও/বটদ্ৰৱা, ২৩ মে'** ঃ নগাঁও জিলাৰ বটদ্ৰৱা আৰক্ষী থানা আক্ৰমণ কৰি একাংশ উন্মত্ত লোকে থানাখনৰ কেছ ডায়েৰীকে প্ৰমুখ্য কৰি গুৰুত্বপূৰ্ণ নথিসমূহৰ লগতে আৰক্ষী থানাখন আৰু অস্ত্ৰ ভাণ্ডাৰ জ্বলাই ছাৰখাৰ কৰা ঘটনাই সৃষ্টি কৰা উত্তেজনা আজিও অব্যাহত আছে। আৰক্ষীয়ে ঘটনাৰ পাছতে ২২ জন লোকক সোধপোছৰ বাবে আটক কৰিছিল। অৱশ্যে ইয়াৰে মহিলাসহ ছয় অভিযুক্তকহে গ্ৰেপ্তাৰ কৰিছে। বাকী ১৬ জনক সোধপোছৰ অন্তত আজি ঘৰলৈ যাবলৈ দিয়া হয়। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা অভিযুক্ত কেইজন হৈছে মুজিবুৰ ৰহমান (৪৯), ৰফিকুল ইছলাম *আঠ পৃষ্ঠাত চাওক*

■ অভিযুক্ত নাজিদুলৰ তিনি ভ্ৰাতৃক গ্ৰেপ্তাৰ

## আঠখেলীয়াৰ হত্যাকাৰীক ফাঁচিৰ দাবীত উপায়ুক্তৰ কাৰ্যালয়ত প্ৰতিবাদী সভা

দোষীক ৰক্ষণাবেক্ষণৰ অভিযোগ প্ৰশাসনৰ বিৰুদ্ধে



**বিশেষ সংবাদদাতা**
**গোলাঘাট, ২৩ মে'** ঃ গোলাঘাট জিলাৰ ঘিলাধাৰী আৰক্ষী থানাৰ অন্তৰ্গত আঠখেলীয়া বেবেজীয়া গাঁৱত যোৱা ১৯ মে'ৰ নিশা দীপেন দাস *আঠ পৃষ্ঠাত চাওক*

### জলসিঞ্চন কেলেংকাৰিৰ মূল অভিযুক্তৰ আত্মসমৰ্পণ


ছমাহে পলাতক কাৰ্যবাহী অভিযন্তা সত্যৰাম কলিতা

**বিশেষ সংবাদদাতা**
**ওদালগুৰি, ২৩ মে'** ঃ ওদালগুৰি জিলাৰ টংলাস্থিত জলসিঞ্চন বিভাগৰ টংলা *১০ পৃষ্ঠাত চাওক*

| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩১° | ২৪° |
| ডিব্ৰুগড় | ৩১° | ২৪° |
| দিল্লী | ৩৫° | ২৩° |
| কলকাতা | ৩৪° | ২৭° |
| মুম্বাই | ৩৩° | ২৯° |
| চেন্নাই | ৩৬° | ২৯° |
| বাংগালুৰু | ৩০° | ২১° |
| শ্বিলং | ২২° | ১৬° |

২৩ মে', ২০২২



### চেঙা তেল



*কোন মেকৰ ছাবক লগ কৰিব... সো মেকক নে বাৰ্ত মেকক...*

■ বৰপেটা সত্ৰৰ পুখুৰীৰ পাৰৰ বাহাৰ মাটি বেদখল কৰি আছিল জগত চন্দ্ৰ ডেকাই ■ সাতামপুৰুষীয়া পৰম্পৰা ভংগ কৰি কেৱলীয়া ভকত হৈয়ো বিবাহিতা বেদখলকাৰীয়ে পৰিয়ালসহ বসবাস কৰি অহাৰ অভিযোগ দীৰ্ঘদিনীয়া

## সত্ৰৰ পৰা বেদখলকাৰীক খেদি আইসকলে লগালে তলা



**বিশেষ সংবাদদাতা**
**বৰপেটা, ২৩ মে'** ঃ বৰপেটা সত্ৰৰ অন্তৰ্গত পুখুৰীৰ পাৰৰ বাহাৰ মাটি অবৈধভাৱে বেদখল কৰা জগৎ চন্দ্ৰ ডেকাক আজি বৰপেটাৰ পৰা যোৱা প্ৰায় ডেৰ শতাধিক ভকত-আইমাতৃয়ে পুখুৰীৰ পাৰৰ বাহাৰ পৰা উলিয়াই দি বাহাটোত তলা লগাই ছীল কৰি দিয়ে। অভিযোগ অনুসৰি, বৰপেটা চহৰৰ বৃন্দাৱন হাটীত বৰপেটা সত্ৰৰ নামত থকা প্ৰায় দুবিঘা ১৫ লেছা মাটি ডেকাই বে-আইনীভাৱে নিজৰ নামত নামজাৰি কৰাই লৈছিল। বৰপেটা সত্ৰৰ চাৰি খুঁটি থানৰ অন্যতম বৃন্দাৱন হাটীৰ পুখুৰীৰ পাৰৰ বাহাৰ পুৰণি গৃহ ভাঙি জেকাই নতুনকৈ গৃহ নিৰ্মাণো কৰিছিল। পুৰণি গৃহ ভাঙি নতুনকৈ নিৰ্মাণ কৰাৰ ক্ষেত্ৰতো ডেকাই সত্ৰৰ পৰা কোনো অনুমতি লোৱা নাছিল। আনকি পুখুৰীৰ পাৰৰ বাহাৰ চৌহদত থকা বহু পুৰণি গছ-গছনি ডেকাই সত্ৰৰ বিনা অনুমতিত কাটি বিক্ৰী কৰি ঐতিহ্যমণ্ডিত পুখুৰীৰ পাৰৰ বাহাটোৰ পৰিৱেশ বিঘ্নিত কৰিছিল বুলি অভিযোগ উত্থাপিত হৈছে। এইধৰণৰ বিতৰ্কিত কৰ্ম-কাণ্ডৰ স'তে জড়িত হে পৰা ডেকাৰ বিৰুদ্ধে বিহিত *১০ পৃষ্ঠাত চাওক*

চৰাইদেউ জিলাৰ দৰিদ্ৰ পৰিয়ালৰ সন্তান

## আলফালৈ যাবলৈ সাজু হোৱা সাত যুৱকক গ্ৰেপ্তাৰ কৰিলে নিৰাপত্তা বাহিনীয়ে

**অগ্ৰদূত বাৰ্তা**
**সোণাৰি, ২৩ মে'** ঃ আলফা (স্বাধীন)ত যোগদানৰ বাবে তৎপৰ হোৱা সাতজন যুৱকক কালি বিয়লি আৰু নিশা বিভিন্ন ঠাইৰ পৰা আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীয়ে গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে জনোৱা মতে, যুৱককেইজনে আলফাত যোগদানৰ বাবে পৰিকল্পনা কৰিছিল। উগ্ৰপন্থী সংগঠনটোত যোগদানৰ বাবে প্ৰস্তুতি চলোৱা যুৱককেইজনৰ পৰিয়ালৰ অৱস্থা স্বচ্ছল নহয়। আৰক্ষীয়ে চৰাইদেউ জিলাৰ *১০ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৪ মে', ২০২২ মঙলবাৰ পৃষ্ঠা তিনি

## বিল্যসনন্দন চ'ৰা




# জনপ্ৰিয় বনাম অপ্ৰিয়

**কিছুমান** বস্তু হ'বলৈ আজিৰ দিনত বৰ সহজ নহয়। নাই নাই, ডাক্তৰ-ইঞ্জিনীয়াৰ হোৱাৰ কথা কোৱা নাই। সেইবোৰ হ'ব পাৰি। বাপেকৰ জেপ গৰম থাকিলে হ'ল। ডিগ্ৰী বিক্ৰী কৰা অজস্ৰ দোকান, যাক প্ৰাইভেট ইনষ্টিটিউছন বুলিও কোৱা হয়, সেইবোৰ দেছৰ প্ৰান্তে প্ৰান্তে খুলি বহুতে ভাল ঘটি আছে। আৰু যদি দেছত চাউল নিসিজে, বিদেছত গ'লে হ'ল। ৰাছিয়া, চাইনাকে ধৰি অজস্ৰ দেছত দোকান নহয়, হৰেক ৰকমৰ ডিগ্ৰী বেচা মল খুলি বহি আছে বহুতে। তালৈ গ'লে হ'ল, পুতেক বা জীয়েকৰ পছন্দমতে যি ডিগ্ৰী লাগে কিনি আনিলে হ'ল। গতিকে আজিৰ দিনত ডাক্তৰ-ইঞ্জিনীয়াৰ হ'বলৈ বৰ সহজ। কিন্তু প্ৰফেছনেল ডিগ্ৰীৰ বাহিৰে বাকী যিবোৰ ডিগ্ৰী বা খিতাপ আছে, সেইবোৰৰ স্থান নিৰ্ণয় কৰাটো দিনক দিনে বৰ টান হৈ পৰিছে। দুনিয়াখনক টুপী পিন্ধাই আজিলৈকে ধৰা নপৰাকৈ থকাজনেও খাৰাংখাচ ক'ব নোৱাৰে যে তেওঁৰ সমান টুপীৰাম আৰু কোনো নাই। দিনে দুই-তিনিজনৰ হাত-ভৰি ভাঙি ছিন্ন-ভিন্ন কৰি অহাজনেও বুকু ডাঠ কৰি ক'ব নোৱাৰে যে তাৰ সমান গুণ্ডা দ্বিতীয়টো নাই। ক্লাছত বদমাচি কৰি সদায় কাণত ধৰি থিয় দি থকা ষ্টুডেণ্টজনে দুদিন পাছত দেখিব বদমাচি কৰা কাৰণে তাৰ লগৰ দুজনক স্কুলৰ পৰাই গেট-আউট কৰি দিয়া হৈছে। তাৰ মানে কি? তাৰ মানেটো এয়াই যে কোনেও এক নম্বৰ নহয়, এক চে বড়কৰ এক আছে। তেন্তে কাৰোবাক এক নম্বৰ জনপ্ৰিয় বুলিবলৈ যোৱাটোতো কিছু সমস্যা আছে। বা সমস্যা থাকিব লাগে। এনেয়েও জনপ্ৰিয় খিতাপটোৱে বৰ গণ্ডগোলীয়া। এশজন মানুহৰ বিছজনে তেওঁক ভাল পালে, তেতিয়াও তেওঁ জনপ্ৰিয় হৈ যাব পাৰে। বাকী আশীজনে যে তেওঁক দিনে-ৰাতিয়ে গুৱাল গালি পাৰি আছে, তালৈ ভ্ৰূক্ষেপ নকৰাকৈ বা তাকে লৈ তেওঁ আক্ষেপ নকৰাকৈও বিন্দাচ জনপ্ৰিয় হৈ থাকিব পাৰে। ঘৰ এখনৰ চাৰিজন মেম্বাৰৰ এজনে ভাল পালেও তেওঁ জনপ্ৰিয় হৈ যাব পাৰে, বাকী তিনিজনে লাগিলে তাৰ নাম শুনিলেই গা ধুই নমৰক কিয়। তথাপি তেওঁ জনপ্ৰিয়। কাৰণ চাৰিজনৰ এজনেতো তেওঁক ভাল পায়। আমাৰ গণতন্ত্ৰৰ প্ৰধান মন্ত্ৰ এইটোৱে যে কোনোবাই অলপ ভাল পালেই হ'ল বা কমকৈ বেয়া পালেই হ'ল। লগালগ জনপ্ৰিয় হৈ গাদীত বহি যাব পাৰি।



এশজন মানুহৰ ৩৫ জনে ভাল পালেই হাত জোঁকাৰি জোঁকাৰি জনপ্ৰিয়তাৰ মুকুট শিৰোধাৰ্য কৰাৰ সুবৰ্ণ সুযোগ আনি দিব পৰা মন্ত্ৰটোৱে হ'ল ইণ্ডিয়ান গণতন্ত্ৰ। ৩৫জনে ভাল পালেও সিপিনে যে ৬৫ জনে তেওঁক খঙতে গালি-গালাজ কৰি আছে, সেয়া এই ইণ্ডিয়ান গণতন্ত্ৰৰ ধৰ্তব্য মন্ত্ৰ নহয়। মানে আপোনাক ভাল পোৱা মানুহতকৈ বেয়া পোৱা মানুহ বেছি। তাৰ পাছতো আপুনি জনপ্ৰিয়।

এতিয়া প্ৰশ্ন হয় যে ৩৫ জনে আপোনাক ভাল পাইছে আৰু ৬৫ জনে আপোনাক বেয়া পাইছে। তাৰ পাছতো যদি আপুনি জনপ্ৰিয় হয়, তেন্তে অপ্ৰিয় খিতাপৰ মাপকাঠি কি হ'ব? মানে কিহৰ নিৰিখত আমি কাৰোবাক অপ্ৰিয় বুলিম? ইণ্ডিয়ান গণতন্ত্ৰৰ বৈশিষ্ট্য এয়াই যে ইয়াত কেতিয়াও কোনেও অপ্ৰিয় নহয়। বেছি জনপ্ৰিয় হ'ব পাৰে, কম জনপ্ৰিয় হ'ব পাৰে, কিন্তু কোনেও কেতিয়াও অপ্ৰিয় হ'ব নালাগে। স্বাধীন হোৱাৰে পৰা ইণ্ডিয়াৰ এনে এজনৰ নাম ক'ব পৰা যাবনে, যাক কেতিয়াবা অপ্ৰিয় খিতাপ দিয়া হৈছিল। নাই, আপুনি এজনৰ নামো ক'ব নোৱাৰে; কিন্তু এটা কথা ঠিক যে যি জনপ্ৰিয় হৈছে, সি কিন্তু আধাতকৈ বেছি মানুহৰ ওচৰত অপ্ৰিয়। সেই অপ্ৰিয় খিতাপটোক ঢাকি ৰখা হৈছে জনপ্ৰিয়তাৰ লেবেলখনেৰে। এই লেবেলৰ সহায়তে লেবেল ছুটাই থাকিব পাৰি যে ময়ে আটাইতকৈ জনপ্ৰিয়। যিয়ে আজিৰ তাৰিখত বেছি জনপ্ৰিয়, সি কাইলৈ কম জনপ্ৰিয় হ'ব পাৰে। বা কম জনপ্ৰিয়জনে বেছি জনপ্ৰিয় হৈ গাদীত বহি যাব পাৰে। তাৰ মানেটো এয়াই যে যি কম জনপ্ৰিয় হৈছে, মোটামুটি ৭০ জনৰ বেছিৰ ওচৰত তেওঁ অপ্ৰিয়। আৰু যি বেছি জনপ্ৰিয় হৈ গাদীত বহিছে, ৬০ বা ৬৫ জনৰ ওচৰত তেওঁ অপ্ৰিয়। মুঠ কথাটো হ'ল— আজিলৈকে কোনো জনপ্ৰিয়ই গাদীত বহাই নাই। গাদীত যিয়ে বহিছে তেওঁ বেছিভাগৰ ওচৰত অপ্ৰিয়। অপ্ৰিয় চৰকাৰ এখনক জনপ্ৰিয় কৰিব লাগিলে বুলডজাৰৰ হেল্প ন'লৈ উপায় নাই।

## মাটিয়াত গৰু চোৰ আটক
### চুৰি হোৱা পাঁচটাকৈ গৰু উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২৩ মে' ঃ** মাটিয়া আৰক্ষীয়ে ধূপধৰা বজাৰৰ পৰা আজি পাঁচটাকৈ চুৰি হোৱা গৰু উদ্ধাৰ কৰিবলৈ সক্ষম হয়। তথ্য মতে যোৱা ১৯ মে'ৰ নিশা মাটিয়া আৰক্ষী থানাৰ অন্তৰ্গত কাৰিপাৰাৰ হৰেশ্বৰ নাথৰ চাৰিটা আৰু ভূপেন কলিতাৰ এটা মুঠ পাঁচটাকৈ গৰু গোহালিৰ পৰা চুৰি কৰি নিয়ে। এই সন্দৰ্ভত পৰিয়ালৰ লোকে মাটিয়া আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে আৰু বিশেষ সূত্ৰৰ পম খেদি আজি ধূপধৰা সপ্তাহিক বজাৰত বিক্ৰী কৰিবলৈ অনাৰ সময়তে আৰক্ষীয়ে চুৰি হোৱা গৰু পাঁচটা উদ্ধাৰ কৰি মাটিয়া থানালৈ আনে। ইপিনে, এই চুৰি কাণ্ডৰ স'তে জড়িত ছয় পৃষ্ঠাত চাওক

## আমিনগাঁৱত আক্ৰাছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক
# পৃথক কমতাপুৰ ৰাজ্য পুনৰ গঠন- জনজাতিকৰণৰ দাবীত ৰেলপথ-ঘাইপথ অৱৰোধ কৰিব আক্ৰাছুৱে



**অগ্ৰদূত ব্যুৰ'**
**বঙাইগাঁও, ২৩ মে' ঃ** পৃথক কমতাপুৰ ৰাজ্য পুনৰ গঠন আৰু কোচ ৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণৰ দাবীত সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা চমুকৈ আক্ৰাছুৱে পুনৰ এক দীঘলীয়া আন্দোলন কাৰ্যসূচী গ্ৰহণ কৰিছে। আজি বঙাইগাঁও চহৰৰ বৰপাৰাস্থিত আক্ৰাছুৰ মুখ্য কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত আক্ৰাছুৰ সভাপতি ক্ষীতিশ বৰ্মন আৰু যুটীয়া সম্পাদক কপিল দেৱ সিংহই কয় যে ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি মিত্ৰজঁটৰ ছয় পৃষ্ঠাত চাওক

## জামুগুৰিহাটত বন্যহস্তীৰ মৃতদেহ উদ্ধাৰ



**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ২৩ মে' ঃ** জামুগুৰিহাটৰ চিৰুৱানিত আজি পুৱা এটি বন্যহস্তীৰ মৃতদেহ উদ্ধাৰ কৰা হয়। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ষষ্ঠ সংযোজনৰ পৰা নিশাৰ ভাগত খাদ্যৰ সন্ধানত জনাঞ্চললৈ ওলাই আহি মৃত্যু হোৱা বনৰীয়া হাতীটো পুৱাৰ ভাগত স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰি বন বিভাগক অৱগত কৰায়। বনৰীয়া হাতীটোৰ মৃত্যুৰ কাৰণ এতিয়াও জানিব পৰা হোৱা নাই। বন্যহস্তীটোৰ বসয় আনুমানিক ২৫ বছৰ বুলি বন বিভাগে জানিবলৈ দিছে। উল্লেখ্য যে আজিৰ পৰা কিছুদিন পূৰ্বে জামুগুৰিহাটৰ চিতলমাৰীৰ সমীপত বনাঞ্চলৰ পৰা ওলাই অহা আন এটা বনৰীয়া হাতীৰ মৃতদেহ উদ্ধাৰ কৰা হৈছিল।

## বৰপেটা-হাজোৰ কেঁবাঠাইতো শিক্ষানুষ্ঠান পানীৰ তলত ঃ হাহাকাৰ শিক্ষাৰ্থীৰ
# বানৰ বাবে বিদ্যালয়ত গুণোৎসৱ স্থগিত



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**বৰপেটা/কয়াকুছি/হাজো, ২৩ মে' ঃ** ৰাজ্যৰ আন কে'বাখনো জিলাৰ লগতে বৰপেটা জিলাৰো চৰকাৰী বিদ্যালয়সমূহত আজিৰে পৰা দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ আৰম্ভ হৈছে। অৱশ্যে চলিত বান পৰিস্থিতিৰ বাবে অবিভক্ত বৰপেটা জিলাৰ বৰপেটা প্ৰাথমিক শিক্ষা খণ্ডৰ ৫৩ খন আৰু ভৱানীপুৰ শিক্ষা খণ্ডৰ চাৰিখনৰ স'তে মুঠ ৫৭ খন বিদ্যালয়ত গুণোৎসৱ স্থগিত ৰখা হৈছে। আজি প্ৰথম দিনা সকলো বিদ্যালয়তে স্ব-মূল্যায়ন পদ্ধতিৰে দ্বিতীয় শ্ৰেণীৰ পৰা নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ পঠন সম্পৰ্কীয় পৰীক্ষা লোৱা হয়। কাইলৈৰ পৰা অহা তিনিদিনৰ ভিতৰত বৰ্হি মূল্যায়কৰ উপস্থিতিত বিদ্যালয়সমূহৰ মূল পৰীক্ষা অনুষ্ঠিত হ'ব, য'ত ছাত্ৰ-ছাত্ৰীসকলৰ মূল্যায়নৰ উপৰি বিদ্যালয়সমূহৰো মূল্যায়ন কৰা হ'ব। উক্ত কাৰ্যসূচীত জিলাখনৰ আঠ শতাধিক প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ বিষয়া আৰু মহাবিদ্যালয়ৰ অধ্যাপক-সহকাৰী অধ্যাপক আদিৰ উপৰি ৰাজ্য প্ৰশাসনৰ কেঁবাগৰাকী জেষ্ঠ বিষয়া অংশগ্ৰহণ কৰিব। আজি পৰীক্ষা অনুষ্ঠিত বৰপেটা শিক্ষা খণ্ডৰ ২৯৭ খন বিদ্যালয়ৰ ভিতৰত ২০৭ খন প্ৰাথমিক, ২১ খন উচ্চ প্ৰাথমিক, ছয় পৃষ্ঠাত চাওক

## গছৰ ডাল-বাঁহ পুতি মথাউৰি মেৰামতি তেজপুৰত
# বৰষুণত খহিল কোটিটকীয়া মথাউৰি



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২৩ মে' ঃ** তেজপুৰৰ নিকটৱৰ্তী বিহগুৰিত জলসম্পদ বিভাগে নিৰ্মাণ কৰা এক কোটি ৬৫ লাখ টকাৰ এটা মথাউৰি বৰ্তমান চপৰা চপৰে খহিবলৈ ধৰিছে। নৱনিৰ্মিত মথাউৰিটো বৰষুণৰ বাবেই খহিবলৈ লোৱাত অঞ্চলটোৰ ৰাইজ শংকিত হৈ পৰিছে। উল্লেখ্য যে মাত্ৰ দুমাহৰ পূৰ্বেহে নিৰ্মাণ আৰম্ভ হৈছিল এই মথাউৰিটোৰ। তেজপুৰস্থিত জলসম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তাৰ কাৰ্যালয়ৰ অধীনত নিৰ্মিত এই ছয় পৃষ্ঠাত চাওক

## জলসম্পদৰ চাৰিশ আঁচনিৰ ধন মুকলি নহ'ল এবছৰতঃ বৰা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২৩ মে' ঃ** ৰাজ্যত জলসম্পদ বিভাগৰ চাৰিশখন আঁচনিৰ বিপৰীতে প্ৰায় এহেজাৰ চাৰিশ ৭৭ কোটি টকা অব্যৱহৃত হৈ থকা বুলি অভিযোগ কৰিছে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। তেজপুৰত আজি বিয়লি এই মন্তব্য কৰি বৰাই কয় যে যোৱা এবছৰে বিভাগটোৰ মন্ত্ৰীৰূপে পীযুষ হাজৰিকাৰ ছয় পৃষ্ঠাত চাওক

### মূল্যায়কৰ দৃষ্টি আকৰ্ষণৰ বাবে বিভিন্ন বিষয় উপস্থাপন ঃ উৎসৱমুখৰ বিদ্যালয়ৰ পৰিৱেশ
## আজিৰ পৰা ৰাজ্যত দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ২৩ মে' ঃ** ৰাজ্যজুৰি আজিৰ পৰা আৰম্ভ হৈছে দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ। আজিৰ পৰা ২৬ মে'লৈকে চলিব লগা এই গুণোৎসৱত ৰাজ্যৰ ৪৬০০০ বিদ্যালয়ৰ ৪২,৫০,২২৪ গৰাকী ছাত্ৰ-ছাত্ৰীক মূল্যায়ণ কৰিব ১৮,৯১০ গৰাকী বহিঃ মূল্যায়কে। শিৱসাগৰ জিলাকে ধৰি কামৰূপ, কোকৰাঝাৰ, গোলাঘাট, তিনিচুকীয়া, বৰপেটা, মাজুলী, মৰিগাঁও আৰু ওদালগুৰি জিলাত আজিৰে পৰা আৰম্ভ হৈছে দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ। শিৱসাগৰ জিলাৰ ১৩২৭খন বিদ্যালয়ৰ ৭২,৬৫৫ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এই গুণোৎসৱত অংশগ্ৰহণ কৰিছে। ৰাজ্যৰ প্ৰাথমিক, মাধ্যমিক চৰকাৰী বিদ্যালয়ৰ লগতে চাহ বাগান কৰ্তৃপক্ষৰ দ্বাৰা ছয় পৃষ্ঠাত চাওক

## নাট্যাচাৰ্য পখিলা কলিতালৈ 'বংগ মাতা' উপাধি

**গুৱাহাটী, ২৩ মে' ঃ** বাংলাদেশত অনুষ্ঠিত বংগ বন্ধু শ্বেখ মুজিবশতবাৰ্ষিকী উৎসৱত অসমৰ বিশিষ্টা লেখিকা, অভিনেত্ৰী, পৰিচালক নাট্যাচাৰ্য পখিলা কলিতাক বাংলাদেশৰ পঞ্চগড় আসনৰ সাংসদ মুজাহাৰুল হক প্ৰধান, বাংলাদেশৰ চেক্ৰেটাৰী জেনেৰেল অধ্যাপক জেহেৰুল আলম, বিশিষ্ট সাহিত্যিক-সাংবাদিক ৰহিম আবদুৰ ৰহিমে কে'বাখনো ৰাজ্যৰ শিল্পীৰ উপস্থিতিত যোৱা ১৪ মে'ত আড়ম্বৰপূৰ্ণ অনুষ্ঠানত 'বংগ মাতা' উপাধিৰে সন্মানিত কৰে। উপাধি প্ৰদান অনুষ্ঠানত অসমৰ পৰা লোকগীতৰ গুৰু ৰীনা দাস, অভিনেতা ৰবীন ডেকাৰ লগতে বিশিষ্ট অভিনেত্ৰী ড° অৰুণিমা বৰুৱা, গায়িকা দীপ্তিকণা মজুমদাৰ, ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপক শিল্পী কস্তুৰী কাশ্যপ, শিশু অভিনেত্ৰী অৰ্পিতা শইকীয়া, বাউল গীতৰ শিল্পী সুমন্দিতা সৰকাৰ, বিশিষ্ট ঢুলীয়া-মৃণাল দাস, গায়ক ৰাকেশ শৰ্মা, গীতা দেৱ গগৈ, গায়ত্ৰী ডেকা, আল্পনা চৌধুৰীকে ধৰি ভাৰতবৰ্ষ আৰু বাংলাদেশৰ বহু শিল্পী উপস্থিত থাকে। উল্লেখযোগ্য যে উক্ত অনুষ্ঠানত অসমৰ পৰা যোৱা দলটোৱে বিহু নাচ আদিৰ লগতে নাট প্ৰদৰ্শনো কৰে।

## জ্যেষ্ঠ নাগৰিক জমিৰুদ্দিন আহমেদৰ মৃত্যু

**ছয়গাঁও, ২৩ মে' ঃ** ছয়গাঁৱৰ জ্যেষ্ঠ নাগৰিক আলহাজ জমিৰুদ্দিন আহমেদ (৯৭)ৰ আজি নিজ বাসভৱনত বাৰ্ধক্যজনিত ৰোগত মৃত্যু হয়। ছয়গাঁৱৰ মুছলিমপাৰাৰ ঘৰত বিয়লি মৃত্যু হোৱা আহমেদ ছয়গাঁও পাণ্টান গাঁও পঞ্চায়ত সমবায় সমিতিৰ জন্মদাতা সদস্য আছিল। পাছত ১৯৬৫লৈ পিয়াদা আৰু ২০০১লৈ তৰণীৰূপে কামৰূপৰ উপায়ুক্তৰ কাৰ্যালয়ত তেওঁ সেৱা আগবঢ়াইছিল। ছয়গাঁও মুছলিমপাৰা ৰাইজৰ কুৰি বছৰৰ সভাপতি আহমেদ ছয়গাঁও মোক্তাব প্ৰাথমিক বিদ্যালয়ৰো দীৰ্ঘকালৰ সভাপতি আছিল। বহুসংখ্যক শুভকাংক্ষীৰ উপস্থিতিত তেওঁৰ জানাজা সন্ধিয়া ঢেকেনাবড়ী ঈদগাহত সম্পন্ন কৰা হয়।

## কোকৰাঝাৰত গুণোৎসৱ আৰম্ভ

**অগ্ৰদূত বাৰ্তা**
**কোকৰাঝাৰ, ২৩ মে' ঃ** ৰাজ্যখনৰ ছাত্ৰ-ছাত্ৰী আৰু বিদ্যালয়সমূহৰ প্ৰদৰ্শন মূল্যাংকন কৰাৰ বাবে হোৱা গুণোৎসৱ কোকৰাঝাৰ জিলাত চাৰিদিনীয়া কাৰ্যসূচীৰে আজিৰে পৰা আৰম্ভ হৈছে। কাৰ্যসূচী অনুসৰি, প্ৰথম দিনাখন বিদ্যালয়সমূহে নিজে প্ৰাৰ্থীসকলৰ দক্ষতা আৰু বিদ্যালয়ত থকা সা-সুবিধা পৰীক্ষা কৰে। কাইলৈৰ পৰা ২৬ মে'লৈকে বাহ্যিক মূল্যায়নকাৰীসকলে বিদ্যালয়সমূহ পৰিদৰ্শন কৰি শিক্ষক আৰু শিক্ষাৰ্থীৰ উপস্থিতি, শিক্ষাৰ্থীসকলৰ দক্ষতা মূল্যায়ন, শিক্ষাৰ্থীসকলৰ খেলুৱৈত্বৰ মনোভাৱ, বিদ্যালয় পৰিচালনা সমিতিৰ ভূমিকা, সমাজৰ অংশগ্ৰহণ, ছয় পৃষ্ঠাত চাওক

## অসমৰ মাটিত এনৰেগা




### মৰিয়নিত তীব্ৰ প্ৰতিক্ৰিয়া

**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ২৩ মে' ঃ** নগালেণ্ডৰ সীমামূৰীয়া অসমৰ মাটিত নগাৰ লুলোপ দৃষ্টি অব্যাহত আছে। নগালেণ্ডৰ সীমান্তৱৰ্তী অঞ্চলসমূহ নিজৰ দখললৈ নিবলৈ বিভন্ন পন্থা অৱলম্বন কৰিছে নগালোকে। এইবাৰ অসমৰ মাটিত অসমৰ এনৰেগাৰ জৰিয়তে হোৱা কামত বাধা দিবলৈ আহিল একাংশ নগা লোক। ঘটনাটো মৰিয়নিৰ অসম ছয় পৃষ্ঠাত চাওক

## গোৱালপাৰাৰ হিন্দী এম ই বিদ্যালয়ত তিনিগৰাকী ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে সমসংখ্যক শিক্ষক-শিক্ষয়িত্ৰী



**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২৩ মে' ঃ** সমগ্ৰ ৰাজ্যজুৰি গুণোৎসৱ চলি থকাৰ মাজতে গোৱালপাৰাৰ হিন্দী এম ই বিদ্যালয়ত তিনিগৰাকী ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে সমসংখ্যক শিক্ষক-শিক্ষয়িত্ৰী নিয়োজিত হৈ আছে। গোৱালপাৰা চহৰৰ বেলতলাস্থিত বালিজানা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সমীপত ১৯৭৬ত জিলাখনৰ একমাত্ৰ হিন্দী মাধ্যমৰ এম ই বিদ্যালয়খন স্থাপন কৰা হৈছিল। চহৰখনৰ লগতে জিলাখনত বসবাস কৰা হিন্দী ভাষী লোকসকলৰ ল'ৰা ছোৱালীক পঢ়া-শুনা কৰোৱাৰ লক্ষ্যৰে স্থাপন কৰা ছয় পৃষ্ঠাত চাওক

## খহনীয়াৰ কবলত খনামুখৰ ডিমৰুগুৰিৰ মিটিং নৈৰ বাওঁ অংশৰ মথাউৰি



**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ২৩ মে' ঃ** শিৱসাগৰ জলসম্পদ সংমণ্ডলৰ অধীনস্থ খনামুখ অঞ্চলটোৰ সীমাৰ কাষৰীয়া মিটিং নৈৰ বানে সম্প্ৰতি ভয়াবহ ৰূপ ধাৰণ কৰিছে। যোৱা কিছুদিন ধৰি নেৰানেপেৰা বৰষুণে নদীখনৰ গতিপথৰ বাওঁফালৰ মথাউৰি বৃহত্তৰ ডিমৰুগুৰি অংশ খহনীয়াৰ কবলত পৰাত অঞ্চলটোৰ ৰাইজে বিনিদ্ৰ ৰজনী কাল কটাব লগা হৈছে। যোৱা বৰ্ষত বিভাগে মথাউৰি নিৰ্মাণ কৰিছিল যদিও উক্ত অংশ মেৰামতি নকৰাৰ অভিযোগ উঠিছে। ইফালে, ছয় পৃষ্ঠাত চাওক

## বকোৰ গাৰোজানত অসমৰ সমৰ্থনত থকা মহিলাক গাঁৱৰ পৰা বহিষ্কাৰ



### আৰক্ষী লৈ চোঁচা মেঘালয় সমৰ্থনকাৰীৰ

**অগ্ৰদূত বাৰ্তা**
**বকো, ২৩ মে' ঃ** অসম-মেঘালয় সীমা সমস্যাক লৈ বকোৰ গাৰোজানত উত্তেজনাই বিৰাজ কৰিছে। উল্লেখ্য যে গাৰোজানৰ একাংশই অসমক সমৰ্থন কৰা লগতে আন একাংশই মেঘালয়ক সমৰ্থন কৰি আহিছে। অসমক সমৰ্থন কৰা অভিযোগত গাঁওখনৰ পৰা বহিষ্কাৰ কৰে এগৰাকী মহিলাক। মহিলাগৰাকীক গাঁওখনৰ পৰা বহিষ্কাৰ কৰা সন্দৰ্ভত বুজ লোৱাৰ বাবে আজি বকো থানাৰ আৰক্ষী আৰু ছয় পৃষ্ঠাত চাওক

### কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বানৰে মোকাবিলাৰ প্ৰস্তুতি
## এজাৰ কাঠৰ নাও সাজি যুঁজলৈ সাজু কাজিৰঙাৰ বনকৰ্মী



**অগ্ৰদূত বাৰ্তা**
**কলিয়াবৰ, ২৩ মে' ঃ** যেন এখন যুঁজলৈহে সাজু হৈছে বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বনকৰ্মীসকল। এজাৰ কাঠৰ বিশাল বিশাল নাও সাজি আগন্তুক বাৰিষাত ব্ৰহ্মপুত্ৰৰ ভয়ংকৰ বানৰে মোকাবিলা কৰিবলৈ ইতিমধ্যেই কঁকালত টঙালি বান্ধি সাজু হৈ উঠিছে ৰাষ্ট্ৰীয় উদ্যানখনৰ কলিয়াবৰ মহকুমাৰ অন্তৰ্গত বুঢ়াপাহাৰ, বাগৰি বনাঞ্চলৰ লগতে বোকাখাত মহকুমাৰ কঁহৰা আৰু অগৰাতলি বনাঞ্চলকে ধৰি চাৰিখনকৈ বনাঞ্চলৰ বনকৰ্মীসকল। কাজিৰঙাত ইতিমধ্যেই আৰম্ভ হৈছে বাৰিষা। ঠায়ে ঠায়ে কাৰ্বি পাহাৰৰ পৰা বৈ অহা জান-জুৰি-নিজৰাৰ পানীৰ লগতে ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানী মিলি গৈ আৰম্ভ হৈছে বানপানী সদৃশ পৰিৱেশ। কলিয়াবৰ মহকুমা প্ৰশাসনে আগতীয়াকৈয়ে ৰাষ্ট্ৰীয় উদ্যান অঞ্চলৰ লগতে ইয়াৰ ঠিক মাজেৰে পাৰ হৈ যোৱা ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথ সামৰি জাৰি কৰিছে ১৪৪ ধাৰা। বন বিভাগ আৰু আৰক্ষীয়ে মিলি নিয়ন্ত্ৰণ কৰাত লাগিছে দ্ৰুতবেগী যানবাহনৰ গতিবেগ। এনে সময়তে বুঢ়াপাহাৰ বনাঞ্চলৰ তিনিটা বন শিৱিৰৰ লগতে বাগৰিকে ধৰি আন ছয় পৃষ্ঠাত চাওক

## সত্ৰাধিকাৰ মাখনচন্দ্ৰ দেৱগোস্বামীৰ মৃত্যু

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ২৩ মে' ঃ** নগৰৰ উপকণ্ঠ উত্তৰ-পশ্চিম যোৰহাটৰ ৰতনপুৰ বৰকলীয়া সত্ৰৰ সত্ৰাধিকাৰ মাখনচন্দ্ৰ দেৱগোস্বামীৰ আজি সন্ধিয়া ছয় বজাত নিজা বাসগৃহত মৃত্যু হয়। দগাঁও অনাথ আশ্ৰমৰ প্ৰতিষ্ঠাপক সম্পাদকৰূপে আমৃত্যু সেৱা আগবঢ়োৱা গোস্বামী যোৰহাট জিলাৰ প্ৰাক্তন শিক্ষা বিষয়া আছিল। অসমৰ প্ৰথমজন ৰাষ্ট্ৰপতি পুৰস্কাৰপ্ৰাপ্ত ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী মঙলবাৰ ৯ জেঠ ১৪২৯ ভাস্কৰাব্দ ২৪ মে' ২০২২

## অগ্ৰণী ভূমিকা লওক

অসম বুলিয়ে নহয়, সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰে বিভিন্ন জনগোষ্ঠীৰ বিশেষকৈ মহিলাসকলৰ মাজত ভিন ভিন নৃত্য-গীতৰ প্ৰচলন আছে। তেনেদৰে প্ৰতিটো অঞ্চলৰে নিজস্ব এনেকুৱা খাদ্য-সামগ্ৰী আছে, যিবোৰত মহিলাসকল পাৰ্গত। ভাৰতবৰ্ষৰ আন ৰাজ্যত এনে দৃশ্য দুৰ্লভ; কিন্তু আমাৰ মহিলাসকলৰ দক্ষতাক আমি যথোচিতভাৱে ব্যৱহাৰ কৰিবলৈ সক্ষম হোৱা নাই। উত্তৰ-পূৰ্বাঞ্চলৰ বিবিধ বস্ত্ৰ সামগ্ৰীয়ে বিশ্বৰ বজাৰ দখল কৰিব পাৰে। এই অঞ্চলৰ সুস্বাদু পিঠা-পনা আৰু খাদ্যৰ সমাহাৰে বাহিৰৰ বজাৰতো সমাদৰ পাব পাৰে; কিন্তু পৰিকল্পনাৰ অভাৱ আৰু হীনমন্যতাৰ হেতুকে এই ক্ষেত্ৰত অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হোৱা নাই।

আনহাতে, অসমৰ গ্ৰাম্য সমাজ জীৱনৰ স'তে দেশৰ প্ৰায়বোৰ ৰাজ্যৰে নগৰ আৰু গ্ৰামাঞ্চলৰ মাজত আকাশ-পাতাল পাৰ্থক্য দেখিবলৈ পোৱা যায়। যুৱক-যুৱতীৰ ভিৰত নগৰীয়া জীৱন বৰ্ণিল হ'লেও গ্ৰামাঞ্চলত যৌৱন নাই। এই কথা দোহাৰিবৰ প্ৰয়োজন নাই যে ভাৰতবৰ্ষৰ প্ৰায় ৮০ শতাংশ লোকেই এতিয়াও গ্ৰামাঞ্চলত বাস কৰে। আজিও সেইবোৰ অঞ্চলত কম বয়সতে ল'ৰা-ছোৱালীৰ বিয়া-বাৰু হয়। শৈশৱৰ পৰাই কিশোৰ-কিশোৰীহঁত পিতৃৰ কৃষিকৰ্মত নিয়োজিত থাকে। তাৰ পাছত কোমল বয়সত বৈবাহিক সম্পৰ্ক স্থাপনৰ লগে লগে শহুৰৰ ঘৰত। তাৰ দুই-এবছৰৰ পাছতে সন্তানৰ মাতৃ হৈ যৌৱন পাৰ কৰি দিয়ে। এই ব্যৱস্থাৰ পৰিৱৰ্তন ঘটাবলৈকে দেশৰ মূল ভূ-খণ্ডৰ ল'ৰা-ছোৱালীক বিদ্যালয়লৈ আকৰ্ষণৰ উদ্দেশ্যে মধ্যাহ্ন ভোজনৰ লেখীয়া অভিনৱ আঁচনি ল'ব লগা হৈছিল। বিদ্যালয়লৈ ল'ৰা-ছোৱালীক পঠিওৱাৰ সলনি সৰহ সংখ্যক গঁওৱাই পেটৰ ভাতমুঠিৰ বাবে সিহঁতক খেতিপথাৰ অথবা কল-কাৰখানাত কাম কৰাটো বিচাৰে। সেয়েহে অসমৰ যুৱক-যুৱতীসকলৰ যিখন ছবি দেখা যায়, সেইখন ছবি দেশৰ মূল ভূ-খণ্ডৰ গ্ৰামাঞ্চলত দেখিবলৈ পোৱা নাযায়। নগৰ আৰু গ্ৰাম্য জীৱনৰ পাৰ্থক্য আৰ্থিক দিশত কিছু থাকিলেও দৈনন্দিন জীৱন ধাৰাত সি প্ৰতিফলিত নহয়। অসমৰ গ্ৰামাঞ্চলত জমিদাৰ সদৃশ ভূ-স্বামী যিদৰে নাই, তেনেদৰে ভূমিহীন লোকৰ সংখ্যাও কম। অধিকাংশ পৰিয়ালৰে এটুকুৰা হ'লেও ভূমি আছে। সবাতোকৈ উল্লেখযোগ্য কথা যে দেশৰ ভিতৰত অসমীয়া সমাজত প্ৰতিটো পৰিয়ালৰ তামোল-পাণ আৰু বিভিন্ন ফল-মূলৰ বাৰী একোখন আছে। বাৰীৰ শেষৰফালে কেইজোপামান বাঁহো থাকে। অসমীয়াৰ সাতামপুৰুষীয়া গৌৰৱৰ বাৰীখনৰ চোৰা-চিতাৰ দায়িত্ব ঘৰৰ গৃহিণীসকলেই মুখ্যতঃ লৈ আহিছে। আখলত কেৰাহী বহাইয়ো ৰান্ধনীয়ে বাৰীৰ পৰা জিকা, ভেণ্ডি, বেঙেনাই কেৱল নহয়, জাকৈৰে খাল-পুখুৰীৰ মাছ-পুঠি মাৰি অনাও দেখিবলৈ পাওঁ। তদুপৰি পাছফালৰ কুঁৱাৰ কাষত বান্ধি ৰখা গাইজনীক খেৰ-ঘাঁহ দিয়াৰ পৰা খীৰোৱালৈকে সকলোখিনি সামৰে গৃহিণীগৰাকীয়েই।

বাৰী একোখনি আপডাল কৰি ৰখাৰ এই প্ৰৱণতা অসমৰ সৰ্বত্ৰ দেখিবলৈ পোৱা যায়। বিহাৰ, উত্তৰ প্ৰদেশ আদিত আম, মধুৰীআম আদি খেতিপথাৰৰ একোটা বৃহৎ অঞ্চলত লগোৱা হয়। সেইবোৰ ৰাজ্যত নিজৰ ঘৰটোৰ বাহিৰে সংলগ্ন স্থানত গছ-গছনি একো নাথাকে। খেতি-বাতি কৰে পথাৰতহে। কৰ্ণাটক, তামিলনাডু আদিৰ হোটেলবোৰত যথেষ্ট কলপাত ব্যৱহাৰ হোৱা হেতুকে সেইবোৰ ৰাজ্যত কল খেতিৰ ওপৰত গুৰুত্ব দিয়া দেখা যায়; কিন্তু অসমত ঘৰে ঘৰে আছে কলগছ।

এইবোৰ ক্ষেত্ৰত অসম অনন্য। সম্ভৱতঃ প্ৰাকৃতিক পৰিৱেশৰ হেতুকে মানুহবোৰ সুৰুচিসম্পন্ন আৰু প্ৰত্যেকেই কম-বেছি পৰিমাণে শিল্পী মনৰ অধিকাৰী। প্ৰতিগৰাকী মহিলা ৰন্ধা-বঢ়া, কাপোৰ বোৱা আদিৰ লগতে নৃত্য-গীতত পাৰ্গত। মিচিং মহিলাৰ দৰে দৃষ্টিনন্দন কাপোৰ আন কোনোবা ঠাইৰ মহিলাই তৈয়াৰ কৰিব পাৰেনে সন্দেহ হয়! এনে ধৰণৰ গুণৰ অধিকাৰী আমাৰ মহিলাসকলে সম্প্ৰতি অসমীয়া সমাজত দেখা দিয়া বিশৃংখলা আঁতৰ কৰাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লোৱা উচিত। সম্প্ৰতি মাদক দ্ৰব্যৰ প্ৰচলনে যি ভয়াৱহ ৰূপ ধাৰণ কৰিছে তাক প্ৰতিৰোধ কৰাৰ ক্ষমতা একমাত্ৰ নাৰী সমাজৰহে আছে। তেওঁলোকে মাদক দ্ৰব্যই ধ্বংস কৰি অনা আমাৰ সমাজখনক পুনৰ জীয়াই তোলাৰ ক্ষেত্ৰত সমূহীয়াভাৱে ব্যৱস্থা গ্ৰহণ কৰক।

# বটদ্ৰৱাৰ শিহৰণকাৰী ঘটনা

## আৰক্ষীক খেদি খেদি মাৰ-পিট কৰা আৰু থানা এখনৰ ঘৰ-দুৱাৰ, নথি-পত্ৰ আৰু অস্ত্ৰ-শস্ত্ৰ সকলো জ্বলাই দিয়াটো সাধাৰণ ঘটনা নহয়





অসবৰ্ণ

হীৰেন গগৈ

থানাৰ লক-আপত বা জিম্মাত আচামীৰ মৃত্যু নিতান্তই সন্দেহজনক ঘটনা। আৰক্ষীৰ নিৰ্যাতনতে তেনে ঘটনা প্ৰায়ে সংঘটিত হয়। কেতিয়াবা অৱশ্যে মানসিক চাপ বা অসুখ-বিসুখৰ বাবেও আচামীৰ মৃত্যু হ'ব পাৰে। বিশেষকৈ সঁচাই নিৰপৰাধী লোক এজনক সন্দেহবশতঃ ধৰি দি থানাত আৱদ্ধ কৰি থ'লে আৰু দুৰ্ব্যৱহাৰ কৰিলে তেওঁৰ মন আৰু শৰীৰৰ ওপৰত অস্বাভাৱিক চাপ পৰিবই। এনেবোৰ ক্ষেত্ৰত থানাৰ আৰক্ষীৰ পৰা আশাব্যঞ্জক সঁহাৰি কমেইহে পোৱা যায়। লক-আপত আচামী অসুস্থ হৈ পৰিলে তেওঁৰ তাৎক্ষণিক চিকিৎসাৰ ব্যৱস্থা কৰা হয় নে নহয়, সন্দেহ। তেনেবোৰ খৰচৰ বাবে থানাত বিশেষ পুঁজি থাকে নে নাথাকে, তাকো মই নাজানো। থাকিলেও উচিত সময়ত উচিত কামত সেই পুঁজিৰ ব্যৱহাৰ হয় বা হ'ব বুলিও খাটাং ক'ব নোৱাৰি। আনহাতে, অঞ্চলৰ কাৰোবাৰ গাত অপৰাধীৰ ছাব থাকিলে আৰু কোনো অপৰাধমূলক ঘটনাৰ সংক্ৰান্তত আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কৰি আনিলে তেওঁৰ ওপৰত আৰক্ষীৰ বিচাৰ আদালতৰ আগতেই আৰম্ভ হৈ যাব পাৰে আৰু হয়তো যায়ো। বিশেষকৈ জেৰাৰ সময়ত আচামীৰ পৰা স্বীকাৰোক্তি আদায় কৰিবলৈ আৰক্ষীয়ে ভয়-ভাবুকি-প্ৰলোভন আদিৰ লগত শাৰীৰিক নিৰ্যাতন চলোৱাটো সকলোৱে জনা কথা। আৰক্ষীয়ে আচামীৰ পৰা বা আচামীৰ পৰিয়ালৰ পৰা ঘোচ-ঘাচ বিচৰাটোও নতুন কথা নহয়। বিচৰা ধন নাপালেও আৰক্ষীৰ আচৰণ প্ৰয়োজনাধিক কঠোৰ হ'ব পাৰে। তাৰ ফলো ভোগ কৰিবলগীয়া হ'ব পাৰে আচামীজনেই। সেয়ে লক-আপত আচামীৰ মৃত্যু হ'লে সন্দেহৰ আঙুলি প্ৰথম আৰক্ষীৰ বিৰুদ্ধেই উঠাটো স্বাভাৱিক আৰু বহু সময়ত তেনে অভিযোগ সত্য প্ৰমাণিত হৈয়ো আহিছে।

বিদেশীৰ দখলাধীন দেশ এখনৰ কথা বেলেগ; তাত আৰক্ষীক জনসাধাৰণৰ দমনকাৰী শত্ৰু হিচাপেই গঢ় দিয়া হয়; কিন্তু স্বাধীন দেশ এখনত আৰক্ষী হৈছে নীতিগতভাৱে সমাজৰ আইন-শৃংখলা আৰু নাগৰিকসকলৰ জীৱন তথা সম্পত্তিৰ ৰক্ষকহে; কিন্তু ভাৰতবৰ্ষ ঔপনিৱেশিক শাসনৰ পৰা স্বাধীন হোৱাৰ পাছতো দেশৰ সাধাৰণ আৰু আৰক্ষী প্ৰশাসনত ব্ৰিটিছ যুগৰ বহুতো নীতি-নিয়ম আৰু অভ্যাস থাকি গ'ল। স্বৰাজোত্তৰ কালছোৱাত সেইবোৰৰ সংস্কাৰৰ প্ৰয়াসো সময়ে সময়ে চলাই অহা হৈছে যদিও তাৰ অৱশিষ্ট বহুখিনি ৰৈ গৈছে। ইংৰাজ শাসনত আৰক্ষীক দা-দৰমহা বেছিকৈ দিয়া হোৱা নাছিল, কিন্তু ক্ষমতা দিয়া হৈছিল প্ৰচুৰ, যাতে সেই ক্ষমতাৰ অপব্যৱহাৰ কৰি আৰক্ষী বাহিনীটো দুৰ্নীতিত লিপ্ত হ'ব পাৰে আৰু নৈতিকতা হেৰুৱাই কেৱল দমনকাৰী শক্তিত পৰিণত হয়। আৰক্ষীৰ সেই চৰিত্ৰ তথা মানসিকতা সলনি কৰাৰ বাবে তেওঁলোকক এক মৰ্যাদাসম্পন্ন জীৱন-যাপনৰ সুযোগ-সুবিধাবোৰ দিব পাৰিব লাগিছিল আৰু শাসক ৰাজনীতিক বা ওপৰৱালাৰ অন্যায় নিৰ্দেশ আওকাণ কৰি কেৱল আইন আৰু নিয়ম-নীতি মতে কৰ্তব্য পালন কৰিব পৰা পৰিৱেশ এটা সমগ্ৰ আৰক্ষী বাহিনীটোৰ বাবে সৃষ্টি কৰিব লাগিছিল; কিন্তু সেই জৰুৰী কামবোৰেই এতিয়াও হোৱা নাই। আৰক্ষী প্ৰশাসনক ওপৰ-বোজাই কৰি ৰখা হৈছে। উচ্চপদস্থ বিষয়াসকলক শকত দা-দৰমহাৰ লগতে ৰাজকীয় সা-সুবিধা সকলোবোৰ দিয়া হৈছে; কিন্তু তলৰ জোৱানসকলক কম দা-দৰমহাৰে অমানুষিক পৰিশ্ৰম আৰু ওপৰৱালা বা শাসকীয় নেতাসকলৰ হুকুম দাসৰ দৰে পালন কৰিবলৈ বাধ্য কৰি ৰখা হৈছে। সেয়ে আমাৰ আৰক্ষী বাহিনীৰ মাজত নীতিনিষ্ঠ আৰু নৈতিকতাই সাধাৰণভাৱে এতিয়াও গা কৰি উঠিব পৰা নাই। দমন আৰু দুৰ্নীতিৰ পৰম্পৰাও তেওঁলোকৰ মাজত চলতি হৈ আছে। আৰক্ষীক জনসাধাৰণৰ বন্ধুৰ ৰূপত এতিয়াও ভালকৈ গঢ়ি তুলিব নোৱাৰাৰ কাৰণ মূলতঃ সেইটোৱেই। আনহাতে, বহুবোৰ আৰক্ষী থানা বা আউটপ'ষ্টত আত্মৰক্ষা কৰিব পৰাকৈ পৰ্যাপ্ত সংখ্যক আৰক্ষী আৰু অস্ত্ৰ-শস্ত্ৰও নাথাকে। সেয়ে শান্তিৰ সময়ত নিজৰ ক্ষমতা প্ৰদৰ্শন কৰি থাকিলেও অশান্তি বা বহিঃআক্ৰমণৰ সময়ত বহু থানা বা আউটপ'ষ্টৰ আৰক্ষীৰ মনোবল আৰু প্ৰতিৰোধ ক্ষমতা এটাও নাথাকে।

যোৱা ২১ মে'ৰ দিনা বটদ্ৰৱা থানাত ঠিক সেইটোৱেই ঘটিল। ছফিকুল ইছলাম নামৰ লোকজন আৰক্ষীৰ জিম্মাত মৃত্যু হোৱা ঘটনাৰ প্ৰতিবাদৰ নামত এদল উন্মত্ত লোকে যেতিয়া পৰিকল্পিতভাৱে থানাখন অৱৰোধ কৰে আৰু তেওঁলোকৰ মাজৰে একাংশ দুৰ্বৃত্তই যেতিয়া থানাৰ আৰক্ষী জোৱানসকলক মাৰ-পিট কৰাৰ উপৰি পেট্ৰ'ল ছটিয়াই থানাখন জ্বলাই দিয়ে, তেতিয়া সেই দুষ্কাৰ্যক প্ৰতিৰোধ কৰাৰ ক্ষমতা আৰু মনোবল এটাও বোধহয় তাত থকা আৰক্ষী জোৱানকেইজনৰ নাছিল। এতিয়া বদৰুদ্দিন আজমলে প্ৰশ্ন তুলিছে, থানা জ্বলাই দিয়াৰ সময়ত আৰক্ষী কিয় নীৰৱ দৰ্শক হৈ ৰৈ আছিল? আৰক্ষীয়ে সেই উন্মত্ত বাহিনীক কিয় প্ৰতিৰোধ নকৰিলে বা কৰিব নোৱাৰিলে, তাৰ কাৰণ আজমল চাহাবৰো নিশ্চয় অজ্ঞাত নহয় আৰু যদি সেইদিনা থানাৰ আৰক্ষীয়ে আক্ৰমণকাৰীসকলৰ ওপৰত গুলি চলালেহেঁতেন আৰু যদি সেই গুলি চালনাত কেইজনমান প্ৰতিবাদকাৰীৰ মৃত্যু হ'লহেঁতেন, তেতিয়াও আজমল চাহাবৰ দৰে নেতাই নিৰপৰাধী লোকক অনাহক গুলীয়াই হত্যা কৰাৰ অভিযোগত আৰক্ষী জোৱানকেইজনক কঠোৰতম শাস্তিদানৰ দাবী জনালেহেঁতেন আৰু চৰকাৰখনে বাছি বাছি 'সংখ্যালঘু' মুছলমানক হত্যা কৰা বুলি সাম্প্ৰদায়িক ৰাজনীতি আৰম্ভ কৰি দিলেহেঁতেন; কিন্তু এতিয়া অসম আৰক্ষীৰ শীৰ্ষ বিষয়াইহে দাবী কৰিছে যে বটদ্ৰৱা থানা জ্বলোৱা ঘটনাৰ অন্তৰালত 'অল-কায়দা ইন ইণ্ডিয়ান ছাব-কণ্টিনেণ্ট' (এ-কিউ-আই-এছ) নামৰ জেহাদী সংগঠনটোৰ সহযোগী বাংলাদেশৰ সন্ত্ৰাসবাদী সংগঠন 'আনছাৰুল্লাহ বাংলা টীম' (এ-বি-টি)ৰ হাত থকাৰ সন্দেহ আছে। আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তৰ মতে এবিটিৰ নেটৱৰ্ক থকাৰ ঘটনা ধৰা পৰিছে মধ্য অসমৰ মছজিদ আৰু মাদ্ৰাছাত। এই সংগঠনটোৱে একাংশ লোকক উত্তেজিত কৰি শ্লিপাৰ চেল হিচাপে সাজু কৰিছে আৰু বটদ্ৰৱা কাণ্ডতো তাৰ চিন স্পষ্ট ৰূপত পোৱা গৈছে। তাৰ বিপৰীতে বৰপেটাৰ কংগ্ৰেছ সাংসদ আব্দুল খালেকৰ ভাষ্য, বাংলাদেশৰ লগত কাৰোবাৰ কিবা আবেগিক সম্পৰ্ক থাকিব পাৰে; কিন্তু পাকিস্তানৰ স'তে (মানে জেহাদীৰ স'তে) অসমৰ মুছলমানৰ সম্পৰ্ক থকাটো ভুৱা প্ৰচাৰহে।

আৰক্ষীৰ জিম্মাত আচামীৰ মৃত্যু নিশ্চিতভাৱেই উচিত তদন্তৰ বিষয় আৰু তাৰ বাবে থানাৰ আৰক্ষী দোষী প্ৰমাণিত হ'লে দোষীৰ উপযুক্ত শাস্তিও হ'ব লাগিব। আৰক্ষীৰ আচৰণে সীমা চেৰাই যোৱাটো সকলো নাগৰিকৰ কাৰণেই ভয়ৰ কথা; কিন্তু মৃত্যুৰ ঘটনাটোৰ তদন্ততো আগধৰি হ'ব লাগিব। আৰক্ষীৰ সংস্কাৰৰ বাবেও তেনে তদন্ত শান্তিপূৰ্ণভাৱে আৰু কোনো বাহিৰা হস্তক্ষেপ বা প্ৰভাৱ নোহোৱাকৈ সম্পূৰ্ণ হোৱাটো বাঞ্চনীয়। থানাত আৰক্ষীৰ নিৰ্যাতন বা চিকিৎসাৰ গাফিলতিৰ বাবে আচামীৰ মৃত্যু হোৱাটো যদি প্ৰমাণ হয়, তেনেহ'লে দায়িত্বত থকা নিৰ্দিষ্ট বিষয়া বা জোৱানকেইজন নিশ্চয় দোষী হ'ব; কিন্তু একে সময়তে সমগ্ৰ আৰক্ষী প্ৰশাসনটোৱেও নৈতিক অপৰাধৰ দায় সাৰি যাব নোৱাৰে। আৰক্ষীৰ সংস্কাৰৰ আলোচনা প্ৰসংগত এই সকলোবোৰ কথা উত্থাপিত হ'ব লাগে বা হোৱা উচিত।

> **বিদেশীৰ দখলাধীন দেশ এখনৰ কথা বেলেগ; তাত আৰক্ষীক জনসাধাৰণৰ দমনকাৰী শত্ৰু হিচাপেই গঢ় দিয়া হয়; কিন্তু স্বাধীন দেশ এখনত আৰক্ষী হৈছে নীতিগতভাৱে সমাজৰ আইন-শৃংখলা আৰু নাগৰিকসকলৰ জীৱন তথা সম্পত্তিৰ ৰক্ষকহে; কিন্তু ভাৰতবৰ্ষ ঔপনিৱেশিক শাসনৰ পৰা স্বাধীন হোৱাৰ পাছতো দেশৰ সাধাৰণ আৰু আৰক্ষী প্ৰশাসনত ব্ৰিটিছ যুগৰ বহুতো নীতি-নিয়ম আৰু অভ্যাস থাকি গ'ল**

আৰক্ষী বাহিনীৰ অভাৱ-অভিযোগবোৰৰ প্ৰতিও দৃষ্টি দিব লাগিব আৰু তেতিয়াহে সমগ্ৰ আৰক্ষী বাহিনীৰ মনোভাৱ আৰু আচৰণৰ পৰিৱৰ্তন ঘটোৱা আৰু তেওঁলোকক মানৱীয় আৰু জনবন্ধুৰ ৰূপ দিয়া সম্ভৱ হ'ব পাৰে। বটদ্ৰৱা থানাৰ আৰক্ষীৰ জিম্মাত ছফিকুল ইছলামৰ দুৰ্ভাগ্যজনক মৃত্যুৰ তদন্তৰ প্ৰক্ৰিয়াটোও ঠিক তেনেদৰে আগবঢ়াটোৱেই আমাৰ কাম্য আছিল। তাৰ জৰিয়তে আৰক্ষীৰ সংস্কাৰৰ দাবীটোও জোৰদাৰ হ'লহেঁতেন আৰু সমাজখনো সামগ্ৰিকভাৱে উপকৃত হ'লহেঁতেন। চৰকাৰখনেও দায়-দায়িত্বৰ পৰা মূৰ পোলোকা মৰাৰ সুযোগ নাপালেহেঁতেন; কিন্তু ন্যস্ত স্বাৰ্থৰ মহলটোৱে তাকে হ'বলৈ নিদিলে। তেওঁলোকে বটদ্ৰৱা থানা পৰিকল্পিতভাৱে জ্বলাই দি, আৰক্ষীক মাৰ-পিট কৰি যি সন্ত্ৰাস আৰু ধ্বংসযজ্ঞ সংঘটিত কৰিলে, তাৰ ফলত আৰক্ষীৰ জিম্মাত আচামীৰ মৃত্যুৰ ঘটনা তুচ্ছ হৈ পৰিল আৰু চৰকাৰখনকো প্ৰত্যাক্ৰমণৰ ডাঙৰ সুযোগ এটাহে দিয়া হ'ল। থানা এখন জ্বলাই ভস্মীভূত কৰাৰ দৰে ভয়ানক ঘটনা এটাৰ ক্ষেত্ৰত চৰকাৰখন কেতিয়াও নিস্পৃহ হৈ নাথাকে আৰু থাকিবও নোৱাৰে। স্বাভাৱিকভাৱেই চৰকাৰী বাহিনী থানা আক্ৰমণকাৰীসকলৰ ওপৰত জঁপিয়াই পৰিছে আৰু অভিযুক্ত কে'বাজনৰ ঘৰ-দুৱাৰ বুলডজাৰেৰে ইতিমধ্যে উচ্ছেদ কৰিছে। ভালেসংখ্যকতো আটক কৰিছেই। মুখ্যমন্ত্ৰীয়েও হুংকাৰ দিছে, 'আমাৰ চৰকাৰ থকালৈকে এনে কাম ক্ষমা নকৰো।' চৰকাৰখনে যে ক্ষমা নকৰে, তাৰ প্ৰমাণ ইতিমধ্যে দিছেই। চৰকাৰখন খোলাখুলিভাৱেই হিন্দুত্ববাদী আৰু থানা ধ্বংসকাৰীসকলো দেখ দেখকৈ সন্ত্ৰাসবাদ প্ৰৰোচিত মুছলমান দুষ্কৃতিকাৰী।

কংগ্ৰেছ নেতা আব্দুল খালেকে কৈছে ৰাষ্ট্ৰ বা আৰক্ষী কেতিয়াও প্ৰতিশোধপৰায়ণ হ'ব নোৱাৰে আৰু বটদ্ৰৱাত চলোৱা বুলডজাৰ মানৱাধিকাৰৰ প্ৰত্যক্ষ উলংঘন; কিন্তু ৰাষ্ট্ৰশক্তিয়ে নিজৰ শ্ৰেষ্ঠত্ব আৰু সাৰ্বভৌম অধিকাৰ সাব্যস্ত কৰিব নোৱাৰিলে ৰাষ্ট্ৰৰ মৰ্যাদাই বা থাকিব ক'ত? সন্ত্ৰাসবাদীৰ প্ৰত্যাহ্বান গ্ৰহণ কৰাত ৰাষ্ট্ৰ কিছু কঠোৰ হোৱাটোৱেই স্বাভাৱিক। নহ'লে দেখোন আন নাগৰিকসকলৰ জীৱনলৈও সন্ত্ৰাসবাদীৰ ভাবুকি আহি থাকিব। মানৱাধিকাৰৰ বিষয়টোও গোলমলীয়া। আৰক্ষীক মাৰ-পিট কৰা আৰু থানা জ্বলাই দিয়া ঘটনা ৰাষ্ট্ৰৰ অধিকাৰৰ উলংঘন আৰু সমাজৰ শান্তি-শৃংখলাৰ বাবেও গভীৰ ভাবুকিস্বৰূপ। সেয়াও মানৱাধিকাৰ উলংঘনৰ সংজ্ঞাত পৰিব নে নপৰে? সেই মানবাধিকাৰৰ উলংঘনকাৰীসকলৰ 'মানৱাধিকাৰ'ৰ সপক্ষে ওকালতি কৰাসকলে আৰক্ষী বাহিনীৰ জীৱন আৰু সম্পত্তিৰ ওপৰত চলা আক্ৰমণকো একেদৰে নিন্দা কৰা আৰু মানৱাধিকাৰৰ উলংঘন বুলি আখ্যা দিব পৰা হ'লে তেওঁলোকৰ নিৰপেক্ষতা আৰু বিশ্বাসযোগ্যতাহে স্বীকৃত হ'লহেঁতেন।


আৰক্ষীক খেদি খেদি মাৰ-পিট কৰা আৰু থানা এখনৰ ঘৰ-দুৱাৰ, নথি-পত্ৰ আৰু অস্ত্ৰ-শস্ত্ৰ সকলো জ্বলাই দিয়াটো সাধাৰণ ঘটনা নহয়। ক্ষন্তেকৰ উত্তেজনাতো প্ৰতিবাদকাৰী সিমান দূৰলৈ আগবাঢ়ি নাযায়। থানা এখনৰ সমস্ত গোচৰৰ নথি-পত্ৰ, তদন্তৰ ৰিপ'ৰ্টছ আদি জ্বলাই দিয়াত দুষ্কৃতিকাৰীসকলৰ বিশেষ স্বাৰ্থ থাকিব লাগিব আৰু সেই ঘটনাৰ জৰিয়তে চৰকাৰখনক প্ৰত্যাহ্বান জনোৱাৰ মতলবো সন্ত্ৰাসবাদী বা জেহাদীসকলৰহে থাকিব। বটদ্ৰৱা থানা আক্ৰমণকাৰীসকল সেই অঞ্চলৰ একেবাৰে খিলঞ্জীয়া লোকো নিশ্চয় নহয়, কাৰণ সংবাদ মাধ্যমৰ খবৰ মতে উচ্ছেদিত লোককেইজনৰ মাটিৰ পট্টাৰ বয়স ১৫ বছৰৰ বেছি নহয়। স্বাভাৱিকতে সেই অঞ্চলত তেওঁলোক বহিৰাগতই। তেনে বহিৰাগত লোক সমষ্টি এটাই চৰকাৰৰ শক্তিকেন্দ্ৰ থানাকেই যদি আক্ৰমণ কৰি ধ্বংস কৰি দিব পাৰে, তেনেহ'লে যিকোনো এটা অজুহাততে তেওঁলোক খিলঞ্জীয়া আৰু নিৰস্ত্ৰ সৰ্বসাধাৰণ লোকসকলৰ বিৰুদ্ধে আৰু কিমান হিংস্ৰ আৰু ভয়ানক হৈ উঠিব পাৰে, অনুমানহে কৰিব পাৰি। শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাতেই আজি এই পৰিৱেশ!

থানা ধ্বংস কৰা দুষ্কৃতিকাৰী-সন্ত্ৰাসবাদীসকলৰ বাবে থানাৰ জিম্মাত ছফিকুলৰ মৃত্যু এটা অজুহাত মাত্ৰ; কিন্তু মোৰ দৰে লোকৰ বাবে সেই ঘটনা কোনো অজুহাত নহয়; সমগ্ৰ সমাজখনৰ বাবে গভীৰ উদ্বেগ আৰু নিৰপেক্ষ তদন্তৰ বিষয়। সেয়ে কোনো অজুহাত বা পৰিস্থিতিতে সেই তদন্ত ব্যাহত হ'ব নালাগিব। একে সময়তে বটদ্ৰৱা থানা ধ্বংসৰ তাতোকৈ ডাঙৰ এক বিপদৰ আগজাননীস্বৰূপ। সেই ঘটনাৰো পূৰ্ণ তদন্ত হ'ব লাগিব আৰু ৰাষ্ট্ৰ আৰু সমাজক প্ৰত্যাহ্বান জনোৱা দুষ্কৃতিকাৰী বা সন্ত্ৰাসবাদীসকলক দৃষ্টান্তমূলক শাস্তি দানৰ ব্যৱস্থা কৰি তেনে ধৰণৰ ষড়যন্ত্ৰৰ ভেঁটি খহাব লাগিব। সাম্প্ৰদায়িক ৰাজনীতি কৰাসকলেতো গণতন্ত্ৰ আৰু বাক্-স্বাধীনতাৰ অধিকাৰ অবাধে ভোগ কৰিবলৈ পায়েই থাকিব।

*ফোন: ৮৮১১৮২৭৪৩২*

# বিহুৰ সাংস্কৃতিক অনুষ্ঠানত বোকা নাচৰ বহুৱালি

## সাংস্কৃতিক ঐতিহ্যৰ অধঃপতন



মিলেশ্বৰ পাতৰ

**অসমৰ** জাতীয় উৎসৱ বাপতি সাহোন ৰঙালী বিহুৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা সাংস্কৃতিক অনুষ্ঠানবোৰত এচাম মতলীয়া যুৱকে বোকাত লুতুৰি-পুতুৰি হৈ কিম্ভুত-কিমাকাৰ ৰূপত নাচি-বাগি মাত্ৰাধিক আনন্দ-উল্লাসৰ যি অবাঞ্চিত পৰম্পৰা আৰম্ভ কৰিছে— সেয়া দেখি সকলো সচেতন ব্যক্তিয়েই চিন্তিত নোহোৱাকৈ থকা নাই। অসমৰ জাতীয় উৎসৱৰ উদযাপনৰ দশা যদি এনেকুৱাই হয় তেন্তে সাংস্কৃতিক ঐতিহ্যৰ অধঃপতন নোহোৱাকৈ থাকিবনে? বিহুৰ বৰ্ণাঢ্য সাংস্কৃতিক পৰম্পৰা ধুলিসাৎ নোহোৱাকৈ থাকিবনে? এনেবোৰ প্ৰশ্ন সমাজ সচেতন সকলো মানুহৰ মনত উদ্ৰেক নোহোৱাকৈ থকা নাই।

আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহৰ (১৬৯৬-১৭১৪ খ্ৰীঃ) দিনত বিহুৱে ৰাজকীয় পৃষ্ঠপোষকতাৰ আনুষ্ঠানিক মৰ্যাদা লাভ কৰিছিল। তাৰ পূৰ্বে বিহু অসমৰ গাঁৱে-ভূঞে মুকলি পথাৰত বা নিৰিবিলি ঠাইত গছৰ তলত স্বতঃস্ফূৰ্তভাৱে উদযাপন কৰা হৈছিল। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ সংস্কৃতিবান ঐতিহ্য চেতনাৰ ফলস্বৰূপে বিহু আনুষ্ঠানিকতাৰে ৰূপহী পথাৰৰ ৰংঘৰ বাকৰিত সাতদিনলৈকে উদযাপিত হৈছিল। বিহুৰ লগত সংগতি ৰাখি মনোৰঞ্জনৰ বাবে খেল-ধেমালিৰ লগতে হাতী যুঁজ, ম'হযুঁজ, কণী যুঁজ আদিও অনুষ্ঠিত কৰা হৈছিল। এই অনুষ্ঠানবোৰে বিহুৰ ঐতিহ্যক ম্লান কৰা নাছিল বৰং বিহু উদযাপন মুহূৰ্তবোৰক অধিক জীপাল আৰু বৰ্ণাঢ্য কৰি তুলিছিল। মুকলি পতাৰৰ গছ তলৰ বিহুৱে ৰাজকীয় পৃষ্ঠপোষকতা লাভ কৰি এক নতুন ৰূপত জিলিকি উঠিছিল। আনুষ্ঠানিক উদযাপনৰ ফলস্বৰূপে বিহু পৰিমাৰ্জিত ৰূপত উদ্ভাসিত হ'ল। এটা দীঘলীয়া পৰিক্ৰমাৰ পাছত ১৯৫২ত গুৱাহাটীৰ লতাশিল খেলপথাৰত বিহু আনুষ্ঠানিকভাৱে মঞ্চত উদযাপন কৰা হৈছিল। সেইখিনিসময়ত সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱা, লোক-বন্ধু ডাঃ ভূৱনেশ্বৰ বৰুৱা, সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকা, বুৰঞ্জীবিদ ড° সুৰ্য কুমাৰ ভূঞা, লক্ষ্যধৰ চৌধুৰী, কমল নাৰায়ণ প্ৰমুখ্যে বৰেণ্য ব্যক্তিসকলে আগভাগ লৈছিল। মঞ্চ বিহুৰ জাকজমকতা আৰু আনুষ্ঠানিক বিহু কুঁৱৰী প্ৰতিযোগিতাৰ আৰম্ভণি হয় এই লতাশিল বিহুতলীতেই। অৱশ্যে, তাৰ পূৰ্বে ১৯২১ত যোৰহাট, জামুগুৰিহাট, শিৱসাগৰ আদি অঞ্চলত বিহু ৰাজহুৱাভাৱে উদযাপন কৰাৰ বিষয়ে জনা যায়। ১৯৩৪ত গোলাঘাটৰ বেতয়নীত আনুষ্ঠানিক বিহু উৎসৱ পতাৰ বিষয়ে জনা যায়। আকৌ, ১৯৪৮ত ৩০ চ'ত আৰু এক ব'হাগত ডিব্ৰুগড়ৰ চৌকিদিঙিত নিৰ্মল চক্ৰৱৰ্তী, অৱনীন্দ্ৰ বৰঠাকুৰ, ৰাধাগোবিন্দ বৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা এইসকলৰ নেতৃত্বত আনুষ্ঠানিকভাৱে বিহু উদযাপন কৰা হৈছিল। এক দীঘলীয়া পৰিক্ৰমাত বিহুৱে সাৰ্বজনীন ৰূপ পায়। তেনে আনুষ্ঠানিকতাৰ মাজত বিহুৰ ঐতিহ্য ৰক্ষাৰ স্বাৰ্থত বিহুৰ কাৰ্যসূচী আছিল পৰিশীলিত আৰু বিহু নাম, বিহু নাচ আদিত লোকবাদ্যৰ বাহিৰে আন বাদ্যযন্ত্ৰ ব্যৱহাৰ হোৱা নাছিল।

এক দীঘলীয়া পৰিক্ৰমাৰ অন্তত বিহুৱে মুকলি পতাৰ বা গছ তলৰ পৰা আহি মঞ্চ পালেহি। এই পৰম্পৰাই অসমৰ গাঁও, নগৰ-চহৰ সকলোতে বিয়পি পৰিল। বৰ্তমান সময়ত বিহুৱে ৰাজ্যখনৰ সীমাৰ পৰিধি ভাঙি দেশ-দেশান্তৰণে গতি কৰিছে। মঞ্চত ৰাজহুৱাভাৱে উদযাপনৰ পৰম্পৰাই বিহুক পৰিমাৰ্জিত ৰূপত দাঙি ধৰিলে। এনে পৰিমাৰ্জিত ৰূপটোৰ বাবেই বিহু সাৰ্বজনীন হৈ পৰিল। বিহুক সকলোৱে আদৰি ল'লে। অসমৰ নানা জাতি-জনগোষ্ঠীৰ বৰ্ণাঢ্য সাংস্কৃতিক উপাদানেৰে সমৃদ্ধ হোৱা বিহু সমন্বয়ৰ উৎসৱ হৈয়ো পৰিল। বিহুক জাতীয় উৎসৱ বুলি সকলোৱে আঁকোৱালি ল'লে। বিহু অসমীয়া জাতীয় জীৱনৰ সাহ হৈ পৰিল। অসমীয়া জাতিৰ বাপতি-সাহোন প্ৰাণ স্পন্দন হৈ পৰিল। এনে এক পৰিক্ৰমাত মঞ্চ বিহুৱে ৰূপ সলালে। গণশিল্পী খগেন মহন্তই কোৱাৰ দৰে 'বিহুৱে সাজ সলালে।' এটা সময়ত অসমৰ গাঁৱে-ভূঁঞে, নগৰে-চহৰে বিহু উদযাপনৰ নামত বিহু 'সাংস্কৃতিক সন্ধিয়াত' পৰিণত হ'ল। তেনে বহু অনুষ্ঠানত বিহুৰ ঐতিহ্যপূৰ্ণ কাৰ্যসূচীৰ পৰিৱৰ্তে কোনো কণ্ঠশিল্পীৰ গীতৰ অনুষ্ঠান হৈ পৰিল। উদযাপন সমিতিবোৰে নামী-দামী শিল্পী নিমন্ত্ৰণ কৰাৰ ক্ষেত্ৰত এক অঘোষিত প্ৰতিযোগিতাত নামিল। এনে আপাহতে বহু শিল্পীয়ে ৰাইজৰ মৰম-আদৰ বুটলিবলৈ সক্ষম হ'ল। গুণমুগ্ধ দৰ্শক-শ্ৰোতাৰ মৰম আদৰৰ অতপালিত (?) শিল্পীসকলৰ উছাহেও পাৰ ভাঙিলে। গীত আৰু সুৰৰ তালে তালে দৰ্শক-শ্ৰোতা নাচি বাগি মতলীয়া হ'ল। শিল্পীৰ উছাহো দুগুণে চৰিল। এতিয়া শিল্পীসকলে নানাচিলে মঞ্চত গীত গাব নোৱাৰা হ'ল। বহুক্ষেত্ৰত কণ্ঠশিল্পী নে নৃত্যশিল্পী ধৰিবই নোৱাৰা হ'ল। শিল্পীয়ে মঞ্চত উঠিয়েই দৰ্শক-শ্ৰোতাক উদ্দেশ্যি নানা ভংগীমাৰে গীত গাই সকলোকে সহযোগ কৰিবলৈ আহ্বান জনায়। দৰ্শকক মতলীয়া হ'বলৈ অনুপ্ৰাণিত (প্ৰৰোচিত?) কৰে। আনকি, একাংশ শিল্পীৰ সাজ-পোছাক, বেশ-ভূষা, আচৰণ আদিয়েও দৰ্শকক বিচলিত নকৰাকৈ থকা নাই। তেনেহ'লে এচাম দৰ্শক-শ্ৰোতাই আনন্দত মতলীয়া হৈ সীমা চেৰাই নাযাব কিয়? সাংস্কৃতিক ঐতিহ্যৰ অৱক্ষয় এনেকৈয়ে হোৱা নাই জানো? প্ৰকৃততে, কিছুমান পৰিৱেশ বা পৰিস্থিতি হঠাতে উদ্ভৱ নহয়, এটা দীঘলীয়া পৰিক্ৰমাৰ মাজত ই বিকশিত হয়। সাম্প্ৰতিক সময়ত বিহু উদযাপনৰ নামত বা সাংস্কৃতিক অনুষ্ঠানৰ সময়ত দেখা দিয়া অবাঞ্চিত পৰিস্থিতিবোৰৰ আন্তৰালতো এনে বহুবোৰ কাৰণ অন্তৰ্নিহিত হৈ আছে। অৱশ্যে এয়াই একমাত্ৰ কাৰণ নহয়। আৰু, বিহু বুলি উদযাপন কৰা আনুষ্ঠানবোৰত বিহুৰ স'তে সম্পৰ্ক নথকা বাদ্য-যন্ত্ৰৰ উচ্চ স্বৰৰ সংগীতেও এচামক মতলীয়া কৰে। বিহু সুৰীয়া গীতবোৰ লোকবাদ্যৰ সংগত নোহোৱাকৈয়ে চলে। তেনেহ'লে-বিহুৰ প্ৰকৃত মৰ্যাদা এই অনুষ্ঠানবোৰে ৰাখিব পাৰিছেনে?

বিহুৰ লগত সংগতি ৰাখি আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠান উপভোগৰ সময়ত একাংশ মতলীয়া দৰ্শক-শ্ৰোতাস সংগীতৰ তালে তালে বোকাত লুতুৰি-পুতুৰি হৈ উদ্ভদ নাচ নাচি সাংস্কৃতিক বাতাবৰণটোক আঘাত কৰিছে। বিহুৰ সাংস্কৃতিক ঐতিহ্য ভুলুণ্ঠিত হৈছে। অসমৰ অ'ত-ত'ত প্ৰচলিত 'বোকা-ভাওনা' বা 'বোকা-নাচ' পৰম্পৰাক ভেঙুচালি কৰিছে। নগাঁও জিলাৰ পুৰণিগুদাম অঞ্চলৰ ভেৰভেৰী দেউৰী গাঁও আৰু ভীমৰ গাঁও অঞ্চলত শ্ৰীকৃষ্ণ জন্মাষ্টমীৰ পাছৰ নন্দোৎসৱৰ লগত সংগতি ৰাখি প্ৰতি বছৰে পৰম্পৰাগতভাৱে 'বোকা-ভাওনা' উদযাপন কৰে বুলি জানো। দৰঙৰ ইতিহাস প্ৰসিদ্ধ খটৰা সত্ৰৰ বাকৰিত 'বোকা-ভাওনা' অনুষ্ঠিত হয়। কলিয়াবৰৰ 'হেজাৰী ভাওনা', কামপুৰৰ 'বাৰে গঞা ভাওনা' আদিও পৰম্পৰাগতভাৱে উদযাপিত হয়। এইবোৰ অনুষ্ঠানৰ সুকীয়া ঐতিহ্য আছে, বিহু উৎসৱৰ স'তে কস্মিনকালেও সম্পৰ্কীত নাছিল। তেনেহ'লে— বিহু উদযাপনৰ নামত এনেদৰে এচামে বিজতৰীয়া কৰিছে কেলেই? হিতাহিত জ্ঞানশূন্য এচামৰ উদ্ভণ্ডালিত বিহুক এনেকৈ বিজতৰীয়া কৰিবলৈ এৰি দিব পাৰিনে?

উদ্বেগৰ বিষয় যে, এচাম বিহুৱলীয়া নতুন প্ৰজন্মৰ অধঃপতন কিয় এনেদৰে হ'বলৈ পাইছে? নৈতিকতাৰ স্খলন এনে দৰে কিয় হৈছে? কাৰোলৈ ভ্ৰূক্ষেপ কৰাৰ অৱকাশ এইসকলৰ নাই। ৰং, আনন্দ, স্ফূৰ্তি মানুহৰ জীৱনৰ সঞ্জীৱনী শক্তি, কিন্তু ইয়াৰ মাত্ৰাধিক হ'লে বিঘিনী হয় বুলি এষাৰ কথা আছে। বিহুৰ সাংস্কৃতিক অনুষ্ঠানৰ বোকা নাচে সীমা অতিক্ৰম কৰিছে। এয়া অশিষ্ট আচৰণ, নৈতিকতাৰ স্খলন আৰু বিকৃত ৰুচিবোধৰ পৰিচায়ক। কেতিয়াবা এচাম উদণ্ড দৰ্শকে সামান্য কথাত উত্তেজিত হৈ মঞ্চ, প্ৰেক্ষাগৃহ লণ্ড-ভণ্ড কৰি চকী টেবুল, আচ-বাব আদি ভাঙি-চিঙি চূৰমাৰ কৰিছে। এনেবোৰ ঘটনা অসমৰ য'তে-ত'তে হ'বলৈ ধৰিছে। অন্যান্য সামাজিক, সাংস্কৃতিক অনুষ্ঠানতো এচামৰ শিষ্টাচাৰহীন আচৰণ দেখিবলৈ পোৱা গৈছে। এইবোৰৰ অন্তৰালত সুৰাৰ অবাধ প্ৰচলনেই মুখ্যতঃ দায়ী বুলি আমি ক'ব বিচাৰো। উৎসৱ-পাৰ্বণ, অনুষ্ঠান আদিত এচামৰ বাবে সুৰা সেৱন নকৰিলেই নোহোৱা অৱস্থা হৈছে। বহুতেই সুৰাৰ ৰাগিত মতলীয়া হৈ শিষ্টাচাৰ আৰু শালীনতাৰ সীমা চেৰায়।

আজি কালি বিহু উৎসৱৰ সাংস্কৃতিক অনুষ্ঠানবিলাক উপভোগ কৰিবলৈ জ্যেষ্ঠ চাম মুঠেও আগ্ৰহী নহয়। সুৰাৰ ৰাগিত মতলীয়া চামৰ চিঞৰ-বাখৰ, কিৰিলি, উদ্ভণ্ডালিৰ বাবে সপৰিয়ালে অনুষ্ঠান উপভোগ কৰাৰ পৰিৱেশ নোহোৱা হৈছে। বিহু উৎসৱৰ উপভোগ কৰাটো বিশেষকৈ ৰাতিৰ অনুষ্ঠান উপভোগ কৰাটো এক যন্ত্ৰণাহে হৈছে।

বিহুৰ ঐতিহ্য আৰু স্বকীয় পৰম্পৰাক ৰক্ষা কৰাৰ স্বাৰ্থত সকলোৱে কথাবোৰ গভীৰভাৱে চিন্তা কৰা দৰকাৰ। বিহু উৎসৱৰ উদযাপনৰ উদ্যোক্তাসকল, শিল্পীসকল, সচেতন ৰাইজ আৰু চৰকাৰ-সকলোৱে পৰিস্থিতিটো জুঁকিয়াই চাওক। বিহুৰ গাতীয় উৎসৱৰ মৰ্যাদাৰে ৰক্ষা কৰাৰ দায়িত্ব সকলোৰে।

*ফোন: ৮৮৭৬১৭০৫৯১*



## বটদ্ৰৱা থানা ভস্মীভূত

অভিমত

**পুলিচ** আৰু জনতা এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। জনতাক বাদ দি পুলিচ নহয় আৰু পুলিচক বাদ দি জনতা নহয়। কাৰণ আমি প্ৰায় কামতে পুলিচৰ ওপৰত নিৰ্ভৰশীল। ক'ৰবাত দুৰ্ঘটনা পতিত হৈ মানুহ মৰিল যদিহে পুলিচ পলমকৈ উপস্থিত হয় তাতো জগৰ লগাও পুলিচৰ ওপৰত। ক'ৰবাত মাৰ-পিট হ'ল বা ডকাইতি হ'ল পুলিচ কেতিয়া আহিল সুধি ব্যতিব্যস্ত কৰো। তাৰমানে আমি যিকোনো কামত পুলিচৰ উপস্থিতি কামনা কৰো। সমাজত বিশৃংখলাৰ সৃষ্টি হ'লে প্ৰথমেই পুলিচক দোষাৰোপ কৰো যে প্ৰশাসন ঠিক নাই। গতিকে পুলিচৰ উপস্থিতি কাম্য। গতিকে দেশত অপৰাধ আছে আৰু আছে অপৰাধী মনৰ মানুহ। অপৰাধী থকা বাবেই দেশত আছে পুলিচ থানা। আমি সাধাৰণ জনতাই প্ৰশাসন বিভাগক সদায় সহায়-সহযোগ কৰা উচিত; কিন্তু সেইবুলি এইটোও নহয় যে পুলিচে ক্ষমতাৰ বলত যিহকে-তিহকে কৰিব। ছফিকুল নামৰ মানুহজনক পুলিচে কিবা কাৰণত ধৰি আনি এৰি দিয়াৰ বিনিময়ত টকা দহ হেজাৰ আৰু এটা হাঁহ বিচাৰিছিল। বৰ্তমান হ'ল ডিজিটেল যুগ। যদিহে টকা বিচাৰিছিল, তেন্তে সেই কথাখিনি ম'বাইলত ৰেকৰ্ড কৰি উৰ্ধতন কৰ্তৃপক্ষক জনাব পাৰিলেহেঁতেন বা সংবাদ মাধ্যমতো প্ৰচাৰ কৰিব পাৰিলেহেঁতেন। তেতিয়া সকলো স্পষ্ট হ'লহেঁতেন। তাকে নকৰি আইন নিজৰ হাতত তুলি ল'লে আৰু ৰাজহুৱা সম্পত্তি ধ্বংস কৰিলে। এই দেশত উৎকোচ আদান-প্ৰদান যুগ যুগ ধৰি চলি আহিছে। ঘোচ লোৱাজন বৰ চালাক হ'ব লাগিব। এনেকুৱা টকা ঘোচ খোৱা বহুতো বিভিন্ন বিভাগৰ বিভাগীয় বিষয়া-কৰ্মচাৰী জেলৰ ভাত খাই আছে। তাৰ পিছতো কিয় থানাখন জ্বলাই দিলে? কিয় আধুনিক প্ৰযুক্তি বিদ্যাৰ সহায় ল'ব নোৱাৰিলে? নে অভিযুক্তজন সঁচাকৈ অপৰাধী আছিল যাৰবাবে টকা ঘোচ দি উলিয়াই লৈ আহিব বিচাৰিছিল? অৱশেষত কিবা কাৰণত অভিযুক্তজনৰ মৃত্যু হ'ল আৰু আৰম্ভ হ'ল থানাৰ ওপৰত আক্ৰমণ। লগতে পুলিচকো ৰেহাই নিদিলে। এগৰাকী ছোৱালীয়ে পেট্ৰ'ল ঢালি দুখনকৈ মটৰচাইকেল জ্বলাই দিলে। থানাখনৰ ভিতৰত থকা মালখানাটো জ্বলাই দি বহুতো অস্ত্ৰ পুৰি ছাই কৰিলে। সাধাৰণতে মানুহে ঘৰত কেৰাচিন বা খেতিত পানী দিয়াত ব্যৱহাৰ কৰা মেচিনৰ বাবে ডিজেলৰ বাহিৰে আন কোনো জ্বলন সামগ্ৰী নাৰাখে। বৰ্তমান বৰষুণৰ বতৰ খেতিত পানী দিয়াৰ কথাই নাহে তেনে ক্ষেত্ৰত পেট্ৰ'লখিনি পালে ক'ত? তদুপৰি সেইবিলাক অঞ্চল কিবা দুষ্কৃতিকাৰী প্ৰৱণতা বেছি নেকি? নে মানুহখিনি সহজ-সৰল। মানুহখিনি সহজ-সৰল হ'লে কেতিয়াও এই ধৰণৰ কাম কৰিব নোৱাৰে আৰু সাহসো নকৰে। যদিহে আইনৰ প্ৰতি বিশ্বাস আছিল তথাপি এইবিলাক কাম কৰিব নোৱাৰে। অপৰাধী মনৰ মানুহৰ সংখ্যা বেছি থাকিলেহে আইন-শৃংখলা বিঘ্নিত হয়। যদিহে দুষ্কৃতিকাৰীৰ সংখ্যা বেছি, তেন্তে থানাত সুৰক্ষা বেষ্টনী ইমান দুৰ্বল কিয়? যাৰবাবে থানাখনত ডেৰ-দুঘণ্টাৰো অধিক সময়ৰ বাবে আক্ৰমণ চলালে অথচ কোনো ধৰণৰ প্ৰতিৰোধৰ ব্যৱস্থা কৰিব নোৱাৰিলে। এইবিলাক কাম এচাম দুষ্কৃতিকাৰীয়ে বিনাবাধাই কৰিলে। থানাখনত আৰক্ষী আছিল যদিও কোনো ধৰণৰ বাধা দিব নোৱাৰিলে। তাৰমানে আৰক্ষীও কেতিয়াবা ভয়াতুৰ আৰু দুষ্কৃতিকাৰীক বাধা দিবলৈ অপাৰগ। ঘটনা যিয়েই নহওক কিয়, আইন হাতত তুলি লোৱাৰ কাৰোৱেই অধিকাৰ নাই। দেশত আইন-আদালত আছে আৰু আছে প্ৰশাসনিক ব্যৱস্থা। এজন মানুহক যেতিয়া পুলিচে ধৰি নিয়ে নিশ্চয় পুলিচৰ মতে মানুহজন কোনো অপৰাধত অভিযুক্ত। পুলিচৰ মতে অপৰাধী হ'লেও আইনৰ বিচাৰত তেওঁ নিৰপৰাধীও হ'ব পাৰে, সেয়া সময়েহে ক'ব; কিন্তু পুলিচৰ কৰ্তব্য পুলিচে কৰিব। সেইবুলি পুলিচৰ বিৰুদ্ধে যে কোনোবাই আদালতত মোকৰ্দমা কৰিব নোৱাৰিব সেয়া নহয়। পুলিচে যদি ভুল কৰে তাৰো আইনী ব্যৱস্থা গ্ৰহণৰ সুযোগ আছে।

ইতিমধ্যে অসমৰ মুখ্যমন্ত্ৰীয়ে পুলিচক নিযুক্তিপত্ৰ দি সকীয়াই দি কৈছে যে কোনেও যাতে দুখীয়া মানুহৰ ওপৰত লাঠি নোতোলে আৰু বাহিৰা টকাৰ পাছত নদৌৰে। তেনেক্ষেত্ৰত যদি সঁচাকৈ আৰক্ষীয়ে দহ হেজাৰ টকা বিচাৰিছিল, তেন্তে সমগ্ৰ বিষয়টো তদন্তৰ আওতালৈ আনক; কিন্তু এইবিলাকত যাতে কোনেও আত্মপক্ষ সমৰ্থন লাভ নকৰে, তাৰ প্ৰতি দৃষ্টি দি তদন্ত কৰক। ৰাজহুৱা সম্পত্তি কাৰো পৈতৃক সম্পত্তি নহয় যে কোনোবাই কিবা উজুটি খালেই ৰাজহুৱা সম্পত্তি নষ্ট কৰিব। এখন ঘৰত কাৰোবাৰ লগত কিবা গৰমিল হ'লে বা কাৰোবাৰ লগত কাজিয়া লাগিলে কোনেও কাৰো ঘৰ জ্বলাই নিদিয়ে।

তেনেক্ষেত্ৰত ৰাজহুৱা ঠাইত কিবা হ'লে এচামে আগতে ৰাজহুৱা সম্পত্তি ধ্বংস কৰে। এই ধৰণৰ মন-মগজু সলাবৰ হ'ল। সময়ে কাকো ৰেহাই নিদিয়ে। গতিকে বটদ্ৰৱা আৰক্ষী থানাত আক্ৰমণৰ ঘটনাটোৰ উচিত তদন্ত কৰি দোষীক দৃষ্টান্তমূলক শাস্তি দিয়ক।

**আব্দুল হালিম আহমেদ**

লংকা, হোজাই, ফোন: ৮৬৩৮৯৪৬৬৪৮

দৈনিক অগ্ৰদূত



৭০-৮০ দশকত চুলি কাটনবোৰ বাতি কাটন, নগা কাটন, হেপী আৰু দিলিপ কাটন বুলি কয়। নাপিত নথকা ঠাইত গাঁৱলীয়া লোকে ঘূৰণীয়াকৈ খট নৰখোৱাকৈ বাতি এটা মূৰত দি চুলি কাটিছিল। খলপা-খলপ হয় কাৰণে লাজতে কেইদিনমান বিদ্যালয়লৈ যোৱা নহৈছিল। তেনেবোৰেই আজিকালি আধুনিক ষ্টাইলৰ কাটন।

# লৰিয়েলৰ প্ৰত্যাহ্বানত কায়কল্পত কুঞ্জহঁতৰ দুখ

## হৰেশ চন্দ্ৰ খাউণ্ড

**পুখুৰীৰ** পানীত মেটেকা এজোপা ওপঙি থকাৰ দৰে বিয়া ঘৰত ডেকা ল'ৰাজনৰ মূৰৰ ওপৰত মেটেকা সদৃশ চুলিকোচা দেখি নিজৰ লাজ লাগি গ'ল। এইবোৰ হেনো আধুনিক যুগৰ স্ক্ৰীণ ফেড, বুজ কাট, কাৰ্লি হেয়াৰ কাট আৰু ইম' কাট। আচলতে ৭০-৮০ দশকত চুলি কাটনবোৰ বাতি কাটন, নগা কাটন, হেপী আৰু দিলিপ কাটন বুলি কয়। নাপিত নথকা ঠাইত গাঁৱলীয়া লোকে ঘূৰণীয়াকৈ খট নৰখোৱাকৈ বাতি এটা মূৰত দি চুলি কাটিছিল। খলপা-খলপ হয় কাৰণে লাজতে কেইদিনমান বিদ্যালয়লৈ যোৱা নহৈছিল। তেনেবোৰেই আজিকালি আধুনিক ষ্টাইলৰ কাটন। লাজতে ঘৰত সোমাই থাকিব নালাগে। ভাওনাৰ দিনা চোং ঘৰত ভাৱৰীয়াসকলক মুখত, হাতত, ডিঙি আৰু পেটত ভাও অনুসৰি পেইণ্ট কৰি ৰূপ সলাই দিয়া দেখিছিলো। বচন মাতিলেহে আচল মানুহজন ধৰিব পাৰি। ৰঙৰ কি যে পৰিৱৰ্তন!

সদায় দেখি থকা কইনাজনী বিউটি পাৰ্লাৰৰ পৰা অহাৰ পাছত সাজোন-কাচোন, গাত ৰং সনাত নহয় নহয় যেন লাগিছিল। মিঠা ক'লা কইনাজনী বিয়াৰ দিনা ধক-ধকীয়া, সোণবৰণীয়া হ'ল কেনেকৈ! কেকোৰা ফপহুৰা, গুৰলা চুলিখিনি একেবাৰে কাৰ যেন পোণ হৈ বাহু আৰু পিঠি ঢাকি ৰাখিছে। কইনাজনী হয়নে নহয়! গাত, হাত, ভৰি আৰু পিঠিত ভগৱানৰ চিত্ৰ, ঢেকীয়া জাতীয় গছৰ চিত্ৰ, দৰাৰ নাম অনেক ৰকমৰ টেটু আকি ৰং-বিৰং হৈ ৰাণীৰ দৰে ৰাজ আসনত বহিও আছে আৰু ঘূৰি ফুৰিছে। বহু চিন্তাৰ মাজতে কইনাজনীয়ে মাত দিলে— খুৰা আহিলেনে! মতাত বুজিলো। মাক-দেউতাকৰ অৱদানৰ মূলধন খাটি, আচল গলাটো হয়। এই মিঠা ক'লা বৰণীয়া ছোৱালীজনী সোণবৰণীয়া হ'ল কেনেকৈ! চকুৰ ভ্ৰম বুলি ভাবিছিলো। যদিও, গম পালো টকা আৰু আধুনিক পাৰ্লাৰৰ যাদু। মিঠা ক'লা ছোৱালীজনীৰ গাৰ বৰণ সাতৰ পৰা দহ দিনলৈ সোণবৰণীয়া হৈ থাকিব। লগন উকলি যোৱাৰ পাছত ক'লা-বগা চাবলৈ, আপত্তি দৰ্শাবলৈ সময়ও নাথাকে আপত্তিও নাখাটে। গোলাপ ফুল ছিঙাৰ পিছত পাহিবোৰ নিজে নিজে সৰি যায়। ভূপেন হাজৰিকাই গাইছিল— 'তুমি বিয়াৰ নিশা শয়ন পাতিত এপাহি ৰজনীগন্ধা, তোমাৰ মূল্য এনিশাৰ।' পাৰ্লাৰৰ উপৰি বিয়াৰ নামত অযথা বহুত খৰছ নেদেখি বা আঁচনিতো নধৰে। কইনাৰ সাজোন-কাচোন, চুলিত লৰিয়েল ৰং কৰা, দৰা আহি পোৱাৰ সময়ত দৰাৰ গাত লম্ভি থকা ভূত, প্ৰেত, বাঘ, সিংহ, বান্দৰ খেদিবলৈ ব্যৱহাৰ কৰা ফটকা, ব'ম ফুটোৱা, বৰ্তমানক অতীতলৈ ঘূৰি চাবলৈ বিয়াৰ ক্ৰিয়াকলাপ ধৰি ৰাখিবলৈ ভিডিঅ' বনোৱা, ফপহুৱা ফপৰা চুলি ক'লা কৰা, কেকোৰা চুলি পোন কৰা, কলদিলীয়া খোপা, নেঘেৰী খোপা বনোৱা, ভৰি, হাত, ডিঙি, অন্যান্য অংগত টেটু কৰা, আধুনিকতাৰ নামত এক মোটা অংকৰ নেদেখা খৰচ বিয়াত বহন কৰা হয়। কুঞ্জৰ মনটো আধুনিকতাৰ ওপৰত বিদ্ৰোহী হৈ উঠিছে। সিহঁতৰ যুগত এই লৰিয়েল জাতীয় প্ৰসাধনবোৰ থকাহেঁতেন যৌৱনৰ সকলোবোৰ অংগ-পতংগৰে ভৰপুৰ জীৱনত 'বাইদেউ' হৈ চৰকাৰৰ আঁচনি লৈ থাকিব নালাগিলহেঁতেন। সু-স্বাস্থ্যবান, ওখ-পাখ পাহোৱাল হোৱাৰ পাছততো মাত্ৰ ফপহুৱা ৰঙা চুলিখিনিৰ কাৰণত অধীৰ আগ্ৰহেৰে বৈ বৈ এজন পুৰুষক স্বামী বৰণ কৰিবলৈ নাপালে; কিন্তু আজি বিউটি পাৰ্লাৰে কি কৰিব নোৱাৰে। ফপহুৱা চুলি মনৰ ইচ্ছাৰে লৰিয়েল কৰি, গাৰ ৰং সলনি কৰি উজ্জ্বলা দাঁত পোন কৰা ইত্যাদি অনেক প্ৰসাধন কৰি বান্দৰীকো সুন্দৰী বনাই ভাল ল'ৰালৈ বিয়া দিয়ে। মাত্ৰ এমাহৰ মূৰে মূৰে ৰং সলাই থাকিব লাগে।

তেওঁ বাল্যকালত গাঁৱৰ গৰুৰখীয়া ল'ৰাৰ লগত পথাৰত কিমান যে আনন্দ-স্ফূৰ্তি কৰি পাৰ কৰিছিল। গাঁৱৰ তাই বয়সৰ ল'ৰাবোৰে গৰুৰখীয়া হৈ থাকোতেই চিগাৰেট, বিড়ি, ভাং, চাদা আদিৰ লগতে বিহুনাম, বনগীত, লোক-সংস্কৃতিৰ সুৰ, বাঁহী, সুহুৰি ধানৰ নৰা, পাটৰ পৰা বনোৱা পেঁপা শিকিছিল। ল'ৰাবোৰে কুঞ্জক জোৰকৈ চুৰট-বিড়ি হোপাই দিয়াইছিল। কাৰণ তেওঁ এইবোৰ খালে কাকো নকয়। ল'ৰাবোৰে বিড়ি, পানামা চিগাৰেট, ভাং খাইছে বুলি গাঁৱত, ঘৰত কৈ দিলে দুই ধৰণৰ পিটন ল'ব লগা হ'ব। (১) ঘৰত অভিভাৱকৰ পিটন আৰু (২) বিদ্যালয়ত প্ৰধান শিক্ষক স্বৰ্গীয় দুৰ্গেশ্বৰ শইকীয়া ছাৰৰ পিটন। ঘৰত পিটন অলপ কম হয়। কাৰণ দেউতাই পিটিলে চিলা অহাদি দৌৰি আহি মাই হুলস্থুল কৰি দেউতাৰ পিটনৰ পৰা বচাব কিন্তু প্ৰধান শিক্ষক শইকীয়া ছাৰৰ পৰা কোনেও বচাব নোৱাৰে। ছাৰ, দেউতাৰ ভয়তেই হওক সেই বদ অভ্যাসবোৰ এৰি, মাদক দ্ৰব্যৰ লগতে নিচা জাতীয় বস্তুবোৰ বাদ দি পঢ়া-শুনাত মন দিলোহঁত। বহু উচ্চ শিক্ষাৰে শিক্ষিত হ'লোহঁত। ফেচবুকতহে বন্ধুত্ব পাতো। লগ নাপাওঁ। বেংকৰ দৰে। বেংকত টকা থাকে আনিব নোৱাৰি।

গৰুবিলাক আঘোন-পুহত পথাৰত মেলি দিয়া নহয়। সম্পূৰ্ণ ধান দাই শেষ হ'লে ছমাহ মানৰ কাৰণে গৰু এৰি দিয়া হয়। আঘোন, পুহত পথাৰত ধান দাবলৈ থাকে। কুঞ্জহঁতে গৰু চৰাওতে লেচেৰি বুটলি ধান বেচি টেকেলি বেংকত জমা কৰিছিল। সেই টকাৰে কেতিয়াবা মুখত ঘঁহা পাউদাৰ, স্ন', ফলগুটি কিনিছিল। গৰুবিলাক প্ৰত্যেক ঘৰে নিজৰ জিম্মাত ৰাখিব লাগে। বেলি পৰাৰ পিছত গৰুবিলাক ঘৰলৈ নিয়ৰ খুৱাই দেৰিকৈ অনা হয়। বিশ্বাস ল'কচা ঘাঁহ আৰু নিয়ৰ খালে গৰু শকত আৰু গাখীৰ বেছি ওলায়। গাখীৰ বেচিব পাৰিব। সেই টকাৰে ঘৰখন চলিব। ল'কচা ঘাঁহ আৰু নিয়ৰ বিচাৰি কানিমুনি পৰলৈকে গৰু চৰাই। পুৱা গৰুবোৰক গোহালিত শকত হৈছেনে চায়। কোমল মনত গৰুৰ প্ৰতি 'যাৰ নাই গৰু সবাতকৈ সৰু', 'যাৰ নাই ধান তাৰ নাই মান' এই ধাৰণাই থিত দিয়ে। 'বাইদেউ' হৈ থকা অৱস্থাত কুঞ্জই বুজিছে যৌৱন আৰু ধন-সম্পত্তি অস্থায়ী। হেজাৰ মিনতি কৰিলেও নাথাকে। নখ আৰু চুলি জেদি বস্তু। কাটি থাকিলেও আকৌ গজি আহে। ভূমি



আৰু বৃক্ষ অতি সহনশীল। গছলৈ ফৰ্মুটি মাৰিলেও সহনশীল হৈ পুনৰ ফল দিয়ে। দুইজনেই ভ্ৰমণকাৰী সূৰ্য আৰু চন্দ্ৰ। অবিৰত গতিত ভ্ৰমণ কৰি ৰূপ-যৌৱন বয়স কাঢ়ি মঙহাল ছাল-হাড়ত লগায়। চুলি ক'লাৰ পৰা বগা হয়, দাঁত পেলাই সোলা হয়, সকলোৰে মূলতে সূৰ্য আৰু চন্দ্ৰ।


ঋতু পৰিৱৰ্তনৰ লগে লগে যৌৱনে আমনি কৰে। মাজৰাতি কেতেকীজনীয়ে নিজৰ সংগীজনীক মাতি মাতি ওৰে ৰাতি প্ৰেমিক-প্ৰেমিকাৰ হিয়াত জোকাৰণি দিয়ে। কুলিজনী আৰু টোৱে সংগীক ওচৰত আনিবলৈ কুউ, কুউ কৈ গছৰ ডালে ডালে চিএঞৰিছে। মাছৰোকা দুটাৰ হিয়াভঙা কান্দোন। মই মৰিম ঐ তোক নাপালে, য'তে আছ ওচৰলৈ আহ। হুতুলোকা দুটাই হতুলোক হতুলোক কৰি ইটোৱে সিটোক ওচৰলৈ মতাৰ সুৰ টানে। ডাউক কেইটাই পুৱাৰ সুন্দৰ টোপনি ভাঙি কুউৱা কুউৱা কৰি মুখা-মুখিকৈ জোৰ পাৰি মিলন ঘটাই সুখে-দুখে আমাৰ সংসাৰখন বঢ়াব লাগে। প্ৰতিজোপা গছে নিজৰ ৰূপ-যৌৱন শ্ৰীবৃদ্ধি কৰি ফল-ফুলেৰে মৌ-মাখিক আকৰ্ষণ কৰি হিয়া উজাৰি পৰাগ সংযোগ ঘটায়, ফল দিয়ে। কুঞ্জৰ জীৱনলৈ ঋতুবোৰ আহিল আৰু গ'ল, ফল নধৰিল।

কিন্তু কুঞ্জৰ জীৱন! গাভৰু ছোৱালী এজনীৰ সকলোবিলাক ৰূপ, যৌৱন, সাজোন-কাচোন, অংগ থকাৰ পিছতো যৌৱন মৰহি চৰকাৰৰ আঁচনিভুক্ত 'বাইদেউ' হৈ থাকিব লগা হ'ল। সকলোৰে মূলতে সূৰ্য যদিও তেওঁ ভাৱে তেওঁৰ কাৰণে সূৰ্য নহয়, ফপহুৱা, ৰঙা পৰা কুটুলা চুলিখিনিহে দায়ী। তেওঁৰ যৌৱনৰ দিনত লৰিয়েল হেয়াৰ স্পাই কিয় নাহিল! তাকে আজি ভাবি ভাবি তন্ময়। ফটা-চিটা, ৰঙা চুলি, মুখত ফোঁহা উঠা, ক'লা গাৰ ৰং, আউল-বাউল চুলি সেইবোৰহে এটা দিনত ধুনীয়া হোৱাৰ সমস্যা আছিল। যাৰ কাৰণে কুঞ্জৰ বিয়া নহ'ল। আজিৰ যুগত যিমানে চুলি আউল-বাউল, বতাহত ঢৌ খেলিব, খোজ কাঢ়োতে, দৌৰত আউল-বাউল হৈ যাব, সিমানে সিহঁতক বিশেষণ দি গায়ক, বাদক, স্মাৰ্ট আদি নামেৰে বিশেষণীয় বিশেষণ দিয়ে। থ্ৰি কোৱাৰ্টাৰ পিন্ধি মহানগৰত, গাঁৱত কলাফুল উলিয়াই আলহী ঘৰত, বিয়াত, উৎসৱলৈ গ'লে স্মাৰ্ট যুৱক-যুৱতীৰে চিনাক্ত হ'ব। নতুন ফটা লংপেণ্ট, ফটা চোলা, জপৰা চুলি, আউল-বাউলকৈ থাকিলে বেছি স্মাৰ্ট দেখায়। দেহি ঐ, কুঞ্জহঁতৰ দিনত ফটা-চিটা কাপোৰ পিন্ধি যাত্ৰাপথত কোনোবাই দেখিলে কুলক্ষনী, সাখিনী, ডাইনী, জখিনী নামেৰে যাত্ৰা নাস্তি হয়। জনমানসত যাত্ৰা নাস্তি এবাৰ প্ৰচাৰ হ'লে ৰঙা ডাঙৰ জাননী এখন আপেনা-আপুনি ওলমি থাকিব। যাৰ ফলত কুঞ্জহঁতৰ নিচিনা 'বাইদেউ'সকলৰ দুঃসাধ্য, দুঃশীল জীৱন অতিবাহিত কৰি সমাজৰ পৰিচিত শব্দ আবিয়ৈ হ'ব। ধৰ্মীয় কাৰ্যত প্ৰৱেশ নিষেধ জাননীৰ স'তে শাৰীৰ মূৰত স্থান পাব। বৰ চুৰিয়া, মুগাৰ, পাটৰ ছেট পিন্ধিলেও জাননীখন নুগুচে। যেনেকৈ কিন্নৰসকল তৃতীয় শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰে, 'বাইদেউ'সকলকো সমাজে তৃতীয় শ্ৰেণীতকৈ অলপ ওপৰত অন্তৰ্ভুক্ত কৰে। ইয়াৰ মূলতে দায়ী লৰিয়েল যুক্ত ভিন্ন হেয়াৰ ড্ৰাই। আজিৰ মানুহ বুঢ়া-বুঢ়ী নহয়। চুলি নপকে। প্ৰাকৃতিক আৱৰণে গাৰ ছাল কোচ খালে বিভিন্ন প্ৰসাধনৰে ছাল কোচ খাবলৈ নিদিয়ে। দাঁত সৰি লাপুং হ'লেও নকলি দাঁতে মুখ ফুলাই থাকিব। কুঞ্জই ভাৱে ক্ষন্তেকীয়া লৰিয়েল হেয়াৰ ড্ৰাই, পুনঃ সংস্থাপন দাঁতে পুনঃযৌৱন লভে, যৌৱনক আয়ু বৃদ্ধি "কায়কল্প" (চিৰযৌৱনৰ আশা) অতীতৰ পৰা প্ৰচেষ্টা চলি আহিছে। আধুনিক চিকিৎসা বিজ্ঞানৰ অবিৰত প্ৰচেষ্টা কিছু সফল হৈছে। কুঞ্জহঁতৰ দিনত কায়কল্প চিকিৎসা আছিল যদিও বিজ্ঞানে ঢুকি নোপোৱা দেশত জন্মতে ৰ'ল। গোপন আশা-আকাংক্ষা, পুনৰযৌৱন লাভৰ গোপন আকাংক্ষা কুঞ্জহঁতৰো আছিল; কিন্তু পতঞ্জলি যোগ অভ্যাসৰ জীৱন ৰীতি, অনগ্ৰসৰতা সকলোখিনিৰ মূলতে অজ্ঞানৰ জীৱন দুৰ্কপালৰ দুৰ্বিসহ ক্ষণ। তেওঁ আৰু ভাৱে, পুনৰযৌৱনে এজন লোকক কাম কৰিবৰ বাবে উৎসাহিত কৰিলেও দেহৰ নৱলব্ধ সক্ষমতাই ভোগ আৰু কাম চৰিতাৰ্থৰ ফালেহে টানি নিব। বহুজনে সুখায় আৰু বহুজনে হিতায় হ'ব। শেষত কুঞ্জহঁতৰ জীৱনেই শ্ৰেষ্ঠ বুলি বহুজনে ক'ব। বাকী দিনকেইটা গীতা, ভাগৱত, হনুমান চলিচা পঢ়ি জীৱন মুক্তি আশাৰে গংগাজল চটিয়াই সেৱন কৰিব। গংগা স্নানেই জীৱন পুণ্য সাৰ্থক হ'ব। *দূৰভাষ ঃ ৯৪৩৫৪-৬৬৪৫৭*



বজাৰ নিয়ন্ত্ৰণত চৰকাৰে কি ভূমিকা ল'ব লাগিব, সেইকথা আমি নাজানো। কিন্তু কিবা এটা যে চৰকাৰেই কৰিব লাগিব, সেই কথা শতাংশই শুদ্ধ

# বনজুই, হাটজুই আৰু নেতাৰ প্ৰতিশ্ৰুতি



[redacted]

## ৰামচন্দ্ৰ চুতীয়া

**বনজুই** লগা যি দেখিছে সিহে বুজে বনজুইনো কি! আমি তেনে বনজুই জীৱনত বহুতবাৰ দেখিছিলো। শীতৰ দিনত পাহাৰত যি বনজুই লাগে, তাক দুৰ্গম পাহাৰলৈ গৈ কোনো মানুহে নলগায়। পাহাৰৰ ওখ টিঙৰ পৰা তললৈ খহি পৰা সৰু বা ডাঙৰ শিল তলত কোনো ডাঙৰ বা সৰু শিলত পৰিলে জুইৰ ফিৰিঙতিৰ সৃষ্টি হৈ ওচৰৰ শুকান ঘাঁহনিত পৰে আৰু তেতিয়াই দুৰ্ঘটনাটো ঘটে। প্ৰথমে মিৰমিৰাই সৰু জুই একুৰা জ্বলে আৰু পাছত বতাহ পাই সিয়ে সৰ্বনাশী ৰূপ লৈ ততালিকে চতুৰ্দিশে বিয়পি পৰে। জুই যিমানে বিয়পি পৰে, সিমানে ভয়ংকৰ ৰূপ লৈ দূৰ-দূৰণিলৈ প্ৰসাৰিত হয়। সেই সময়ত সেই বনজুইক আৰু কোনেও বশলৈ আনিব নোৱাৰে। তেনে জুই দাউ দাউকৈ এফালৰ পৰা জ্বলি গৈ থাকে, সন্মুখত কেঁচা-পকা যি পায় সকলো নিমিষতে পুৰি ছাৰখাৰ কৰি নিয়ে। সেই সময়ত পাহাৰত কোনো মানুহ থাকিলে তেওঁলোকে নিজক বচাবলৈ ওপৰলৈ নগৈ তলৰ ফালে পলাবলৈ চেষ্টা কৰে। কাৰণ জুইৰ শিখা পাহাৰৰ ওপৰ দিশে বিজুলি বেগত বিয়পি পৰে। বহুতো সময়ত দেখা যায়, একোটা পাহাৰ সম্পূৰ্ণ জুয়ে আবৰি ধৰি নিঃশেষ কৰি পুৰি পেলায়। বৃহৎ অঞ্চল হলে কেতিয়াবা ২০ দিনমানলৈ সেই জুই জ্বলি থাকে। সন্ধিয়াৰ পাছত অগ্নিশিখা জ্বলন্ত হৈ পৰা দেখিলে মানুহৰ বুকুৰ ধপধপনি বাঢ়ি উঠে। বন জুই জ্বলাৰ সময়ত সেই বিশেষ অৰণ্যখনৰ সকলো সম্পদকে এফালৰ পৰা পুৰি ছাৰখাৰ কৰে। পক্ষীকুলৰ বাদে আন কোনো জীৱৰ ৰক্ষা নপৰে। বাহৰ কণমানি চৰাই পোৱালিক মাকে বচাবলৈ নিৰন্তৰ চেষ্টা কৰিও যেতিয়া বিফল হয়, তেতিয়া যন্ত্ৰণাকাতৰভাৱে চিঞৰি, নিজৰ প্ৰাণ লৈ ক'ৰবালৈ উৰি গুচি যায়। ই কিমান মৰ্মান্তিক তাক নেদেখাজনে কল্পনা কৰি বুজিব নোৱাৰে। হৰিণ, বাঘ-ঘোং, সৰীসৃপ সকলো প্ৰাণ টাকি দূৰলৈ পলাই যায়, ওচৰত নদী থাকিলে তাৰ পাৰলৈ গৈ প্ৰাণ বচায়। পাহাৰীয়া নৈত সেই সুবিধাটোও বৰকৈ নাথাকে, থিয় গঢ়া, তাত কোনো জীৱই ৰক্ষা পোৱাৰ সুবিধা নাথাকে, চিধা তলৰ খৰস্ৰোতা নদীত পৰেগৈ। অজগৰ জাতীয় প্ৰকাণ্ড জীৱই গাঁত বিচাৰি নাপালে অসহায়ভাৱে মৃত্যুক আঁকোৱালি লয়। মুঠতে সি এক মহাপ্ৰলয়। স্থানীয়সকলৰ সাধুকথাত তেনে সময়ত কি কৰা যায়, তেনে কাহিনী শুনিবলৈ পোৱা যায়। তেনে সাধু বৰ চিত্তাকৰ্ষক, ভালকৈ কাণ দি শুনিলে চকু পানী ওলায়। মানুহ যিহেতু বুদ্ধিমান, তেনে বনজুইৰ পৰা যেনেতেনে ৰক্ষা পৰে; কিন্তু সেই সময়ত বিবুধিত পৰিলে, প্ৰাণ বচোৱা নাযায়-মানুহো বনজুইৰ চিকাৰ হয়। বনজুইক ডাঙৰ নলা বা নদীয়েহে বাধা দিব পাৰে। সৰু জান-জুৰি-নলা হ'লে সেয়াও কোবাল বতাহৰ সহায়ত পাৰ হৈ অন্য প্ৰান্তৰলৈ বিয়পি পৰে। ইও এক অবিশ্বাস্য আতংক।

বনজুই আৰু হাটজুই বা বজাৰৰ জুইৰ মাজত একো পাৰ্থক্য নাই। বজাৰৰ জুয়ে দেশৰ সৰু-বৰ সকলোকে এফালৰ পৰা দহি নিয়ে। অৰণ্যৰ জীৱকুলৰ দৰে মানুহৰ, বিশেষকৈ দৰিদ্ৰ শ্ৰেণীটো বৰ বেয়াকৈ পীড়িত হয়। মানৱ সমাজত ঈগল-ৰূপী শোষক শ্ৰেণীটোৱে অৱশ্যেই তেনে পৰিস্থিতিতো সুখেৰে কাল যাপণ কৰিব পাৰে। দৰিদ্ৰ-শ্ৰেণীটোৱে কোনো মুক্তিৰ উপায় নেদেখি চিৎকাৰ কৰে। চকুৰ আগতে বিপদ দেখি তাৰ পৰা বচাৰ উপায় নেদেখি বহুতে আপোনঘাতী হৈ মৃত্যুৰ মুখত পৰে। বাতৰি কাকততো এনে খবৰ নিতৌ প্ৰকাশ হৈয়ে থাকে।

আমাৰ দেশত আজি কেইবছৰমানৰ পৰা ন ন সমস্যাই দেখা দিবলৈ ধৰিছে। বিমুদ্ৰাকৰণৰ সময়ত হোৱা যন্ত্ৰণাৰ কথা মানুহে বহুত বছৰলৈ নাপাহৰে। সেই বিপদটোৰ পৰা উদ্ধাৰ পোৱাৰ আগতেই ক'ভিড-১৯ গত আঢ়ৈটা বছৰে অন্যান্য দেশৰ লগতে আমাৰ দেশখনকো চেপি-খুন্দি বৰ বেয়াকৈ পীড়ণ কৰিলে। বিশ্ব স্বাস্থ্য সংস্থাই কেৱল ভাৰততে ৪৭ লাখ মানুহৰ মৃত্যু হোৱাৰ কথা কৈছে। সেই কথাটো ভাৰত চৰকাৰে অৱশ্যেই অস্বীকাৰ কৰিছে। সেইবোৰ কথাৰ ভিতৰলৈ নগৈ ক'ব পাৰি যে অতি কম সময়ৰ ভিতৰতে কোটি কোটি মানুহক সংস্থাপনহীন কৰি তুলিলে। নৰেন্দ্ৰ মোদী চৰকাৰে ক্ষমতালৈ আহিলেই প্ৰতিজন মানুহৰ একাউন্টত ১৫ লাখকৈ টকা জমা কৰাৰ উপৰি বছৰি দুই কোটিকৈ মানুহক সংস্থান দিব বুলি কৈছিল, পাছে সেইবোৰৰ ক'তো একোতো নহ'ল। এই কথাবোৰ জানিবলৈ ইচ্ছুক পাঠকসকলে আকাৰ পেটেলৰ শেহতীয়াকৈ প্ৰকাশ পোৱা 'Price of the Modi Years' গ্ৰন্থখন পঢ়ি চাব পাৰে। তাত মোদী চৰকাৰৰ সকলো কাম-কাজৰ নিৰ্মোহ বিচাৰ কৰি চোৱা হৈছে। চৰকাৰে নতুন নীতি অনুসৰি দেশৰ সম্পত্তি নিলাম কৰি সমগ্ৰ দেশৰ মানুহৰ মন আতংকিত কৰি তুলিছে। চৰকাৰে এই ব্যৱস্থাৰ যিমানেই সপক্ষে নকওক কিয়, ই এখন সুস্থ দেশৰ সুস্থ পৰম্পৰা হ'ব নোৱাৰে। নতুন চৰকাৰৰ নতুন নীতিয়ে সকলো মানুহক সুখী কৰিছে বুলি চৰকাৰে আজি ডাঠি ক'ব নোৱাৰে। কৃষক-বিদ্ৰোহ তেনে এটি দুৰ্ভাগ্যজনক ঘটনা। গণতন্ত্ৰত অৱশ্যে সকলোৱে সকলো কথা কেতিয়াও ভাল পাব নোৱাৰে; তথাপি জনসাধাৰণে ভবামতে প্ৰতিখন নিৰ্বাচিত চৰকাৰে দেশৰ সকলো নাগৰিককে সমদৃষ্টিৰে চোৱাটো অৱশ্যেই কৰ্তব্য। সাম্প্ৰদায়িক চিন্তা-ভাৱনা জাগ্ৰত কৰাটো কেতিয়াও আদৰণীয় ব্যৱস্থা হ'ব নোৱাৰে। নিৰ্বাচিত চৰকাৰে নিজৰ ইচ্ছামতে কাম কৰিব পাৰে, কিন্তু তাৰ অৰ্থ তেওঁলোকে দেশখনৰ ঐতিহাসিক পৰম্পৰাটো সলনি কৰি পেলাব নোৱাৰে। দেশখন এটাৰ পাছত আনটো সমস্যাৰ কবলত পৰাটো দেশৰ বাবে মংগলজনক হ'ব নোৱাৰে।

দেশৰ সকলো সামগ্ৰীৰ জুই-ছাই দাম কিয় হৈছে তাৰ কথা বিজ্ঞসকলে আমাতকৈ ভালকৈ ক'ব পাৰিব। আমি কোনো অৰ্থনীতিবিদ নহওঁ, কিন্তু বজাৰৰ পৰা প্ৰয়োজনীয় বস্তুকেইপদ কিনি আনোতে কেতিয়াবা হতভম্ব হৈ পৰো। বজাৰত সামগ্ৰীৰ দাম বঢ়াটো নতুন কথা নহয়। কিন্তু সেই বুলি প্ৰতিদিন অস্বাভাৱিক হাৰত বজাৰৰ দৰ বাঢ়ি থকা দেখিলে চৰকাৰৰ ভূমিকা কি তাক বুজি পোৱাত অসুবিধা হৈ পৰে। সমগ্ৰ দেশতে বস্তুৰ দাম বৃদ্ধি পাইছে, মানুহে চকুৰে ধোঁৱা-কোৱা দেখিছে। অসমৰ সকলো বজাৰত দাম বৃদ্ধিলৈ লক্ষ্য কৰিলে দেখা যায় যে আলু, পিয়াজ, দাইল, মিঠাতেল আদিৰ লগতে ভাতকেৰেলাৰ দৰে সামগ্ৰীৰ দৰো এক কিলোত ১২০-১৩০ টকা পৰ্যন্ত হৈছে। এমুঠি ঢেকীয়াৰ দাম ২০ টকাৰ ওপৰলৈ উঠিব পায় নে? আমি এই কথাটো নকওঁ যে স্থানীয় শাক-পাচলিৰ দাম বাঢ়িব নাপায়। তাৰো দাম বাঢ়ক, লগৰ কাৰৈ লগতে উজাওক, কিন্তু সকলো সামগ্ৰীৰ লগতে এইবোৰৰো বজাৰ মূল্য নিয়ন্ত্ৰণ হোৱা উচিত। আমাৰ নেতাবোৰে এই কথাবোৰৰ বিষয়ে কওঁতে কিছু অধ্যয়ন কৰি কোৱা উচিত। তৰল কথাই জনসাধাৰণৰ মন বিতুষ্ট অথবা হতবাক কৰে।

আমি সদায়ে কওঁ যে দেশ চলোৱাটো বৰ সহজ কাম নহয়, ইয়াক চলাবলৈ সাৱধানতা অৱলম্বন কৰিব লাগে। 'আলুৰ দাম বাঢ়িছে, পিঁয়াজ খাওক, আগতে মিঠাতেল যদি এক লিটাৰ খাইছিল এতিয়া আধা লিটাৰ খাওক, তেল কিয় খাব লাগে- সিদ্ধ কৰি খাওক'. নেতাই হওক বা মন্ত্ৰীয়ে হওক এনে অগভীৰ কথা কেতিয়াও কোৱা উচিত নহয়। আমাৰ নেতাবোৰ, আমাৰ অসম দেশৰ একো একোজন মান্য-ব্যক্তি, তেওঁলোকৰ ভাব-ভাষা, আচৰণ-বিধি সদায় আদৰ্শণীয় হ'ব লাগে।

বজাৰত কেৱল খাদ্য-সামগ্ৰীৰ দামহে যে বাঢ়িছে তেনে নহয়, সকলো প্ৰকাৰৰ বয়-বস্তুৰ দাম আকাশলংঘী হৈছে। জীৱন-দায়িনী ঔষধ-পাতিৰ দাম ভাবিব নোৱাৰকৈ বাঢ়িছে। দৰিদ্ৰ নৰনাৰায়ণে ঔষধ-পাতি খাব নোৱাৰি ত্ৰাহি মধুসূদন সুঁৱৰিছে। ঘৰ-বাৰী নিৰ্মাণৰ সামগ্ৰীৰ দাম দুগুণ-তিনিগুণলৈ বাঢ়িছে, পেট্ৰল-ড্ৰিজেলৰ দামৰ কথা ক'বই নালাগে, বাঢ়ে বা কমে। আগৰ চৰকাৰে কি কৰিছিল, তাৰ কথা নকৈ এতিয়াৰ চৰকাৰে নিজে ভাল ভাল কাম কৰক। আগৰখন চৰকাৰক বেয়া বুলিহে আঁতৰাই তেওঁলোকক কাম কৰিবলৈ দেশৰ ক্ষমতাভাৰ অৰ্পণ কৰিছে। গতিকে নতুন চৰকাৰে কাম কৰক। তেওঁলোকে মনত ৰখা উচিত, ৰাইজে কাকো দেশৰ ক্ষমতা চিৰকালৰ কাৰণে নিদিয়ে। গণতন্ত্ৰত তেনে ব্যৱস্থা পৃথিৱীৰ ক'তো নাই, ভাৰততো নাই।

বজাৰ নিয়ন্ত্ৰণত চৰকাৰে কি ভূমিকা ল'ব লাগিব, সেইকথা আমি নাজানো। কিন্তু কিবা এটা যে চৰকাৰেই কৰিব লাগিব, সেই কথা শতাংশই শুদ্ধ।

দেশৰ শাসনভাৰ লোৱাৰ আগতে- নিৰ্বাচনৰ সময়ত, নিৰ্বাচনৰ পাছত ক্ষমতা পালে; নেতাসকলে ৰাইজক অজস্ৰ প্ৰতিশ্ৰুতিৰে কাম কৰাৰ সংকল্প লোৱাৰ কথা কয়। সেইবোৰ চৰকাৰে প্ৰতিশ্ৰুতি পালন কৰা উচিত। চৰকাৰ বিপদে-আপদে সকলো সময়তে ৰাইজৰ লগত থাকিব লাগে, সাহায্য কৰিব লাগে কিন্তু তথাকথিত হিতাধিকাৰীয়ে দেশৰ যে একো কল্যাণ নকৰে, তাক সকলোৱে জনা উচিত। সন্তানক কামলৈ পঠিয়াই স্বাৱলম্বী কৰাৰ দৰে হিতাধিকাৰীসকলক জীয়াই ৰখাৰ কিবা আন উপায় উদ্ভাৱন কৰি দিয়াটো চৰকাৰৰ নৈতিক দায়িত্ব। ৰাজকোষৰ ধনেৰে ৰাজ্যই চিৰকাল কাকো খুৱাই থাকিব নোৱাৰে, আজি নহয় কাইলৈ তেওঁলোকক কামলৈ ঠেলিবই লাগিব, সেইটোও চৰকাৰৰ দায়িত্ব বুলি বিবেচনা কৰো। হিতাধিকাৰী কিয় ৰাজ্যখনৰ সকলো মানুহেই প্ৰগতিৰ অৰ্থে কিবা নহয় কিবা এটা কাম কৰিবই লাগিব। তেওঁলোককো চৰকাৰে সকলো ধৰণৰ উপায়েৰে সাহায্য প্ৰদান কৰিব লাগিব। কাম নকৰি কোনেও চৰকাৰৰ ধন এটকাও খাব নাপায়। বান, ভূমিকম্প আদি প্ৰাকৃতিক দুৰ্যোগৰ সময়ৰ কথা সুকীয়া। তেনে সময়ত কোনো মানুহে চৰকাৰক সাহায্য কৰাৰ কামত বিৰোধ নকৰে। আমাৰ বিশ্বাস— চৰকাৰক দিহা-পৰামৰ্শ দিয়া বা সমালোচনা কৰা কেতিয়াও নিন্দনীয় কাম হ'ব নোৱাৰে। কিয়নো সোণ পুৰিলেহে বেছি উজ্বল হয়।

*ফোন ঃ ৭০৮৬২ ১৭৪২৫*

জনপ্ৰিয় গায়ক-গায়িকাৰ গীতৰ তালে তালে বোকাত পৰি বোকা নৃত্য এবিধ নৃত্যও আৱিষ্কাৰ কৰিলে। বোকানৃত্য দিয়া শ্ৰেণীয়েও শান্তিপূৰ্ণভাৱে বিহুৰ গীত-মাত উপভোগ কৰা সকলৰ গাত বোকাৰ ছিটিকনি পৰাৰ লগতে অশান্তিকৰ পৰিৱেশ সৃষ্টি হ'ল। বোকা নৃত্য, ডিস্ক' ডেন্স জানো বিহুৰ লগত অসমীয়া সমাজ জীৱনৰ কিবা সম্পৰ্ক আছেনে? একাংশই মদৰ বা ড্ৰাগছৰ ৰাগীত বাহুবল প্ৰদৰ্শন কৰি মাৰপিট, ফলীয়া বাঁহৰে পিঠিত ও ৰগৰ তুলিলে।

# সাংস্কৃতিক সন্ধিয়াৰ নামত তাণ্ডৱলীলা



## কৃষ্ণকান্ত বুঢ়াগোহাঁই

**বাপতি** সাহোন ব'হাগ বিহু আহিল আৰু গ'ল। যোৱা দুটা বছৰ ক'ভিড মহামাৰীৰ কালত বিহু সন্মিলনসমূহ আয়োজন কৰা নহ'ল। এইবাৰ বাধা নথকাত বিহুটিক আদৰিবলৈ চ'তজুৰি বিহুৰ আখৰাও চলিল। নতুন উদ্যমেৰে বহাগক সাবটি ল'বলৈ গাঁৱে-ভুঁঞে, চহৰে নগৰে বিহুলৈ বুলি আখৰাই আখৰা হ'ল। আখৰাবোৰ বিহু মঞ্চৰ প্ৰতিযোগিতা আৰু প্ৰদৰ্শনৰ বাবে সাজু হ'ল। চহা জীৱনৰ বিহু কৃষিৰ লগত জড়িত, ৰাইজৰ চোতালত বিহু হুঁচৰিৰ পদাৰ্পণৰ দিনবোৰ উকলিল। ঠাই বিশেষে বিহু হুঁচৰি গোৱা হৈছে, যদিও এফালৰ পৰা গৃহস্থৰ চোতালবোৰ গচকা নাই বুলিব পাৰি। ধনীলোকৰ ঘৰত ডাঙৰ মাননিৰ আশাত হুঁচৰিয়ে চোতাল গচকে। নদাই ভদাইয়ে বছৰটিলৈ আশীৰ্বাদ লোৱাৰ দিনবোৰ সলনি হ'ল। সেই দিনবোৰ আহিবনে ঘূৰি? বিহু চিৰ চেনেহৰ চিৰ আপোন। ব'হাগক আদৰাৰ নামত ব'হাগৰ পৰা আহাৰলৈকে সাংস্কৃতিক অনুষ্ঠান চলি আহিছিল। বিভিন্ন নামেৰে বিহুৰ সাংস্কৃতিক সন্ধিয়া এতিয়াও ৰাজ্যৰ চুকে কোণে চলি আছে। আজিৰ অসমীয়াই চোতালত হুঁচৰি যোৱা নাপালেও মঞ্চত বা মুকলি বিহুত দেখাৰ সৌভাগ্য আৰু আনন্দকণ পাইছে। গৰু বিহুৰ দিনাৰ পৰাই মঞ্চত বিহু উদ্‌যাপন কৰি আহিছে আৰু এতিয়াও অব্যাহত আছে। বিহুৰ সাংস্কৃতিক সন্ধিয়াবোৰত দেখা উদ্ভণ্ডালি, অতপালিবোৰে বিহুপ্ৰাণ অসমীয়াক ভাবিবলৈ বাধ্য কৰাইছে। সাংস্কৃতিক সন্ধিয়াৰ নামত যিবোৰ দুষ্কৃতি চলিছে, সেয়া কোনো কাৰণতে এখন সংস্কৃতিক মনৰ সমাজৰ পৰিচায়ক বুলিব নোৱাৰি। সাংস্কৃতিক সন্ধিয়াৰ নামত উদ্ভণ্ডালি, বহুৱালি, বান্দৰামিসমূহ চূড়ান্ত অৰাজকতাৰ অন্য নাম। মঞ্চত গীত-মাত চলি থাকোতে মদৰ ৰাগীত মাতাল হৈ বাঁহৰ খুটাত বগাই ফুৰা, গছৰ ওপৰত উঠি কিৰিলি পৰা, বোকাত লুতুৰি পুতুৰি হোৱা, ডিস্ক' নৃত্য কৰা, মাৰ পিট, চকী ভাঙি চুৰমাৰ কৰা কাণ্ডবোৰ ঘটিল। নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি যিবোৰ কাণ্ড ঘটিল, ইয়াক বিহুৰ মান সন্মান নজনা শ্ৰেণীৰ কৰ্মকাণ্ড বুলি ক'ব লাগিব। বিহুৰ আনন্দ মানে মদৰ নিচাত মাতাল হৈ বাঁহত বগোৱা, বোকাত পৰি উদ্যাম নৃত্যবোৰ বিহুৰ নাচ বুলি ক'ব পাৰিনে? জনপ্ৰিয় গায়ক-গায়িকাৰ গীতৰ তালে তালে বোকাত পৰি বোকা নৃত্য এবিধ নৃত্যও আৱিষ্কাৰ কৰিলে। বোকানৃত্য দিয়া শ্ৰেণীয়েও শান্তিপূৰ্ণভাৱে বিহুৰ গীত-মাত উপভোগ কৰা সকলৰ গাত বোকাৰ ছিটিকনি পৰাৰ লগতে অশান্তিকৰ পৰিৱেশ সৃষ্টি হ'ল। বোকা নৃত্য, ডিস্ক' ডেন্স জানো বিহুৰ লগত অসমীয়া সমাজ জীৱনৰ কিবা সম্পৰ্ক আছেনে? একাংশই মদৰ বা ড্ৰাগছৰ ৰাগীত বাহুবল প্ৰদৰ্শন কৰি মাৰপিট, ফলীয়া বাঁহৰে পিঠিত ঔ ৰগৰ তুলিলে। বহুলোকে দৌৱা দৌৰি কৰাৰ ফলত আঘাতপ্ৰাপ্ত হয়। বিহুৰ ৰং আনন্দ মানে দুষ্কৃতি উৎপাতবোৰ নহয়। বহু অনুষ্ঠানত মাৰপিট, চকী দলিওৱা আৰু চকী ভঙা কাণ্ডত বহুলোকে আঁতৰি যাব লগা হোৱাত ভৰিৰ চেণ্ডেল, জোতা সুলকি পৰে, ম'বাইল পৰ্যন্ত হেৰাল। মদাহী অসুৰবোৰে গাভৰু, মহিলাক অশ্লীল ইংগিত দিয়া, শ্লীলতা হানি কৰা বিষয়বোৰ আছেই। এই দুষ্কৃতিকাৰীবোৰক নিয়ন্ত্ৰণ নকৰিলে ভৱিষ্যতে অতিপাত চৰিব। বহু কেইখন মঞ্চৰ সাংস্কৃতিক সন্ধিয়াৰ পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰ হ'ল। যিমানেই নিশা বাঢ়ি যায় অতপালিবোৰো বাঢ়ি যাবলৈ ধৰে। সাংস্কৃতিক সন্ধিয়াৰ অনুষ্ঠানবোৰত আৰক্ষীয়ে লাঠিচালনা কৰিবলৈ বাধ্য হ'ল, কেতিয়াবা শূন্যলৈ গুলিচালনা কৰিব লগাও হ'ল। সাংস্কৃতিক সন্ধিয়া উপভোগ কৰি ঘৰলৈ উভতি যোৱা মহিলা-গাভৰুৰ শ্লীলতা হানি হ'ল। বিহুৰ নামত উৎপাত, দুষ্কৃতিবোৰ অসমীয়া জাতি-সভ্যতাৰ লগত সম্পৰ্ক নথকা। বিহুৱে অসমীয়া জাতিসত্তাক পৰিচয় দিয়ে। মঞ্চ বিহু উদ্‌যাপনৰ নামত শেহতীয়াকৈ অভদ্ৰামিবোৰে বিশ্ব সম্প্ৰদায়ৰ আগত কেনে পৰিচয় প্ৰতিফলিত কৰিব সেয়া কোনোবাই ভাবি চাইছেনে? বিহুৰ অনুষ্ঠান উপভোগ কৰিবলৈ আন ৰাজ্যৰ জনগণ বা বিদেশী পৰ্যটকো আহে, তেনে লোকসকলে মাৰপিট, চকী ভঙা, বোকা নৃত্য, বহুৱালি, বান্দৰামিবোৰ দেখি মঞ্চৰ বিহু এনেকুৱা বুলি ভাবিবলৈ বাধ্য হ'ব। আজিৰ প্ৰজন্মই গৰু বিহু, চোতালৰ হুঁচৰি দেখাৰ সৌভাগ্য হোৱা নাই, মঞ্চ বিহুৰ বহুৱালিবোৰ দেখি সাংস্কৃতিক সন্ধিয়াত এইবোৰহে চলে বুলি ভাবিব। দুবছৰৰ আগতে আয়োজন কৰা বিহুৰ অনুষ্ঠানবোৰতকৈ এইবাৰৰ অসংস্কৃতিৰ পৰিৱেশ দুগুণে চৰিল। বিহুৰ আয়োজক কমিটীবোৰে এবাৰলৈ ভাবি চাইছেনে? এনেকুৱা কুৰুচিপূৰ্ণ পৰিৱেশ নিয়ন্ত্ৰণত আয়োজক কমিটী সজাগ আৰু যত্নপৰ হ'ব লাগিব। অতপালি কৰা সকলে বিহুৰ মাননি দিয়া বুলি ভাবিব নোৱাৰি। আয়োজক কমিটীয়ে স্বেচ্ছাসেৱক নিয়োগ কৰি হুলস্থুলীয়া পৰিৱেশ নিয়ন্ত্ৰণ কৰা কৰ্তব্য। মঞ্চৰ বিহু অনুষ্ঠানত উৎপাত কৰা সকল যে দায়ী, ঠিক তেনেদৰে আয়োজক কমিটীও দায়ী। আমিও সাত বিহুৰ ভিতৰত বিহুৰ অনুষ্ঠান পতাটো নিয়ম বুলি ভাবো। সেইবুলি জেঠ আৰু আহাৰলৈ বিহুৰ আয়োজন চলিলে অপসংস্কৃতিহে বুলি কোৱা ভাল। এইবাৰ ৰাজ্য চৰকাৰে ১০ বছৰীয়া পুৰণা কমিটীসমূহক ডেৰলাখ টকাকৈ অনুদান আগবঢ়ায়, যাতে অনা-অসমীয়া ব্যৱসায়ীক চান্দা বিচাৰি হেঁচা দিব নোৱাৰে। ভুৱা বিহু কমিটীয়েও পাকে প্ৰকাৰে চৰকাৰৰ ডেৰ লাখ টকা লোৱা বুলি জানিব পৰা গ'ল। ৰাইজৰ দান-বৰঙণি অবিহনে বিহুৰ সাংস্কৃতিক অনুষ্ঠান পতা সম্ভৱো নহয়। অসমীয়া গায়ক-গায়িকা, শিল্পী সকলে বিহুৰ অনুষ্ঠানবোৰত উপাৰ্জন কৰি জীৱন নিৰ্বাহ কৰে আৰু তেওঁলোকৰ উপাৰ্জন হওক তাৰেই কামনা কৰো। সাত ব'হাগৰ ভিতৰত বিহু অনুষ্ঠান আয়োজনৰ ক্ষেত্ৰত আয়োজক কমিটীবোৰ একমত হোৱা দেখা নগ'ল। এখন বিহু মঞ্চতকৈ আন এখন বিহু মঞ্চত সাংস্কৃতিক সন্ধিয়াৰ অতপালি, তাণ্ডৱবোৰ দুগুণ ৰূপত হ'বলৈ ধৰে। বহুকেইখন বিহুৰ অনুষ্ঠান পুৱতি নিশালৈকে চলিল। মাজনিশা একাংশই মদৰ নিচাত হিতাহিত জ্ঞান হেৰুৱাই অসুৰৰ ৰূপ ধাৰণ কৰে। দিনৰ ভাগৰ পৰা নিশা দহ বজাৰ ভিতৰত অনুষ্ঠান সামৰিলে হয়তো অসংস্কৃতিমূলক আচৰণবোৰ হ'বলৈ নাপালেহেঁতেন। বহু গায়ক-গায়িকাই নিৰ্দিষ্ট সময়তকৈ বহু পলমকৈ মঞ্চত পৰ্দাপণ কৰে, সেয়েহে অনুষ্ঠান পুৱতি নিশালৈ চলিবলৈ ধৰে। ন্যায়ালয়ে ৰাতি দহ বজাৰ পিছত উচ্চহাৰত মাইক বজোৱা নিষিদ্ধ কৰিছিল, যদিও পুৱতি নিশালৈ বিহুৰ অনুষ্ঠান চলাই ন্যায়ালয়ক বুঢ়া আঙুলি দেখুৱাই আয়োজক কমিটীবোৰে। চৰকাৰ, জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে বিহুৰ সাংস্কৃতিক সন্ধিয়াত অতপালি কৰা সকলৰ বিৰুদ্ধে কঠোৰ হোৱাটো কামনা কৰো। তেনে সকলক উচিত শাস্তি প্ৰদান কৰা ভাল। ৰাজহুৱা সম্পত্তিৰ ক্ষতিসাধন কৰা, জনতাৰ নিৰাপত্তাৰ দিশত চৰকাৰ আৰু আৰক্ষীয়ে বিহিত ব্যৱস্থা লোৱা উচিত। লগতে আয়োজক কমিটীয়ে ব্যৱস্থা লোৱা উচিত। বিহুত উদ্ভণ্ডালি কৰা সন্তানক অভিভাৱক সকলে নিয়ন্ত্ৰণ কৰা একান্ত কৰ্তব্য।

দুটা বছৰৰ পিছত আয়োজন কৰা অনুষ্ঠানবোৰ সুন্দৰ আৰু শান্তিপূৰ্ণ হ'ব লাগিছিল যদিও ঠায়ে ঠায়ে এইবাৰ বিশৃংখলাৰ চৰম সীমালৈ গতি কৰিলে। ভৱিষ্যতে পৰিৱেশ আৰু ভয়াৱহ হোৱাৰ আশংকাহে দেখা যায়। ভৱিষ্যতে বিহুৰ আয়োজক কমিটীবোৰে আজিৰ দুষ্কৃতিবোৰ দেখি সজাগ হ'ব বুলি আশা কৰিলো। আমাৰ মঞ্চৰ বিহু সন্মিলনৰ তাণ্ডৱলীলাবোৰ দেখি আন ৰাজ্যৰ জনতাই ক'ব বিহুৰ সাংস্কৃতিক সন্ধিয়াবোৰ এনেকুৱাইনে? আমিও হাঁহিয়াতৰ পাত্ৰ হ'ম। মদৰ ৰাগীত অতপালিবোৰ চলি থাকিলে মঞ্চবিহু আয়োজন কৰিবলৈ ৰাইজে মন নকৰা হ'ব। এদিন মঞ্চৰ পৰাও বিহু হেৰাই যাব।

*ফোন ঃ ৯৯৫৪৮১৭০৯৭*

# ১৫ দিনত ১৫ দেশলৈ বিয়পিল 'মংকী পক্স' ঃ আক্ৰান্ত ৯২ জনলৈ বৃদ্ধি

## কি এই 'মংকী পক্স', কেনেকৈ ভাইৰাছ বিয়পে ?



নিউজ ব্যুৰ', নতুন দিল্লী, ২৩ মে' ঃ 'মংকী পক্স' হৈছে এবিধ ভাইৰেলজনিত সংক্ৰমণ। ১৯৫৮ত এটা বান্দৰৰ শৰীৰত এইবিধ ভাইৰাছৰ প্ৰথম সংক্ৰমণ চিনাক্ত কৰা হৈছিল। ১৯৭০ত প্ৰথমবাৰৰ বাবে মানৰ শৰীৰত 'মংকী পক্স'ৰ সংক্ৰমণ ধৰা পৰিছিল। বিশেষজ্ঞসকলৰ মতে, 'মংকী পক্স'ৰ সংক্ৰমণ চকু, নাক আৰু মুখৰ জৰিয়তে বিয়পিব পাৰে। এইবিধ ভাইৰাছৰ সংক্ৰমণ আক্ৰান্ত ব্যক্তিৰ পোছাক, অন্য বস্ত্ৰ, বাচন বৰ্তন আৰু বিছনাৰ জৰিয়তেও আন ব্যক্তিলৈ হ'ব পাৰে। তদুপৰি বান্দৰ, এন্দুৰৰ দৰে জীৱৰ মাংস, ৰক্ত বা শৰীৰত অন্যান্য তৰল স্পৰ্শৰ জৰিয়তেও মানৰ দেহলৈ 'মংকী পক্স' ৰ সংক্ৰমণ বিয়পিব পাৰে। বিশ্ব স্বাস্থ্য সংস্থাৰ তথ্য অনুসৰি 'মংকী পক্স'ৰ লক্ষণ সংক্ৰমণৰ পঞ্চম দিনৰ পৰা ২১ দিনৰ ভিতৰত প্ৰকট হয়। আৰম্ভণিতে ফ্লুৰ দৰে উপসৰ্গই দেখা দিয়ে। জ্বৰ, মূৰৰ বিষ, মাংসপেশীৰ বিষ, ককালৰ বিষ, কম্পন, অৱসাদ আৰু হাওঁফাওঁৰ সমস্যাই আক্ৰান্তৰ শৰীৰত দেখা দিব পাৰে। ইয়াৰ লগতে শৰীৰত বসন্ত ৰোগীৰ দৰে পানীজোলাৰ সৃষ্টি হয়।


**নিউজ ব্যুৰ' ৱাশ্বিংটন, ২৩ মে'** ঃ প্ৰতিদিনে 'মংকী পক্স'ত আক্ৰান্ত লোকৰ সংখ্যা বিশ্বজুৰি বৃদ্ধি পাইছে। ইংলণ্ড, বেলজিয়ামসহ ইউৰোপৰ বিভিন্ন দেশত এই ভাইৰাছৰ সংক্ৰমণ চিনাক্ত কৰা হৈছে। এইবাৰ ইজৰাইল, ছুইজাৰলেণ্ড আৰু অষ্ট্ৰিয়াতো 'মংকী পক্স'ৰ আক্ৰান্তক চিনাক্ত কৰা হ'ল। বিগত ১৫ দিনত বিশ্বৰ ১৫ খন দেশলৈ সংক্ৰমণ বিয়পিল এই ভাইৰাছৰ। বিশ্ব স্বাস্থ্য সংস্থাৰ তথ্য অনুসৰি বৰ্তমানলৈকে মুঠ ৯২ জন 'মংকী পক্স' আক্ৰান্তক চিনাক্ত কৰা হৈছে। ২৮ জনৰ শৰীৰত এই ৰোগৰ লক্ষণ প্ৰকট হোৱাত তেওঁলোকক পৰ্যবেক্ষণত ৰখা হৈছে। কৰ'না অতিমাৰীৰ মাজতে বিশ্বত নতুনকৈ আতংক বিয়পাইছে 'মংকী পক্সে'। প্ৰতিদিনে এই ভাইৰাছত আক্ৰান্ত ৰোগীৰ সংখ্যা বৃদ্ধি পাইছে। ইজৰাইলে আজি প্ৰকাশ কৰা অনুসৰি দেশখনত প্ৰথমজন 'মংকী পক্স' আক্ৰান্তক চিনাক্ত কৰা হৈছে। উক্ত ব্যক্তিজনে বিদেশ ভ্ৰমণ কৰি অলপতে ইজৰাইললৈ উভতি আহিছিল। ইজৰাইলৰ দৰে ছুইজাৰলেণ্ড আৰু অষ্ট্ৰিয়াতো এই ভাইৰাছৰ আক্ৰান্ত ৰোগীৰ সন্ধান লাভ কৰা হৈছে। অষ্ট্ৰেলিয়া, বেলজিয়াম, ফ্ৰান্স,



কানাডা, জাৰ্মানী, ইটালী, নেদাৰলেণ্ডছ, পৰ্তুগাল, স্পেইন, ছুইডেন, ব্ৰিটেইন আৰু আমেৰিকাতো 'মংকী পক্সে' সন্ত্ৰাস অব্যাহত ৰাখিছে।

ব্ৰিটেইনৰ স্বাস্থ্য বিভাগে সমকামীৰ মাজত এই ভাইৰাছৰ সংক্ৰমণ অধিক ঘটাৰ বাতৰিৰ সন্দৰ্ভত ইতিমধ্যে সতৰ্কতা জাৰি কৰিছে। সমকামী আৰু উভকামীৰ মাজত 'মংকী পক্স'ৰ সংক্ৰমণ অধিক ঘটিছে বুলি বাতৰিত উল্লেখ কৰা হৈছে। 'মংকী পক্স'ৰ লক্ষণ বসন্ত ৰোগৰ লগত একে যদিও এই ভাইৰাছ অতি বিৰল আৰু ইয়াৰ কোনো চিকিৎসা পদ্ধতি উদ্ভাৱন হোৱা নাই। 'মংকী পক্স' অধিক প্ৰাণঘাতক নহ'লেও এই ভাইৰাছত আক্ৰান্ত হ'লে কে'বা সপ্তাহলৈকে জ্বৰ, বিষ, পানীজোলা প্ৰভৃতি উপসৰ্গই দেখা দিব পাৰে। ব্ৰিটেইনৰ এইচ এছ এ মুখ্য চিকিৎসা উপদেষ্টা ডাঃ ছুজান হপকিন্সে আজি 'মংকী পক্স'ৰ সন্দৰ্ভত এইদৰে কয়, 'যি সকল সমকামী বা উভকামী, তেওঁলোকক আমি বিশেষকৈ সতৰ্ক কৰিছো। শৰীৰত কোনো ধৰণৰ পানীজোলা, ছাল ৰঙা পৰা আদি লক্ষণে দেখা দিলে পলম নকৰি চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰে। এয়া 'মংকী পক্স' হ'ব পাৰে। ধাৰণা কৰা অনুসৰি সমকামীৰ জৰিয়তে এই ভাইৰাছৰ বিশ্বজুৰি সংক্ৰমণ হৈছে।' বিশ্ব স্বাস্থ্য সংস্থাই লগতে কয় যে আগন্তুক দিনত বিভিন্ন দেশত 'মংকী পক্স'ত আক্ৰান্তৰ সংখ্যা বৃদ্ধি পোৱাৰ শংকা আছে। উল্লেখ্য যে ইংলণ্ডত বিশ্বৰ প্ৰথম 'মংকী পক্স' আক্ৰান্তৰ সন্ধান লাভ কৰা হৈছিল। সংক্ৰমিত উক্ত ব্যক্তিজনে নাইজেৰিয়াৰ পৰা উভতি অহাৰ পাছতে 'মংকী পক্স'ৰ উপসৰ্গই শৰীৰত দেখা দিছিল।

## 'মংকী পক্স'ক লৈ ভাৰততো জাৰি কৰিলে সতৰ্কতা



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৩ মে'** ঃ বিশ্বৰ ১৫ খন দেশত 'মংকী পক্স'ৰ ব্যাপক সংক্ৰমণ ধৰা পৰাৰ পাছত এই ভাইৰাছৰ সংক্ৰমণক লৈ উদ্বিগ্ন হৈছে ভাৰত চৰকাৰ। দ্ৰুত গতিত 'মংকী পক্স'ৰ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি নেচনেল চেণ্টাৰ ফৰ ডিজিজ কণ্ট্ৰ'ল (এন চি ডি চি) আৰু ইণ্ডিয়ান কাউণ্ছিল অব্ মেডিকেল ৰিছাৰ্চ (আই চি এম আৰ)-এ আজি এই সন্দৰ্ভত সতৰ্কতা জাৰি কৰিলে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে বিমানকোঠ আৰু বন্দৰসমূহৰ বিষয়ালৈ নিৰ্দেশনা জাৰি কৰি 'মংকী পক্স' প্ৰভাৱিত দেশৰ পৰা উভতি অহা লোকৰ শৰীৰত কোনো উপসৰ্গ থাকিলে লগে লগে সেই ব্যক্তিক আছুতীয়াকৈ ৰাখি তেওঁৰ ৰক্তৰ নমুনা সংগ্ৰহ কৰি পুনেৰ নেচনেল ইনষ্টিটিউট অব্ ভাইৰ'ল'জি (এন আই ভি)লৈ প্ৰেৰণ কৰিবলৈ পৰামৰ্শ দিয়ে। একাধিক ৰাজ্য চৰকাৰেও 'মংকী পক্স' প্ৰতিৰোধৰ বাবে প্ৰয়োজনীয় সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে।

## একাধিক বিবাহত বাধা তালিবানৰ, ব্যয় হ্ৰাস কৰিবলৈ নিৰ্দেশ আখুন্দজাদাৰ




**নিউজ ব্যুৰ', কাবুল, ২৩ মে'** ঃ আফগানিস্তানত বহুবিবাহ প্ৰথা যথেষ্ট জনপ্ৰিয়। শ্বৰিয়ত আইন অনুসৰি, এজন মুছলমান পুৰুষে চাৰিগৰাকী পত্নী গ্ৰহণ কৰিব পাৰে। ফলত তালিবান সন্ত্ৰাসবাদীৰ অধিকাংশৰে একাধিক পত্নী আছে। কিন্তু সংসাৰ পৰিচালনাৰ বাবে এইসকল তালিবান সদস্যই অধিক ধন ব্যয় কৰিব লগা হৈছে। এই অপ্ৰয়োজনীয় ব্যয় প্ৰতিৰোধ কৰিবলৈ তালিবান যোদ্ধাক একাধিক বিবাহৰ পৰা বিৰত থাকিবলৈ নিৰ্দেশ দিলে সংগঠনটোৰ মুৰব্বী হায়বাতুল্লা আখুন্দজাদাই। আফগানিস্তানৰ বখতাৰ সংবাদ প্ৰতিষ্ঠানে প্ৰকাশ কৰা অনুসৰি তালিবান যোদ্ধাক একাধিক বিবাহৰ পৰা বৰ্তমানৰ পৰিস্থিতিত বিৰত থাকিবলৈ নিৰ্দেশ দিলে সংগঠনটোৰ শীৰ্ষ কমাণ্ডাৰ আখুন্দজাদাই। অৱশ্যে সাধাৰণ আফগান নাগৰিকক তালিবানে এই ফটোৱাৰ বাহিৰত ৰাখিছে। তালিবানৰ সদস্যই একাধিক বিবাহ কৰাব নোৱাৰিব বুলি ফটোৱা জাৰি কৰি আখুন্দজাদাই কয় যে এই নিৰ্দেশ অমান্য কৰিলে কঠোৰ শাস্তি বিহা হ'ব।

## আগন্তুক দিনত বৃদ্ধি পাব পাৰে ঋণৰ সুদ, ভাৰতীয় ৰিজাৰ্ভ বেংকে দিলে ইংগিত



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৩ মে'** ঃ ভাৰতীয় ৰিজাৰ্ভ বেংক (আৰ বি আই)ৰ গৱৰ্ণৰ শক্তিকান্ত দাসে আগন্তুক দিনত পুনৰ ৰেপ' ৰেট বৃদ্ধিৰ সম্ভাৱনাৰ কথা ইংগিত দিলে। অহা জুনত অনুষ্ঠিত হ'ব লগা মুদ্ৰানীতি বৈঠকত আৰ বি আয়ে ৰেপ' ৰেট বৃদ্ধিৰ সিদ্ধান্ত ল'ব পাৰে বুলি আজি দাসে অৱগত কৰে। আৰ বি আয়ে পুনৰ ৰেপ' ৰেট বৃদ্ধি কৰিলে ঋণৰ সুদৰ পৰিমাণো বৃদ্ধি পাব। চি এন বি চি টিভি ১৮ৰ এক সাক্ষাৎকাৰত আৰ বি আইৰ গৱৰ্ণৰজনে কয় যে বৰ্তমানে যি হাৰত মূল্যবৃদ্ধি অব্যাহত আছে, তাক লৈ দেশৰ কেন্দ্ৰীয় বেংকটো যথেষ্ট চিন্তিত আৰু মুদ্ৰানীতিৰ পৰৱৰ্তী বৈঠকত আৰ বি আয়ে পুনৰ ৰেপ' ৰেট বৃদ্ধিৰ সিদ্ধান্ত ল'ব পাৰে। উল্লেখ্য যে যোৱা মাহত আৰ বি আয়ে ৰেপ' ৰেট চাৰি শতাংশৰ পৰিৱৰ্তে ৪.৪০ শতাংশলৈ বৃদ্ধি কৰিছিল।

## এইবাৰ দেশত সন্ধান লাভ অ'মিক্ৰনৰ উপ-প্ৰজাতি বিএ.৫



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৩ মে' ঃ কৰ'নাৰ অ'মিক্ৰন প্ৰজাতিৰ উপ-প্ৰজাতি বিএ.৫ৰ সন্ধান লাভ কৰা হ'ল ভাৰতত। তেলেংগানাত দেশৰ প্ৰথমজন অ'মিক্ৰনৰ উপ-প্ৰজাতি বিএ.৫ত সংক্ৰমিত ব্যক্তিক চিনাক্ত কৰা হৈছে। আক্ৰান্ত ব্যক্তিজনৰ বয়স ৮০ বছৰ। উল্লেখ্য যে কিছুদিন পূৰ্বে কৰ'নাৰ আন এটি অ'মিক্ৰনৰ উপ-প্ৰজাতি বিএ.৪ত আক্ৰান্ত ব্যক্তিক চিনাক্ত কৰা হৈছিল। অ'মিক্ৰনৰ এই দুই নতুন উপ-প্ৰজাতিৰ উপস্থিতি ভাৰতত ধৰা পৰাৰ পাছত দেশত কৰ'নাৰ সংক্ৰমণৰ চতুৰ্থ ঢৌৰ সৃষ্টি হ'ব নেকি বুলি জল্পনা-কল্পনা অব্যাহত আছে। অৱশ্যে এই দুই নতুন অ'মিক্ৰন উপ-প্ৰজাতি কিমান ভয়াৱহ আৰু সংক্ৰামক সেয়া এতিয়াও জানিব পৰা হোৱা নাই।**

## শিৱসেনাৰ সাংসদ ৰাউতৰ বিৰুদ্ধে বিজেপি নেতাৰ পত্নীৰ মানহানিৰ গোচৰ



**নিউজ ব্যুৰ', মুম্বাই, ২৩ মে' ঃ শিৱসেনাৰ সাংসদ সঞ্জয় ৰাউতৰ বিপদ বৃদ্ধি পালে। বিজেপিৰ নেতা কিৰিত সৌমেয়াৰ পত্নী ড° মেধা কিৰিত সৌমেয়াই আজি বম্বে উচ্চ ন্যায়ালয়ত ৰাউতৰ বিৰুদ্ধে এশ কোটিটকীয়া মানহানিৰ গোচৰ তৰিলে। যোৱা ন মে'ত ড° মেধাই ৰাউতৰ বিৰুদ্ধে মুম্বাই মুলুণ্ডৰ নৱঘৰ আৰক্ষী থানাত এক গোচৰ ৰুজু কৰিছিল। ড° মেধাই অভিযোগ কৰা অনুসৰি সংবাদ মাধ্যমৰ জৰিয়তে তেওঁৰ বিৰুদ্ধে আপত্তিজনক মন্তব্য প্ৰকাশ কৰিছিল। কোনো প্ৰমাণ অবিহনে ৰাউতে এইদৰে তেওঁৰ চৰিত্ৰহননৰ অপচেষ্টা চলোৱা বুলি অভিযোগ কৰি বিজেপি নেতাৰ পত্নীগৰাকীয়ে ৰাউতৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধিৰ ৫০৩, ৫০৬ আৰু ৫০৯ ধাৰাত গোচৰ ৰুজু কৰে। উল্লেখ্য যে শিৱসেনাৰ সাংসদজনে মেধা আৰু তেওঁৰ স্বামীৰ বিৰুদ্ধে ৰাজহুৱা শৌচালয় নিৰ্মাণত এশ কোটি টকাৰো অধিক দুৰ্নীতি সংঘটিত কৰাৰ অভিযোগ উত্থাপন কৰিছিল।**

## বাইডেনৰ সকীয়নি ঃ টাইৱানত আক্ৰমণ কৰিলে চীনৰ বিৰুদ্ধে সামৰিক অভিযান চলাব আমেৰিকাই

**নিউজ ব্যুৰ', টকিঅ', ২৩ মে'** ঃ ইউক্ৰেইন যুদ্ধৰ মাজতে টাইৱানক আক্ৰমণৰ ইংগিত দি অহা চীনক প্ৰথমবাৰৰ বাবে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে স্পষ্টভাৱে সকীয়নি দিলে। কোৱাড বৈঠকত অংশ ল'বলৈ জাপানত উপস্থিত হোৱা বাইডেনে আজি এখন বৈঠকত অংশ লৈ কয় যে যদি চীনে টাইৱানত আক্ৰমণ চলায় তেন্তে আমেৰিকাই সামৰিক অভিযান চলাব। মাৰ্কিন ৰাষ্ট্ৰপতিয়ে লগতে কয় যে টাইৱানৰ আকাশমাৰ্গ উলংঘন কৰি চীনে বিপদ মাতি আনিছে। বাইডেনে কয় যে ইউক্ৰেইনত ৰাছিয়াই আক্ৰমণ সংঘটিত কৰাৰ পাছত টাইৱানৰ প্ৰতিৰক্ষাৰ দায়িত্ব বৃদ্ধি পালে। যদিহে চীনে আক্ৰমণ কৰে তেন্তে আমেৰিকাই সামৰিক সাহায্য প্ৰদানৰ জৰিয়তে টাইৱানক ৰক্ষা কৰিব বুলি বাইডেনে প্ৰতিশ্ৰুতি দিয়ে। দৰাচলতে 'টাইৱান ৰিলেচন এক্ট'ৰ অধীনত আমেৰিকাই টাইৱানক যুদ্ধৰ ক্ষেত্ৰত ৰক্ষা কৰিবলৈ



প্ৰতিশ্ৰুতিবদ্ধ। এই কাৰণতে আমেৰিকাই টাইৱানক অস্ত্ৰ-শস্ত্ৰৰ যোগান ধৰি আহিছে। উল্লেখ্য যে চীনে টাইৱানক নিজৰ অঞ্চল বুলি দাবী কৰি আহিছে যদিও টাইৱানে নিজকে এখন স্বতন্ত্ৰ দেশ বুলি দাবী কৰে। চীনে প্ৰায়ে যুঁজাৰু বিমান প্ৰেৰণ কৰি টাইৱানৰ আকাশমাৰ্গত অনুপ্ৰৱেশৰ জৰিয়তে দেশখনক আক্ৰমণৰ ভাবুকি দি আহিছে। এই প্ৰসংগতে কোৱাড বৈঠকত অংশ লৈ মাৰ্কিন ৰাষ্ট্ৰপতিয়ে প্ৰথমবাৰৰ বাবে চীনক হুংকাৰ দিলে।



## কাশ্মীৰৰ বাৰামুলাত তিনি সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ আৰক্ষীৰ

**নিউজ ব্যুৰ' শ্ৰীনগৰ, ২৩ মে' ঃ জম্মু-কাশ্মীৰৰ বাৰামুলাত আৰক্ষীয়ে এক অভিযান চলাই আজি তিনিজন সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ কৰে। ধৃত সন্ত্ৰাসবাদীকেইজনৰ পৰা তিনিটা পিষ্টল, তিনিটা মেগজিন, ৩২ টা গুলি আৰু দুটা গ্ৰেণেড জব্দ কৰা হৈছে। বাৰামুলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক ৰইচ মহম্মদ ভাটে এই কথা প্ৰকাশ কৰা অনুসৰি যোৱা ১৫ মে'ত ৰাজ্যখনত সন্ত্ৰাসবাদীয়ে এক আক্ৰমণ চলাই এজন চৰপঞ্চক গুলিবৰ্ষণ কৰিছিল। এই ঘটনাৰে অনুসন্ধান চলাই আৰক্ষীয়ে আক্ৰমণকাৰী তিনি সন্ত্ৰাসবাদীক আজি বাৰামুলাত গ্ৰেপ্তাৰ কৰে।**


## ৰেললাইন উৰুৱাই ভাৰতত আক্ৰমণ সংঘটিত কৰিব পাৰে পাকিস্তানী সন্ত্ৰাসবাদীয়ে ঃ চোৰাংচোৱাৰ সতৰ্কতা

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৩ মে'** ঃ ভাৰতত এক বৃহৎ আক্ৰমণ সংঘটিত কৰাৰ পৰিকল্পনা যুগুত কৰিছে পাকিস্তানৰ সন্ত্ৰাসবাদীয়ে। পাকিস্তানী চোৰাংচোৱা সংস্থা আই এছ আইৰ পৃষ্ঠপোষকতাত দেশখনৰ সন্ত্ৰাসবাদীয়ে ভাৰতৰ একাধিক ৰেললাইনত বিস্ফোৰণ সংঘটিত কৰাৰ প্ৰস্তুতি চলাইছে। ৰেললাইনক আক্ৰমণৰ লক্ষ্য হিচাপে গ্ৰহণ কৰি অসংখ্য লোকক হত্যা কৰাৰ ভয়াৱহ পৰিকল্পনা যুগুত কৰিছে পাকিস্তানী সন্ত্ৰাসবাদীয়ে। এই খবৰ লাভৰ পাছতে ভাৰতীয় চোৰাংচোৱাই সতৰ্কতা জাৰি কৰিছে। ভাৰতীয় চোৰাংচোৱাই লাভ কৰা খবৰ অনুসৰি পাকিস্তানী সন্ত্ৰাসবাদীক এনে ভয়াৱহ বিস্ফোৰণ সংঘটিত কৰাৰ বাবে অসহযোগিতা আগবঢ়াইছে ভাৰতত থকা সন্ত্ৰাসবাদীয়ে। পঞ্জাৱ আৰু ইয়াৰ সংলগ্ন ৰাজ্যত এইধৰণৰ আক্ৰমণ চলোৱাৰ সুযোগৰ সন্ধানত আছে পাকিস্তান। ভাৰতীয় চোৰাংচোৱাই সতৰ্কতা জাৰি



কৰি ইতিমধ্যে কৈছে যে পাকিস্তানী সন্ত্ৰাসবাদী সংগঠনৰ কে'বাটাও 'শ্লিপাৰ চেল' ভাৰতত সক্ৰিয় হৈ আছে আৰু এনেবোৰ গোটে বিস্ফোৰণৰ পৰিকল্পনা যুগুত কৰিছে। ৰেলৰ চলাচল অব্যাহত থকাৰ সময়তে এনে বিস্ফোৰণ সন্ত্ৰাসবাদীয়ে সংঘটিত কৰাৰ সম্ভাৱনা আছে। এই খবৰ লাভৰ পাছতে ভাৰতীয় চোৰাংচোৱাই ৰেল বিভাগৰ লগতে আৰক্ষী প্ৰশাসনক প্ৰয়োজনীয় সতৰ্কতা অৱলম্বন কৰিবলৈ পৰামৰ্শ দিলে।

## দেশত আত্মপ্ৰকাশ নতুন বিমান পৰিবহণ সংস্থাৰ




**নিউজ ব্যুৰ', নতুন দিল্লী, ২৩ মে'** ঃ শীঘ্ৰেই ভাৰতত বিমানসেৱা আৰম্ভ কৰিব নবীনতম বিমান সংস্থা আকাশা এয়াৰে। ভাৰতৰ আগশাৰীৰ বিনিয়োগকাৰী ৰাকেশ জুনজুনৱালাৰ মালিকনাধীন আকাশা এয়াৰে ইতিমধ্যে কেন্দ্ৰীয় অসামৰিক বিমান মন্ত্ৰণালয়ৰ পৰা প্ৰয়োজনীয় অনুমতি আৰু অনুজ্ঞাপত্ৰ লাভ কৰিছে। প্ৰকাশিত বাতৰি অনুসৰি, অহা আগষ্টৰ পৰা আকাশা এয়াৰে ভাৰতত বিমানসেৱা আৰম্ভ কৰাৰ সম্ভাৱনা আছে। আজি আকাশা এয়াৰে টুইটাৰ হেণ্ডেলৰ জৰিয়তে সংস্থাটোৰ এখন বিমানৰ ছবি শ্বেয়াৰ কৰে।



## প্ৰবল ধুমুহা-বৃষ্টিত বিপৰ্যস্ত দিল্লী, ব্যাহত বিমানসেৱা

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৩ মে'** ঃ ধুমুহা বৰষুণৰ পৰিণতিত বিপৰ্যস্ত হ'ল দেশৰ ৰাজধানী দিল্লীত। প্ৰবল ধুমুহা বৃষ্টিত ব্যাহত হ'ল দিল্লীৰ ইন্দিৰা গান্ধী আন্তৰ্জাতিক বিমানকোঠৰ সেৱা। ধুমুহাত বহু অঞ্চলত গছ বাগৰি পৰাৰ ফলত ৰাজধানী চহৰৰ বিস্তীৰ্ণ অঞ্চল আজি বিদ্যুৎহীন হয়। একাধিক স্থানত গছ বাগৰি পৰাৰ ফলত বাসগৃহৰো ক্ষতি হয়। বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা অনুসৰি সোমবাৰে পুৰা দিল্লী আৰু পাৰ্শ্বৱৰ্তী অঞ্চলত ঘণ্টাত ৬০-৯০ কিলোমিটাৰ বেগত ধুমুহাই তাণ্ডৱ চলাইছিল। সোমবাৰে পুৰা ৰাজধানী বহু বাট-পথত গছ বাগৰি আৰু কৃত্ৰিম বানত জলবদ্ধ হোৱাৰ ফলত সাময়িকভাৱে অৱৰোধ হ'ল। সপ্তাহৰ প্ৰথম দিনতে তীব্ৰ যান-জঁটো সৃষ্টি হ'ল ৰাজধানীত। পুৱা ৫-৩০ বজাৰ পৰা সাত বজালৈকে প্ৰবল ধুমুহা বৰষুণ অব্যাহত আছিল। ধুমুহাজাকৰ ফলত দিল্লীৰ বিমানকোঠত বিমানৰ চলাচল সাময়িকভাৱে বন্ধ ৰাখিব লগা হয়।

## আজিও অশান্ত শ্ৰীলংকা, চিকিৎসালয়ত হাহাকাৰ ৰোগীৰ

**নিউজ ব্যুৰ', কলম্বো, ২৩ মে'** ঃ শ্ৰীলংকা চৰকাৰে দেশখনত জাৰি কৰা জৰুৰী অৱস্থা প্ৰত্যাহাৰ কৰিলে যদিও এতিয়াও অশান্ত হৈ আছে দ্বীপ ৰাষ্ট্ৰখন। ৰাজপথত বৰ্তমানেও একাংশ নাগৰিকে অব্যাহত ৰাখিছে চৰকাৰ বিৰোধী প্ৰতিবাদ। এনে অশান্ত পৰিস্থিতিৰ মাজতে দেশখনৰ চিকিৎসালয়ত ভয়াৱহ সমস্যাই দেখা দিছে। প্ৰায়বোৰ চিকিৎসালয়তে কৰ্কট, হৃদৰোগ ইত্যাদিত আক্ৰান্ত ৰোগী ভৰ্তি হৈ আছে। কিন্তু চিকিৎসকে এইসকল ৰোগীৰ প্ৰয়োজনীয় অস্ত্ৰোপচাৰ সম্পন্ন কৰিবলৈ বাধাগ্ৰস্ত হৈছে। প্ৰয়োজনীয় দৰবৰ অভাৱে জটিল ৰোগৰ চিকিৎসা বাধাগ্ৰস্ত কৰিছে। কলম্বোৰ চৰকাৰী চিকিৎসালয়ত কৰ্তৃপক্ষই প্ৰকাশ কৰা



অনুসৰি অচিৰে দৰবৰ অভাৱ দূৰ কৰা নহ'লে দেশখনৰ বহু লোকৰ মৃত্যু হোৱাটো নিশ্চিত। উল্লেখ্য যে শ্ৰীলংকাই চিকিৎসা সেৱাৰ ক্ষেত্ৰত প্ৰয়োজনীয় ৮০ শতাংশ দৰবৰ আৰু সা-সঁজুলি বিদেশৰ পৰা আমদানি কৰি আহিছে। বিদেশ মুদ্ৰাৰ অভাৱত সম্প্ৰতি প্ৰয়োজনীয় দৰবৰ আমদানিৰ ক্ষেত্ৰত দেশখন বাধাগ্ৰস্ত হৈছে।

## কাঁ চলচ্চিত্ৰ মহোৎসৱত ৰুছ বিৰোধিতাৰে প্ৰতিবাদ মহিলাৰ





**নিউজ ব্যুৰ', কাঁ, ২৩ মে' ঃ ফ্ৰান্সৰ কাঁত অনুষ্ঠিত ৭৫ সংখ্যক কাঁ চলচ্চিত্ৰ মহোৎসৱত একাংশ মহিলাই ইউক্ৰেইনৰ সমৰ্থনত ৰুছ বিৰোধী প্ৰতিবাদত অংশ ল'লে। চলচ্চিত্ৰ মহোৎসৱৰ ৰঙা দলিচাত উপস্থিত হৈ কালি ৰাছিয়াৰ বিৰোধিতাৰে একাংশ মহিলাই 'স্মʼক গ্ৰেণেড' অৰ্থাৎ ধোঁৱা সৃষ্টিকাৰী বিস্ফোৰক দলিয়াই প্ৰতিবাদ সাব্যস্ত কৰে। এই ঘটনাৰ ফলত মহোৎসৱৰ ৰঙা দলিচাৰ অনুষ্ঠান কিছু সময়ৰ বাবে বন্ধ ৰাখিবলগা হৈছিল। উল্লেখ্য যে যোৱা শুকুৰবাৰেও এগৰাকী মহিলাই নগ্ন হৈ ৰঙা দলিচাত থিয় দি ইউক্ৰেইনত ৰাছিয়াৰ আক্ৰমণৰ বিৰোধিতা কৰিছিল। কালি ৰঙা দলিচাত একাংশ মহিলাই ক'লা পোছাক পৰিধান কৰি ইউক্ৰেইনৰ সমৰ্থনত প'ষ্টাৰ, বেনাৰ প্ৰদৰ্শন কৰে।**

## ইউক্ৰেইনত যুদ্ধত অনাথ শিশুক আমেৰিকাত আশ্ৰয়দানত বাধা ৰাছিয়াৰ

**নিউজ ব্যুৰ', কীভ, ২৩ মে'** ঃ ৰাছিয়াৰ সেনা বাহিনীয়ে ঘেৰি ৰখা ইউক্ৰেইনত যুদ্ধত অনাথ হোৱা শিশুক আন্তৰ্জাতিক পৰ্যায়ত আশ্ৰয়দানৰ ক্ষেত্ৰত বাধাদান কৰিছে মস্কোৱে। নেচনেল কাউন্সিল ফৰ এডপচনছৰ মুৰব্বী ৰেয়ান হেনলনে আন্তৰ্জাতিক সংবাদ মাধ্যমৰ আগত কৰা অভিযোগ অনুসৰি, ৰাছিয়াই যুদ্ধত গৃহহীন হোৱা ইউক্ৰেইনৰ শিশুক আশ্ৰয়দানৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিছে। হেনলনে প্ৰকাশ কৰা অনুসৰি ইউক্ৰেইনক ৰাছিয়াই যুদ্ধ আৰম্ভ কৰাৰ পৰা যথেষ্ট সংখ্যক শিশু পিতৃ-মাতৃহাৰা হৈছে আৰু এনে ৩০০ৰো অধিক অনাথ শিশুক আমেৰিকাৰ পৰিয়ালে তোলনীয়া সন্তান হিচাপে গ্ৰহণ কৰিব বিচাৰিছিল, কিন্তু ৰাছিয়াৰ হস্তক্ষেপত অনাথ শিশুক তোলনীয়া সন্তান হিচাপে গ্ৰহণ কৰাৰ প্ৰক্ৰিয়া বন্ধ ৰখা হৈছে। উপায়হীন হৈ প্ৰশাসনে ইউক্ৰেইনৰ এইসকল অনাথ শিশুক অনাথালয়লৈ প্ৰেৰণ কৰিবলৈ বাধ্য হৈছে প্ৰশাসন। আমেৰিকাৰ বৈদেশিক



মন্ত্ৰণালয়ে প্ৰকাশ কৰা পৰিসংখ্যা অনুসৰি ২০২০ বৰ্ষত ইউক্ৰেইনৰ পৰা ২০০ৰো অধিক অনাথ শিশুক মাৰ্কিন দম্পতীয়ে তোলনীয়া সন্তান হিচাপে গ্ৰহণ কৰিছিল।



## পুনৰ বৃদ্ধি ক'ভিড সংক্ৰমণ, ভাৰতসহ ১৬ দেশ ভ্ৰমণত নিষেধাজ্ঞা ছৌদি আৰবৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৩ মে'** ঃ বিগত কে'বাদিন ধৰি ভাৰতত ঊৰ্ধ্বমুখী হৈছে ক'ভিডৰ সংক্ৰমণ। এনে পৰিস্থিতিত ভাৰত ভ্ৰমণত নিষেধাজ্ঞা আৰোপ কৰিলে ছৌদি আৰবে। কেৱল ভাৰতে নহয়, মুঠ ১৬ খন দেশলৈ যাতায়াতৰ ক্ষেত্ৰত ছৌদি আৰবে নিষেধাজ্ঞা আৰোপ কৰিছে। ভাৰতৰ লগতে এই দেশকেইখন হৈছে লেবানন, ছিৰিয়া, তুৰস্ক, ইৰান, আফগানিস্তান, য়েমেন, ছোমালিয়া, ইথিউপিয়া, কংগো প্ৰজাতন্ত্ৰ, লিবিয়া, ইণ্ডোনেছিয়া, ভিয়েটনাম, আৰ্মেনিয়া, বেলাৰুছ আৰু ভেনিজুৱেলা।

# প্ৰয়োজনীয় শিক্ষক-শিক্ষয়িত্ৰী অবিহনেই গুণোৎসৱ

## ■ কামৰূপৰ পশ্চিম বড়িগোগৰ বিদ্যালয়সমূহত উন্নয়নৰ বিপৰীত ছবি

অগ্ৰদূত বাৰ্তা
**বাহাৰঘাট, ২৩ মে’ ঃ** আজিৰে পৰা কামৰূপ জিলাৰ বিদ্যালয়সমূহত গুণোৎসৱ আৰম্ভ হৈছে। জিলাখনৰ অন্যান্য প্ৰান্তৰ লগতে ৰঙিয়া মহকুমাৰ পশ্চিম বড়িগোগ মৌজাৰ সকলো চৰকাৰী শিক্ষানুষ্ঠানতে গুণোৎসৱৰ আজি পহিলা দিনৰ কাৰ্যসূচী আৰম্ভ হৈছে। শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকল সকলোৰে তৎপৰ। সকলো কামতে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আৰু বিষয়ববীয়াসকলে যৎপৰোনাস্তি সহায় কৰিছে। এক উৎসৱ মুখৰ পৰিৱেশে বিৰাজ কৰিছে বিদ্যালয় চৌহদ। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ নিজৰ আৰ্হি সজায়। শ্ৰেণী আৰু বিষয় অনুযায়ী প্ৰাচীৰ পত্ৰিকা, বিজ্ঞানাগাৰ, পুথিভঁৰাল আনকি মধ্যহ্ন ভোজনৰ বাবে পাচলি বাগানো সুন্দৰকৈ সজাই তুলিছে। কিন্তু দুৰ্ভাগ্যজনক কথা যে বিদ্যালয়সমুহত গুণোৎসৱৰ নিচিনা সংকটময় অৱস্থাতো প্ৰয়োজনীয় শিক্ষকৰ যথেষ্ট অভাৱ হৈ আছে। আনকি বহুতো বিষয়ৰ শিক্ষক অবিহনে গুণোৎসৱ অনুষ্ঠিত কৰে। এই সম্পৰ্কে অভিভাৱকসকলে তেওঁলোকে কয় যে চৰকাৰে গুণোৎসৱ অনুষ্ঠিত কৰি ভালে কৰিছে। এইটোৰ পৰা ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ উত্তৰণত যথেষ্ট সফল হ’ব বুলি আমি ভাবিছো। কিন্তু দুৰ্ভাগ্যজনক কথা যে আমাৰ মৌজাখনৰ প্ৰায়ভাগ বিদ্যালয়তে প্ৰয়োজনীয় শিক্ষক-শিক্ষয়িত্ৰীৰ অভাৱ হৈ আছে। সেইবোৰ অসুবিধা চৰকাৰে শীঘ্ৰে দূৰ নকৰিলে বহুতো ছাত্ৰ-ছাত্ৰীৰ শিক্ষা গ্ৰহণত বিপদত পৰিব। তেওঁলোকে কয় যে একোখন উচ্চ মাধ্যমিক বিদ্যালয়ত পাঁচটা শ্ৰেণীৰ বিপৰীতে মাত্ৰ পাঁচজন শিক্ষক থকা বিদ্যালয় মৌজাখনত আছে। এইবোৰ বিদ্যালয়ৰ শিক্ষকসকলে অকণমান জিৰণিৰো সময় নাপায়। উল্লেখ্য যে উক্ত বিদ্যালয়সমূহৰ ভিতৰত পাত্ৰপুখুৰীপাৰ হাইস্কুলৰ প্ৰধান শিক্ষক নৃপেন দাস, গড়পোট বাপুজী হাইস্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী শশীৰাণী শৰ্মা, সৌৰামুৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক নৰেশ্বৰ কলিতা, পশ্চিম বড়িগোগ দৌলপুখুৰীপাৰ হাইস্কুলৰ প্ৰধান শিক্ষক আব্দুল মুন্নাফ, বাৰাংহাটী উচ্চ বুনিয়াদী বিদ্যালয়ৰ প্ৰধান শিক্ষক নগেন্দ্ৰ নাথ শালৈ আদিয়ে প্ৰয়োজনীয় শিক্ষক নোহোৱাকৈ পাঠদান অব্যাহত ৰখাটো কষ্টকৰ হৈ পৰা বুলি কয়। আৰু এই সম্পৰ্কে বিভাগীয়ভাৱে অৱগত কৰা বুলিও উল্লেখ কৰে। ইয়াৰ উপৰি মৌজাখনৰ অন্তৰ্গত কামপীঠ হাইস্কুল, কামপীঠ এম ই স্কুল, চমুখা আঞ্চলিক মাদ্ৰাছা হাইস্কুল, ধুহিবালা হাইমাদ্ৰাছা, বালিসত্ৰ হাইস্কুল আদিতো প্ৰয়োজনীয় শিক্ষক অবিহনে যথেষ্ট অসুবিধা হৈ থকা বুলি ৰাইজে অভিযোগ কৰিছে।।



*নলবাৰীৰ গৰেমাৰাত পাগলাদিয়া নৈৰ ব্যাপক খহনীয়াত চিন্তিত ৰাইজ, নলবাৰী।*

# ঘগ্ৰাপাৰত জনতাৰ সদন অনুষ্ঠানৰ সামৰণি

অগ্ৰদুত বাৰ্তা
**ঘগ্ৰাপাৰ, ২৩ মে’ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে কালি নলবাৰী বিধায়ক জয়ন্ত মল্ল বৰুৱাই সমষ্টিটোৰ অন্তৰ্গত ঘগ্ৰাপাৰত ‘জনতাৰ সদন’ত অংশগ্ৰহণ কৰে। ঘগ্ৰাপাৰ হৰিমন্দিৰ প্ৰাংগণত পুৱা ১১ বজাত অনুষ্ঠিত জনতাৰ সদন অনুষ্ঠানত বিধায়কজনে ১৩ নম্বৰ ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত ৰাইজে বিগত দিনত চৰকাৰী আঁচনিৰ সুবিধা পোৱা নতুবা বঞ্চিত হৈ অহা ৰাইজৰ স’তে বিধায়কজনে মত-বিনিময় কৰে। বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সম্পাদক মৃগেন শৰ্মাই আঁত ধৰা অনুষ্ঠানত অৰুণোদয়, বৃদ্ধ আৰু বিধৱা পেঞ্চন, অনাময়, প্ৰধানমন্ত্ৰী আৱাস যোজনা, কৃষক সন্মান নিধি, দিব্যাংগ, ৰেছন কাৰ্ড আদিৰ পৰা বঞ্চিত হৈ অহা ৰাইজক পৰ্যায়ক্ৰমে আঁচনিসমূহ প্ৰদান কৰাৰ ব্যৱস্থা কৰা হ’ব বুলি বিধায়কজনে আশ্বাস কৰে। পঞ্চায়তখনৰ তিনি সহস্ৰাধিক ৰাইজে অংশগ্ৰহণ কৰা ‘জনতাৰ সদন’ নামৰ অনুষ্ঠানত সংশ্লিষ্ট বিভাগকেইটাৰ বিষয়া-কৰ্মচাৰীৰ উপৰি ঘগ্ৰাপাৰ ৰাজহ চক্ৰ বিষয়া মনীষা কলিতা, বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ বিষয়া নৰেন্দ্ৰ কুমাৰ তালুকদাৰ, বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱা, নলবাৰী জিলা পৰিষদৰ সভাপতি নিতুল ডেকা, ঘগ্ৰাপাৰ জিলা পৰিষদৰ সদস্য পংকজ ডেকা, ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ সভাপতি ৰাতুল শৰ্মা, কাউন্সিলৰ মনেশ্বৰ ভৰালী আদিয়ে অংশগ্ৰহণ কৰে। উক্ত অনুষ্ঠানতে বিধায়ক উন্নয়ন পুঁজিৰ দ্বাৰা অনুমোদিত দুখন আৰু এম জি এনৰেগাৰ অধীনত ৰূপায়ণ কৰিব লগা দুখন আঁচনিৰ আধাৰশিলা বিধায়কজনে স্থাপন কৰে।

# বিশিষ্ট সংগীত শিল্পী গোবিন্দ কলিতাক সংগীত সূৰ্য সন্মান প্ৰদান

অগ্ৰদুত বাৰ্তা
**ঘগ্ৰাপাৰ, ২৩ মে’ ঃ** নলবাৰীৰ বিশিষ্ট সংগীত শিল্পী তথা কৃতী শিক্ষক গোবিন্দ কলিতাক নৰ্থ-ইষ্ট আৰ্টিষ্টিক টেলেন্ট এৱাৰ্ড ২০২২ৰ ‘সংগীত সূৰ্য’ সন্মান প্ৰদান কৰে। ৰাজ্যৰ অগ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান ‘নৰ্থ-ইষ্ট আৰ্টিষ্টিক টেলেন্ট ক্লাব’ৰ দ্বি-বাৰ্ষিক প্ৰতিষ্ঠা দিৱসত সংগীত, নাটক, লোকসংগীত, বিহু আদিৰ জৰিয়তে সাংস্কৃতিক বৰ পথাৰখন চহকী কৰা লোক শিল্পী গোবিন্দ কলিতাক এই বঁটা প্ৰদান কৰে। কালি গুৱাহাটীৰ পেঞ্চনাৰ ভৱনত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা অনুষ্ঠানৰ বন্তি প্ৰজ্বলন কৰে নৰ্থ-ইষ্ট আৰ্টিষ্টিক টেলেন্ট ক্লাবৰ মুখ্য উপদেষ্টা তথা বিশিষ্ট সাহিত্যিক নঞ্জু দত্তই। অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে দৈনিক বাৰ্তাৰ মুখ্য সম্পাদক শংকৰ গোহাঁই, জনসংযোগ বিভাগৰ উপ-সঞ্চালক পুলিন ডেকা, ক্লাবৰ প্ৰশাসক পিন্টু বৰা আদি বিশিষ্ট ব্যক্তিসকল। অনুষ্ঠানত অতিথিৰূপে উপস্থিত থাকে আৰোহণ ফাউণ্ডেছনৰ পৰিচালন সঞ্চালক ড° সীমা বৰা আৰু টেলেন্ট ক্লাবৰ উপদেষ্টা ৰুবী শইকীয়া। অনুষ্ঠানত ‘নক্ষত্ৰ’ নামৰ স্মৃতিগ্ৰন্থখন উন্মোচন কৰে জ্যেষ্ঠ সাংবাদিক চক্ৰপাণি পৰাশৰে। বিয়লি সম্বৰ্ধনা আৰু বঁটা বিতৰণী সভাত উপস্থিত থাকে ‘দৈনিক অগ্ৰদূত’ কাকতৰ জ্যেষ্ঠ সাংবাদিক অৰূপজ্যোতি মহন্ত। বঁটা বিতৰণী অনুষ্ঠানত বৰগীত পৰিৱেশন কৰে ৰুবী শইকীয়াই। আনহাতে, লোকগীত সম্ৰাট ৰামেশ্বৰ পাঠকৰ কালজয়ী লোকগীত ‘যমুনাৰ বালিতে কানাই বহি আছে’ গীতটো অতি সাৱলীলভাৱে পৰিবেশন কৰে ‘সুন্দৰ সাধনা’ বঁটা প্ৰাপক শিল্পী গোবিন্দ কলিতাই। বাদ্য শিল্পীসকল ক্ৰমে ভুধৰ হালৈ, ভবেশ চন্দ্ৰ হালৈ, মৃদুল হালৈ, কমল দাস আৰু ধৰণীধৰ কলিতা। অনুষ্ঠানত ঢোলৰ ওজা সোমনাথ বৰাক সম্বৰ্ধনা জনোৱাৰ উপৰি নৰ্থ-ইষ্ট আৰ্টিষ্টিক টেলেন্ট ক্লাবৰ সমূহ বিষয়ববীয়াকে সম্বৰ্ধনা জ্ঞাপন কৰে।

# চিৰাঙত চি আৰ পি এফৰ সন্ত্ৰাসবাদ বিৰোধী দিৱস উদ্‌যাপন

অগ্ৰদূত ব্যুৰ’
**বঙাইগাঁও, ২৩ মে’ ঃ** বঙাইগাওঁ চহৰৰ নিকটৱৰ্তী তথা চিৰাং জিলাৰ ঢালিগাঁও কুকুৰমাৰীস্থিত চি আৰ পি এফৰ ১৫৬ নম্বৰ বেটেলিয়নৰ মুখ্য কাৰ্যালয়ত পৰহি সন্ত্ৰাসবাদ বিৰোধী দিৱস পালন কৰা হয়। উল্লেখ্য যে বিগত ১৯৯১ৰ ২১ মে’ত তামিলনাডুৰ শ্ৰীপেৰুম্বুদুৰত এক ৰেলীত আত্মঘাতী বোমাৰুৰ আক্ৰমণত অৰ্থাৎ লিবাৰেচন টাইগাৰ্ছ অৱ তামিল ইলম ‘এলটিটিই’ৰ কেডাৰে প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীক হত্যা কৰিছিল আৰু তেতিয়াৰ পৰা আজিৰ দিনটোক সন্ত্ৰাসবাদ বিৰোধী দিৱস পালন কৰা হয়। চি আৰ পি এফ বাহিনীয়ে জনসাধাৰণৰ মাজত শান্তি, মানৱতা, ঐক্য আৰু সম্প্ৰীতিৰ বাৰ্তা প্ৰচাৰ কৰা আৰু তেওঁলোকক সন্ত্ৰাসবাদ বিৰোধী কাৰ্যকলাপৰ বিষয়ে সজাগ কৰা উদ্দেশ্যৰে দেশত ‘সন্ত্ৰাসবাদ বিৰোধী দিৱস’ পালন কৰা হয়। চিৰাং জিলাৰ কুকুৰমাৰীস্থিত চি আৰ পি এফৰ ১৫৬ নম্বৰ বেটেলিয়নৰ কমাণ্ডেণ্ট ওম প্ৰকাশ টোকাছে সন্ত্ৰাসবাদ বিৰোধী দিৱস উপলক্ষে সকলো বিষয়া- কৰ্মচাৰীক সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজত জয়ী হ’বলৈ আৰু সমাজৰ পৰা নিৰ্মূল কৰিবলৈ সকলো প্ৰচেষ্টা কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰা হয়। তেওঁ বাহিনীৰ সকলো বিষয়া-জোৱানলৈ সন্ত্ৰাসবাদ ৰোধৰ বাবে শপত বাক্য পাঠ কৰোৱায়।

# শ্ৰীমন্ত শংকৰদেৱ সংঘৰ জাগৰণ সভা

অগ্ৰদূত বাৰ্তা
**লাহদৈগড়, ২৩ মে’ ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ অন্তৰ্গত ১৬খন আঞ্চলিক শাখা নকছাৰী, লাহিং, ৰমাকান্ত মুক্তি আতা, টীয়ক, হোলোঙাপাৰ, মেলেং, হাতীগড়, চাৰিগাঁও, মধ্য যোৰহাট, উত্তৰ-পশ্চিম যোৰহাট, পশ্চিম যোৰহাট, পূব যোৰহাট, ন-আলি, বলমা, দক্ষিণ যোৰহাট, চেলেং আদি আঞ্চলিক শাখাসমূহত শিশু, আই-মাতৃ কল্যাণ সমিতি, সেৱা বাহিনী, সাহিত্য শাখা, সংস্কৃতি শাখা, প্ৰচাৰ শাখা ঐক্যবদ্ধভাৱে জাগৰণ সভা অনুষ্ঠিত কৰি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মানৱ জাতিৰ কল্যাণৰ বাবে ৰূপায়ণ কৰা আঁচনিসমূহ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ থ্ৰীফ্ট এণ্ড ক্ৰেডিট কো অপাৰেটিভ ছ’চাইটি, ৰক্তদান কোষ, সেৱা বাহিনীৰ উদ্যোগত গঢ় লৈ উঠা সুবাস ধূপ কাঠিৰ উদ্যোগ, মাছৰুম উদ্যোগ ইত্যাদি বিভিন্ন বিষয়ৰ কথা জনসাধাৰণক অৱগত কৰা আৰু ২০২৫ত যোৰহাট জিলাত অনুষ্ঠিত হ’ব লগা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক মূলৰ অধিবেশনৰ বাবে সংগীসকলক ভকত সেৱাৰ কাৰণে প্ৰস্তুতি চলাই যোৱাৰ এক সুপৰিকল্পিত আঁচনি প্ৰস্তুত কৰিবলৈ বাপ, আই-মাতৃ, সেৱক-সেৱিকাসকলক আহ্বান জনাইছে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ সভাপতি মুকুল গগৈ আৰু ভাৰপ্ৰাপ্ত সম্পাদক দ্বীজেন শইকীয়াই ইতিমধ্যে জাগৰণ সভা অনুষ্ঠিত কৰা আঞ্চলিক শাখাসমূহত জাগৰণ সভা সফল কৰি তোলাত ভকত বৈষ্ণৱ অকুণ্ঠৰ সঁহাৰি আগবঢ়াই যোৱাত কৃতজ্ঞতা জ্ঞাপন কৰিছে।

# ঘগ্ৰাপাৰত মীনপালকক লৈ সমবায় সমিতি গঠন সন্দৰ্ভত বৈঠক

অগ্ৰদুত বাৰ্তা
**ঘগ্ৰাপাৰ, ২৩ মে’ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত হৰিমন্দিৰ প্ৰাংগণত আজি পুৱা ১১ মান বজাত ঘগ্ৰাপাৰ অঞ্চলটোৰ ভালেসংখ্যক ‘মীনপালক’ক লৈ এখন ‘সমবায় সমিতি’ গঠন সন্দৰ্ভত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱাই অংশগ্ৰহণ কৰি নিজ ভাষণত কয় যে নলবাৰী বিধায়ক জয়ন্ত মল্ল বৰুৱাই মীনপালকসকলক লৈ এক পৰিকল্পনা কৰিছে। তেওঁলোক কিদৰে অধিক স্বাৱলম্বী হোৱাৰ লগতে এখন বজাৰ দখল কৰিব পাৰে তাক লৈ চিন্তা কৰিছে। নেতাজনে পুনৰ কয় যে নলবাৰী সমষ্টিৰ সমূহ অঞ্চলক সামৰি আগন্তুক দিনত মীনপালকসকলক লৈ এখন সমবায় সমিতি গঠন কৰা হ’ব বুলিও সদৰী কৰে । যাৰ জৰিয়তে অনাগত দিনত পৰিকল্পিতভাৱে মৎস্য মীনপালক ব্যৱসায়ৰ লগতে সংগঠিত ৰূপত এখন বজাৰ নিৰ্মাণৰ জৰিয়তে যুৱক-যুৱতীসকলে স্বনিৰ্ভৰ দিশেৰে আগবাঢ়ি যাব পাৰিব আশা প্ৰকাশ কৰে। উক্ত বৈঠকত উপস্থিত থাকে ক্ৰমে নলবাৰী জিলাৰ সমবায় সমিতিৰ পঞ্জীয়ন বিভাগৰ উপ- পঞ্জীয়ক আব্দুল লতিফ, মীন উন্নয়ন বিষয়া শচীন্দ্ৰ দাসৰ লগতে বিভাগীয় বিষয়াসকলৰ উপৰি অঞ্চলটোৰ শতাধিক মীনপালকে অংশগ্ৰহণ কৰে। সভাখনৰ আঁত ধৰে বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সাধাৰণ সম্পাদক মনোজ ডেকাই। পিছে আগন্তুক দিনত কিমান প্ৰকৃত মীনপালকক সামৰি লয় সেয়া লক্ষ্যণীয় বিষয় হ’ব।

# কলিতাপাৰা হাইস্কুলৰ ৰূপালী জয়ন্তী বৰ্ষৰ আৰম্ভণি

অগ্ৰদূত বাৰ্তা
**দুমুনিচকী, ২৩ মে’ ঃ** দৰং জিলাৰ ছিপাঝাৰ শিক্ষাখণ্ডৰ অন্তৰ্গত নিজকুঁৱৰী মণ্ডল সমল কেন্দ্ৰৰ অধীনস্থ কলিতাপাৰা হাইস্কুলৰ ৰূপালী জয়ন্তী বৰ্ষৰ আৰম্ভণি অনুষ্ঠান যোৱা ১৯ মে’ত অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি, পুৱা বিদ্যালয়ৰ পতাকা উত্তোলন কৰে প্ৰধান শিক্ষক জীৱন চন্দ্ৰ নাথে। ৰূপালী জয়ন্তীৰ পতাকা উত্তোলন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক তথা ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি ধৰ্মকান্ত ডেকাই। স্মৃতি তৰ্পণ কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি কেশৱ চন্দ্ৰ ডেকাই। ইয়াৰ পাছতে বিদ্যালয়ৰ শিক্ষকসকলৰ পৰিচালনাত উলিওৱা এক বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা মুকলি কৰে স্থানীয় বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে। অনুষ্ঠানত দৰং জিলাৰ অতিৰিক্ত উপায়ুক্ত তথা বিদ্যালয়সমূহৰ পৰিদৰ্শক ৰিণি হাজৰিকা, নিজকুঁৱৰী মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক জ্যোতিপ্ৰসাদ ভট্টৰায়ৰ উপৰি বিদ্যালয়খনৰ কে’বাগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক আৰু ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকে । অৱসৰপ্ৰাপ্ত শিক্ষক মতিৰাম ডেকাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত পৰিৱেশিত সংগীত শিক্ষক যোগেশ ডেকা ৰচিত ‘স্বাগতম স্বাগতম’ শীৰ্ষক উদ্বোধনী সমবেত সংগীতটোৱে উপস্থিত সকলোকে মুগ্ধ কৰে। বিশিষ্ট বক্তাৰ আসনৰ পৰা সমন্বয়ক জ্যোতিপ্ৰসাদ ভট্টৰায়ে ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু শিক্ষকৰ দায়িত্ব সম্পৰ্কে বক্তব্য প্ৰদান কৰে । ৰাইজৰ সহযোগ আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ সামগ্ৰিক পৰিচালনাত অনুষ্ঠানটো সফলভাৱে সম্পন্ন হয় ।

# ডিব্ৰুগড়ত মটক সন্মিলনৰ নৱম দ্বিবাৰ্ষিক অধিবেশনৰ আয়োজন

বিশেষ সংবাদদাতা
**ডিব্ৰুগড়, ২৩ মে’ ঃ** সদৌ অসম মটক সন্মিলনৰ ডিব্ৰুগড় জিলা সমিতিৰ নৱম দ্বি-বাৰ্ষিক অধিবেশনখনি অহা ১১ আৰু ১২ জুনত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ’ব । এই উপলক্ষে ডিব্ৰুগড় সদৰ মটক সন্মিলনৰ উদ্যোগত, বাণীপুৰ শাখা মটক সন্মিলনৰ সহযোগত আৰু বৃহত্তৰ বাণীপুৰবাসী ৰাইজৰ আতিথ্যত বাণীপুৰ ৰাজহুৱা খেলপথাৰ আৰু মটক ভৱনত অনুষ্ঠিত হ’ব। সদৌ আসম মটক যুৱ ছাত্ৰ সন্মিলনৰ কাৰ্যলয়ত আজি এক সংবাদমেলযোগে উদ্যোক্তা তথা বিষয়ববীয়াযসকলে প্ৰস্তুতি সন্দৰ্ভত অৱগত কৰে। ১০ লাখ টকা ব্যয়সাপেক্ষে অনুষ্ঠিতব্য হ’বলগীয়া অধিবেশনখনিত দুই লক্ষাধিক লোকৰ সমাগম হ’ব। ব্ৰিটিছৰ দিনতেই ১৯৩৯ত মটক ইতিহাস প্ৰসিদ্ধ তিনিচুকীয়া চহৰত জন্ম লাভ কৰা মটক জনগোষ্ঠীৰ অন্যতম সংগঠন সদৌ অসম মটক সন্মিলনে জনগোষ্ঠীটোৰ সামগ্ৰিক উন্নয়নৰ হেতু ধাৰাবাহিকভাৱে সংগ্ৰাম অব্যাহত ৰাখিছে। সদৌ অসম মটক সন্মিলনৰ ডিব্ৰুগড় জিলা সমিতিৰ নৱম দ্বি-বাৰ্ষিক অধিবেশনত মটক জনগোষ্ঠীৰ জনজাতিকৰণৰ দীৰ্ঘদিনীয়া দাবী, পূৰ্ণ স্বায়ত্ত শাসিত পৰিষদ প্ৰদানকে ধৰি বিভিন্ন সমস্যা সন্দৰ্ভত আলোচনা কৰা হ’ব বুলি সদৰী কৰিছে উদ্যোক্তা সমিতিয়ে। উক্ত সংবাদ মেলত উদ্‌যাপন সমিতিৰ সম্পাদক লোকেন মহন, কাৰ্যকৰী সভাপতি বেদান্ত গগৈ, মটক যুৱছাত্ৰ সন্মিলনৰ কেন্দ্ৰীয় সভাপতি ৰঞ্জিত গোহাঁই আদি উপস্থিত থাকে।

# আলহাজ ইমদাদুৰ ৰহমানৰ দেহাৱসান

অগ্ৰদুত বাৰ্তা
**নামতি, ২৩ মে’ ঃ** শিৱসাগৰ জিলাৰ চামগুৰি গাঁৱৰ নিবাসী, সমাজ হিতৈষী, ধৰ্মপৰায়ণ ব্যক্তি, প্ৰাপ্তবয়স্ক শিক্ষা বিভাগৰ অৱসৰপ্ৰাপ্ত পৰ্যৱেক্ষক আলহাজ ইমদাদুৰ ৰহমান ২১ মে’ৰ সন্ধিয়া ৬-১৫ বজাত অসম মেডিকেল কলেজ হস্পতালত হৃদৰোগত ভুগি পৰলোকপ্ৰাপ্তি ঘটে। ১৯৫৪ত জন্ম গ্ৰহণ কৰা আৰু ২০১৪ত অৱসৰ গ্ৰহণ কৰা ৰহমানে জীৱিত কালত চামগুৰি আৰু ইয়াৰ আশে-পাশে অৱস্থিত অঞ্চলবোৰৰ উন্নয়নৰ হকে অহোপুৰূষাৰ্থ কৰিছিল। ইয়াৰ উপৰি ৰহমানে বিদেশী বহিষ্কৰণৰ দাবীত চলা অসম আন্দোলনত অগ্ৰভাগ লৈ প্ৰভুত বৰঙণি আগবঢ়াইছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৮ বছৰ। ৰহমানে সৰববহী ভ্ৰাতৃ আচিকুৰ ৰহমানসহ পত্নী আৰু এগৰাকী কন্যা সংসাৰত এৰি গৈছে। জনপ্ৰিয় ব্যক্তিজনৰ মৃত্যুত অঞ্চলটোৰ কেইবাটাও অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে।

# ইউচুফ আলীলৈ আৰোহণ উদ্যোগীক সমন্বয় বঁটা

অগ্ৰদূত বাৰ্তা
**দুমুনিচকী, ২৩ মে’ ঃ** অসমৰ আগশাৰীৰ সাহিত্য-সাংস্কৃতিক-সামাজিক বেচৰকাৰী অনুষ্ঠান আৰোহণ আৰ্টিষ্ট গীল্ডৰ উদ্যোগত যোৱা বছৰবোৰৰ দৰে এইবাৰো উচ্চতম বাৰ্ষিক ব’হাগ সামৰণি আৰু অসমীয়া জাতীয় সাংস্কৃতিক সমাৰোহৰ লগতে ‘আৰোহণ বঁটা’ প্ৰদান অনুষ্ঠান অনুষ্ঠিত হৈ যায়। গুৱাহাটী কুমাৰ ভাস্কৰ নাট্য মন্দিৰ প্ৰেক্ষাগৃহত যোৱা ১৫ মেত অনুষ্ঠিত উক্ত অনুষ্ঠানতে কামৰূপ জিলাৰ গোগ গাঁৱৰ বিশিষ্ট সমাজকৰ্মী ইউচুফ আলীক ২০২২ৰ ৰাজ্যৰ সন্মানজনক ‘আৰোহণ উদ্যোগীক সমন্বয় বঁটা’ প্ৰদান কৰা হয়। উল্লেখ্য যে বিশিষ্ট ব্যৱসায়ী আলীয়ে নিজ গাঁও গোগৰ লগতে তেওঁৰ ব্যৱসায়স্থলী চাংসাৰি-বোৰ্কা অঞ্চলৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে।

# ড° কল্পনা বৈশ্যলৈ বিশিষ্ট সাংবাদিক ৰোহিনী মেধি সোঁৱৰণী বঁটা

অগ্ৰদুত বাৰ্তা
**ঘগ্ৰাপাৰ, ২৩ মে’ ঃ** সদৌ অসম সাংবাদিক সন্থা (আজু) আৰু নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সাংবাদিক, সাহিত্যিক, সমাজকৰ্মী, সমাজ সংগঠক প্ৰয়াত ৰোহিনী মেধিৰ স্মৃতিত বাসনা সাহিত্য গোষ্ঠীয়ে প্ৰতিবছৰে প্ৰদান কৰি অহা ‘ৰোহিনী মেধি সোঁৱৰণী বঁটা-২০২২’ বৰ্ষৰ বাবে সৰুপেটাৰ বিএইছবি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপিকা ড° কল্পনা বৈশ্যক ‘অসমৰ জনগোষ্ঠীয় লোক উৎসৱ’ নামৰ মৌলিক গ্ৰন্থখনৰ বাবে নিৰ্বাচিত কৰা হৈছে । অহা ছয় জুনত প্ৰয়াত ৰোহিনী মেধিৰ সপ্তম মৃত্যুবাৰ্ষিকী তিথিত গুৱাহাটী প্ৰেছ ক্লাবত এই বঁটাটো প্ৰদান কৰা হ’ব বুলি বাসনা সাহিত্য গোষ্ঠীৰ সভাপতি নিপজ্যোতি মেধি আৰু সম্পাদক দেৱী প্ৰসাদ অধিকাৰীয়ে এক বিবৃতিত উল্লেখ কৰে।

# মৰমলেণ্ড-ডেমক্ৰেচি লাইভৰ উদ্যোগত ভৱানীপুৰত কৰ্মশালা

অগ্ৰদূত বাৰ্তা
**সৰুপেটা, ২৩ মে’ ঃ** ৰাজ্যৰ ভিন্ন প্ৰান্তত বৌদ্ধিক জাগৰণৰ সৃষ্টি কৰি প্ৰতিটো অঞ্চলৰ শিল্পী-সাহিত্যিকসকলক চিনাক্ত কৰি বহিঃবিশ্বলৈ উলিয়াই নিয়াৰ প্ৰয়াসেৰে বিশেষ পদক্ষেপ হাতত লৈছে অসমৰ এটি ছপা-ডিজিটেল অনুষ্ঠান মৰমলেণ্ড আৰু ডেমক্ৰেচি লাইভৰ স্বত্বাধিকাৰী মৰম কুমাৰে। মৰম কুমাৰে স্থানীয় সূৰুযমুখী বাৰেৰহণীয়া সাংস্কৃতিক গোষ্ঠীৰ সহযোগত ভৱানীপুৰৰ শংকৰদেৱ শিশু নিকেতন প্ৰাংগণত এদিনীয়া সত্ৰীয় নৃত্য প্ৰশিক্ষণৰ কৰ্মশালা অনুষ্ঠিত কৰে। এই কৰ্মশালাখনত অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীয়ে প্ৰশিক্ষণ লয়। কৰ্মশালাত প্ৰশিক্ষকৰূপে উপস্থিত থাকে সত্ৰীয়া শিল্পী গিৰীন্দ্ৰ পাটগিৰী আৰু ৰিপুঞ্জয় চৌধুৰীয়ে। উল্লেখ্য যে, অহা ২৯ মে’ত ভৱানীপুৰ সত্ৰত ডেমক্ৰেচি লাইভ, পি নিউজৰ উদ্যোগত আৰু সূৰুযমুখী বাৰেৰহণীয়া সাংস্কৃতিক গোষ্ঠীৰ সহযোগত দিনজোৰা কাৰ্যক্ৰমণিকাৰে ‘বিশেষ বৌদ্ধিক জাগৰণ কাৰ্যসূচী’ ৰূপায়ণ কৰা হব্ব। এই উপলক্ষে ধ্ৰুৱজ্যোতি ডেকাক সভাপতি, পুলক বৈশ্যক কাৰ্যকৰী সভাপতি, ছবিৰঞ্জন মেধিক মুখ্য সম্পাদক, অসীম মেধি, সঞ্জীৱ সাগৰ দাস আৰু হেমাংগ তালুকদাৰক সম্পাদকৰূপে লৈ এখন আয়োজক সমিতিও গঠন কৰা হৈছে। আয়োজক সমিতিয়ে জনোৱা মতে, কাৰ্যক্ৰমণিকা অনুযায়ী ২৯ মে’ৰ পুৱা আঠ বজাত নাম-প্ৰসংগ, পুৱা ন বজাত গছপুলি ৰোপণ, পুৱা ৯-৩০ বজাত গ্ৰন্থ সমদল, পুৱা ১০ বজাত বিশেষ বৌদ্ধিক জাগৰণ কাৰ্যসূচী মুকলি, পুৱা ১০-৩০ বজাত বিশেষ সম্বৰ্ধনা অনুষ্ঠান, পুৱা ১১ বজাত বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান, দুপৰীয়া ১২ বজাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু গ্ৰন্থৰ প্ৰয়োজনীয়তাৰ ওপৰত বক্তৃতানুষ্ঠান, আবেলি তিনি বজাত অন্তৰংগ আলাপ, সন্ধিয়া পাঁচ বজাত নাম-প্ৰসংগ, সন্ধিয়া ছয় বজাত বন্তি প্ৰজ্বলন। উক্ত দিনসমূহ কাৰ্যসূচীতে ৰাইজৰ উপস্থিতি কামনা কৰিছে আয়োজক সমিতিয়ে।

# বিশ্ব পৰিৱেশ দিৱস উপলক্ষে ৰাজ্যিক ভিত্তিত প্ৰতিযোগিতাৰ আয়োজন

অগ্ৰদূত বাৰ্তা
**চিনামৰা, ২২ মে’ ঃ** পৰিৱেশ সংৰক্ষণ সমিতি আৰু যোৰহাট নাৰ্ছাৰীৰ উদ্যোগত চিনামৰা জাতীয় বিদ্যালয়ৰ সহযোগত অহা পাঁচ জুনত বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপনৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। এই উপলক্ষে ছাত্ৰ-ছাত্ৰসকলৰ মাজত সদৌ অসম ভিত্তিক প্ৰবন্ধ প্ৰতিযোগিতা আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰিছে। আয়োজক সমিতিৰ হৈ পৰিৱেশ সংৰক্ষণ সমিতিৰ সভআপতি সূৰ্যমোহন দাস আৰু সম্পাদক বুধিন দত্তই এক বিবৃতিত উল্লেখ কৰা মতে, বৰ্তমান পৰিস্থিতিত পৰিৱেশ সংৰক্ষণৰ গুৰুত্ব অধিক বৃদ্ধি পাইছে, এই ক্ষেত্ৰত ভৱিষ্যৎ প্ৰজন্মক অধিক সজাগ আৰু সচেতন কৰা প্ৰয়োজন হৈছে। ইয়াৰ বাবেই পাঁচ জুন, বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি দুটা শাখাত ‘অনলাইন’ প্ৰৱন্ধ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ‘ক’ শাখআৰ অষ্টমৰ পৰা দশম শ্ৰেণীলৈ বিষয় ‘পৰিৱেশ সংৰক্ষণ দিৱস আৰু ই?ৰ গুৰুত্ব’, ‘খ’ শাখা একাদশ শ্ৰেণীৰ পৰা স্নাতক চূড়ান্ত ষাণ্মাষিকলৈ বিষয় ‘পৰিৱেশ সংৰক্ষণ, বিশ্ব সম্প্ৰদায়ে লোৱা পদক্ষেপ আৰু মানৱ জাতিৰ ভৱিষ্যৎ’ বিষয়ত অনুষ্ঠিত হ’ব। প্ৰৱন্ধসমূহ অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাতে পঠাব পাৰিব। ‘ক’ শাখাৰ শব্দৰ সংখ্যা নশ পৰা এহেজাৰ ভিতৰত আৰু ‘খ’ শাখাৰ প্ৰৱন্ধৰ শব্দৰ সংখ্যা ১৫০০ৰ ভিতৰত হ’ব লাগিব। অহা ৩১ মে’ৰ দিনৰ দুই বজাৰ ভিতৰত প্ৰৱন্ধসমূহ jorhatnurderycinn@gmail.com মেইলযোগে পঠাব লাগিব। প্ৰৱন্ধ প্ৰতিযোগিতাৰ দুয়োটা শাখাৰে বিজয়ীসকলক প্ৰথম তিনিহেজাৰ, দ্বিতীয় দুহেজাৰ আৰু তৃতীয় এহেজাৰ টকাৰ নগদ ধন আৰু মানপত্ৰৰে পুৰস্কৃত কৰা হ’ব। আনহাতে পাঁচ জুনৰ দিনা পুৱা ন বজাৰ পৰা চিনামৰা জাতীয় বিদ্যালয়ত থলীতে অংকন কৰা যোৰহাট জিলা ভিত্তিত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ’ব। প্ৰাক্-প্ৰাথমিকৰ পৰা তৃতীয় শ্ৰেণীলৈ আৰু চতুৰ্থ শ্ৰেণীৰ পৰা সপ্তাম শ্ৰেণীলৈ দুটা শাখাত আয়োজন কৰা চিত্ৰাংকন প্ৰতিযোগিতা বিজয়ীসকলক নগদ ধন, কিতাপৰ টোপোলা আৰু মানপত্ৰৰে পুৰস্কৃত কৰা হ’ব। ইচ্ছুকসকলে এই সম্পৰ্কত ৮০১১৭৬১৭২৫, ৬০০৩৩৮৫৬৬৩, ৯৫৩১১৪৫৫০২ আৰু ৬০০৭৫৪৩১৭ ফোন নম্বৰত যোগোযোগ কৰিব পাৰিব। পাঁচ জুনৰ দিনা দিনৰ ১২ বজাৰ পৰা বিশিষ্ট পৰিৱেশ বিজ্ঞানীৰ অংশগ্ৰহণেৰে এখন মনোজ্ঞ আলোচনা চক্ৰ অনুষ্ঠিত হ’ব। ইয়াতেই বিজয়ীসকলক পুৰস্কাৰ বিতৰণ কৰা হ’ব।

# কাংসপাৰ বৰঠাই সত্ৰত মহাপালনামত ভাস্কৰ্য শিল্পীক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা
**চিনামৰা, ২৩ মে’ ঃ** ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীকাংসপাৰ বৰঠাই সত্ৰৰ তিতাবৰ মাজগাঁও সংহিত সত্ৰৰ নামঘৰত যোৱা ২২ মে’ত সত্ৰৰ পৰম্পৰা মতে, মহাপ্ৰয়োভৰে সত্ৰবাসীৰ উদ্যোগত এদিনীয়া কাৰ্যসূচীৰে পালনাম উদ্‌যাপন কৰে। তদুপলক্ষে পুৱা প্ৰসংগৰ পাছতেই ক্ৰমে টীয়ক কঁহাৰ গাঁও, বকতা নেমুগুৰি, নামতি, যোৰহাট কলিয়নি, ন-আলি ঢেকিয়াজুলি, তিতাবৰ আদিকে বিভিন্ন প্ৰান্তৰ শিষ্য প্ৰশিক্ষণ, ভক্ত বৈষ্ণৱ, আইসকলে অংশগ্ৰহণ কৰা মহাপালনামত সত্ৰাধিকাৰ ঈশ্বৰকান্ত দেৱ মহন্তৰ পৰিচালনাত নাম-প্ৰসংগ অনুষ্ঠিত হয়। ইয়াৰ পাছতেই সত্ৰৰ সেৱক ৰাজেন্দ্ৰ নাথ শইকীয়া, সুৰেশ শইকীয়াৰ পৰিচালনাত পাল নামৰ পাঠ সম্পন্ন হয়। সত্ৰৰ ডেকা অধিকাৰ ইন্দ্ৰকান্ত মহন্তই অংশগ্ৰহণ কৰা অনুষ্ঠানত সত্ৰৰ শিষ্য তথা ভাস্কৰ্য শিল্পী তৰুণ দত্তই সত্ৰলৈ জয়-বিজয় মূৰ্তি আগবঢ়োৱাত পালনাম পৰিচালনা সমিতিৰ সভাপতি, সত্ৰাধিকাৰ ঈশ্বৰ কান্তদেৱ মহন্ত, সম্পাদক দীপাংকৰ বৰুৱাই সত্ৰৰ হৈ ভাস্কৰ্য শিল্পীজনক চেলেং, গামোচাৰে উষ্ম সম্বৰ্ধনা জনায়। নিশালৈ স্থানীয় শিল্পী বৃন্দৰ দ্বাৰা ‘নৃসিংহ অৱতাৰ’ ভাওনা পৰিৱেশনেৰে অনুষ্ঠাৰ সামৰণি পৰে।



*ঘগ্ৰাপাৰত ডেংগু জ্বৰৰ সজাগতা সভা, সোমবাৰে।*

# বৰছলাত বানে ছিঙা পথ মেৰামতি কৰিলে ৰাইজে

ষ্টাফ ৰিপ’ৰ্টাৰ
**তেজপুৰ, ২৩ মে’ ঃ** ব্ৰহ্মপুত্ৰৰ সংহাৰী বানে শোণিতপুৰৰ বৰছলা বিধানসভা সমষ্টিৰ অন্তৰ্গত বিহগুৰিৰ ১৫ নম্বৰ ঘাইপথৰ পৰা জাৰনি আৰু তিনিখৰীয়া সংযোগী পথৰ এছোৱা খহাই নিয়াত যাতায়াত সম্পুৰ্ণৰূপে বন্ধ হৈ পৰাৰ বিপৰীতে যোৱা প্ৰায় এসপ্তাহে এই অংশৰ মেৰামতি নোহোৱাত জাৰনি, তিনিখৰীয়াৰ ৰাইজৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হয়। বিশেষকৈ ছাত্ৰ-ছাত্ৰী, স্থানীয় পাচলি বিক্ৰেতা আৰু কৃষকসকল এই পথেদি অহা-যোৱা কৰাৰ ক্ষেত্ৰত ব্যাপক সমস্যাৰ সন্মুখীন হয়। নাৱৰ বাহিৰে ৰাইজৰ যাতায়াতৰ ক্ষেত্ৰত আন একো বিকল্প নোহোৱা হৈ পৰে। উল্লেখ্য যে ব্ৰহ্মপুত্ৰৰ বানে প্ৰতিবছৰে এই পথছোৱাৰ একাধিক অংশ খহাই নিয়াটো এক নিয়মত পৰিণত হৈছে। কিন্তু চৰকাৰে আজিলৈকে এই গুৰুত্বপুৰ্ণ পথটো যাতায়াতৰ বাবে উপযুক্তভাৱে নিৰ্মাণৰ কাৰণে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। অৱশেষত উপায়হীন হৈ আজি ৰাইজে পথৰ দুয়োকাষে মাটি পেলাই পথছোৱা মেৰামতি কৰে যাতে যেনে-তেনে মটৰচাইকেল আৰু চাইকেলৰে যাতায়াত কৰিব পাৰি। আজি পুৱা স্থানীয় লোকসকলে হাতে হাতে কোৰ লৈ পথছোৱা মেৰামতি কৰাত নামি পৰে। ক্ষোভিত ৰাইজে অতি শীঘ্ৰে পথটো উপযুক্তভাৱে মেৰামতি কৰিবৰ বাবে চৰকাৰ-প্ৰশাসনক দাবী জনাইছে। ইপিনে, কৃষি আৰু পশুপালনৰে অধিকাংশ লোকে জীৱন নিৰ্বাহ কৰা জাৰনি আৰু তিনিখৰীয়া অঞ্চলত সম্প্ৰতি ব্ৰহ্মপুত্ৰৰ খহনীয়া অব্যাহত থকাত



ৰাইজ শংকিত হৈ পৰিছে আৰু এই ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ জলসম্পদ বিভাগক দাবী জনাইছে।



# সুৰা-জুৱাৰ ঘাটিলৈ পৰ্যবসিত দক্ষিণ যোৰহাট

## ■ চিনামৰা-মৰিয়নি-লিচুবাৰী-তিতাবৰত নিৰ্বিবাদে চলিছে সুৰাৰ ভাটি-জুৱাৰ আড্ডা

**অগ্রদূত বার্তা**

**চিনামৰা ২৩ মে' ঃ** সমগ্ৰ দক্ষিণ যোৰহাট অঞ্চলৰ বিভিন্ন স্থানত অবাধ গতিত চলিছে সুৰা-জুৱাৰ অবৈধ বেহা। চিনামৰা, মৰিয়নি, লিচুবাৰী আৰু তিতাবৰ আৰক্ষী চকীৰ অন্তৰ্গত অঞ্চলসমূহত মৃত্যুদূতৰূপী চুলাইৰ ভাটি চলি থকাৰ লগতে সম্প্ৰতি আইপিএলক কেন্দ্ৰ কৰি মুকলিকৈয়ে চলি থকা জুৱাত পৰি বহুলোক সৰ্বস্বান্ত হ'বলগীয়া হোৱাৰ গুৰুতৰ ৰাজহুৱা অভিযোগ উঠিছে। চিনামৰা আৰক্ষী চকীৰ অন্তৰ্গত কৰণ্ডা ঢেকিয়াজুলি, মূৰমুৰীয়া, বাঘধৰা, অ'এনজিচিৰ সমীপত আৰক্ষীৰ চকুৰ আগতে সুৰাৰ ঘাটি চলি থকাৰ অভিযোগ উত্থাপিত হোৱাৰ লগতে ধোৱাফন্দিয়া, মাজ গাঁও, কেবাং, চৰ্দাৰ আলিৰ বিভিন্ন স্থানত চুলাই প্ৰস্তুত কৰা ভাটি চলি থকা বুলিও ৰাইজে জনাইছে। এই অঞ্চলবোৰৰ পৰাই জিলাখনৰ বহু স্থানলৈ চুলাইৰ সৰবৰাহ হৈ আহিছে। ইফালে, মৰিয়নি থানাৰ অন্তৰ্গত গজপুৰীয়া, কাটনীপাৰ, গজপুৰীয়া, লোজনীয়া, মাউতৰ চুক আদিত ঘাটিৰ সমান্তৰালকৈয়ে চলিছে ভাটিৰ বেহা। লিচুবাৰী আৰক্ষী চকীৰ অন্তৰ্গত কুঁৱৰী পুখুৰী, গাহৰি চুক, চেতীয়া, জামুগুৰীৰ বিভিন্ন অঞ্চলবোৰৰ লগতে তিতাবৰ আৰক্ষী চকীৰ অন্তৰ্গত ৰঙাজান আৰু গড়গুৰি হৈ পৰিছে জিলাখনৰ চুলাই প্ৰস্তুত কৰাৰ বিশেষ স্থান। বিগত ক'ভিড পৰিস্থিতিৰ মাজতে গড়গুৰিৰ পৰা কে'বাজনো সুৰাৰ প্ৰস্তুতকাৰীক জিলা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেললৈ পঠিয়াইছিল। কিন্তু মুকলি হৈ আহি তেওঁলোকে পূৰ্বতকৈও অধিক হাৰত চুলাই প্ৰস্তুত কৰি আছে বুলি অভিযোগ কৰিছে। ইফালে, উল্লেখিত অঞ্চলসমূহত আইপিএলক কেন্দ্ৰ কৰি অবাধে চলিছে জুৱা। এই জুৱাত পৰি ইতিমধ্যে বহুলোক সৰ্বস্বান্ত হৈছে। সৰ্বস্বান্ত হোৱা কে'বাজনো স্থানীয় ব্যৱসায়ীয়ে ইতিমধ্যে দোকান বন্ধ কৰিবলৈ বাধ্য হৈছে। একাংশ মহিলাই জনোৱা মতে, সুৰা আৰু জুৱাৰ প্ৰভাৱত অঞ্চলবোৰত পাৰিবাৰিক অশান্তিৰ লগতে পূৰামাত্ৰাই পৰিৱেশ বিনষ্ট হৈছে। সন্ধ্যা হ'লেই সাধাৰণ লোকৰ চলাচল কৰাতো দুৰূহ হৈ পৰে। পূৰ্বতে আৰক্ষীৰ লগতে আবকাৰী বিভাগক এই সন্দৰ্ভত কে'বাবাৰো অৱগত কৰিছে যদিও কোনো ফল নধৰিলে বুলি অভিযোগ কৰি ৰাইজে জিলা প্ৰশাসনক এই ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।



*অসম কৃষি বিশ্ববিদ্যালয়ত অনুষ্ঠিত তিনিদিনীয়া ৰাষ্ট্ৰীয় কৰ্মশালাত অংশগ্ৰহণকাৰী, সোমবাৰে।*

# গুণোৎসৱত চিৰাঙৰ অৱসৰ গ্ৰহণ কৰা শিক্ষাগুৰুসকলক নিযুক্তিৰ নিৰ্দেশনা

**অগ্রদূত বার্তা**

**গৰুভাষা, ২৩ মে' ঃ** চিৰাং জিলা প্ৰাথমিক শিক্ষা বিভাগে এক নিৰ্দেশনা যোগে জিলাখনৰ পৰা ইতিমধ্যে অৱসৰ গ্ৰহণ কৰা শাৰীৰিক আৰু মানসিকভাৱে সুস্থ পাঠদানৰ প্ৰতি আগ্ৰহী শিক্ষাগুৰুসকলক পুনৰ নিযুক্তিৰ বাবে জিলা প্ৰাথমিক শিক্ষা বিষয়া বিজয় বৈষ্ণৱে এক নিৰ্দেশনা যোগে ব্যৱস্থা গ্ৰহণ কৰিছে। শিক্ষা বিভাগৰ উক্ত নিৰ্দেশনাক আদৰণি জনাইছে কাজলগাঁও মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীয়ে। উক্ত নিৰ্দেশনা সন্দৰ্ভত মহকুমা সন্মিলনীৰ ভাৰপ্ৰাপ্ত সভাপতি মহিবুল হক আৰু সাধাৰণ সম্পাদক প্ৰাণ সূত্ৰধৰে কয় যে ইয়াৰ ফলত বিভিন্ন অঞ্চলৰ অৱসৰ গ্ৰহণ কৰা শিক্ষাগুৰুসকলে পুনৰ বিদ্যালয়লৈ গৈ পাঠদান কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মাজত মতবিনিময় কৰাৰ সুযোগ পাব। লগতে চিৰাং জিলাখনত তৃতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া আগন্তুক গুণোৎসৱত বিগত বছৰৰ দৰে এইবেলিও চিৰাং জিলাখনে ভাল ফলাফলৰ বাবে সকলো শিক্ষাগুৰুক কাম কৰি যাবলৈ আহ্বান জনায়। লগতে গুণোৎসৱৰ আগতে জিলাখনৰ এজনীয়া শিক্ষকৰে পাঠদান চলি থকা বিদ্যালয়সমূহত অতিশীঘ্ৰে শিক্ষক নিযুক্তিৰ বাবে বিভাগীয় কৰ্তৃপক্ষক দাবী জনায়।

# বানৰ পাছত খহনীয়াৰ কবলত মঙলদৈৰ একাংশ অঞ্চল

## মঙলদৈ নদীৰ প্ৰচণ্ড ভাবুকিৰ সন্মুখীন গেৰিমাৰী অঞ্চল

**অগ্রদূত বার্তা**

**মঙলদৈ, ২৩ মে' ঃ** দৰং জিলাত বান পৰিস্থিতিৰ ক্ৰমান্বয়ে উন্নতি ঘটিছে যদিও বানৰ পাছত জিলাখনৰ নৈপৰীয়া অঞ্চলত ঠাই বিশেষে খহনীয়াই শেহতীয়াকৈ জটিল ৰূপ লৈছে। ইয়াৰ ভিতৰত মঙলদৈ ৰাজহ চক্ৰৰ মোৰামাৰী পঞ্চায়তৰ অন্তৰ্গত এক নম্বৰ গেৰিমাৰী গাঁৱত মঙলদৈ নদীৰ বাঢ়নী পানীয়ে প্ৰৱল খহনীয়াৰ সৃষ্টি কৰিছে। খহনীয়াৰ ফলত যোৱা ১৭ মে'ত গাঁওখনৰ চাৰিটা পৰিয়ালৰ ঘৰ-বাৰী আৰু অন্যান্য স্থাৱৰ সা-সম্পত্তি সম্পূৰ্ণ ৰূপত নদীৰ বুকুত জাহ গৈছে। এক নম্বৰ গেৰিমাৰী পঞ্চায়তৰ প্ৰতিনিধি ভাষাণ সৰকাৰে সদৰী কৰা মতে প্ৰায় ৩০ বছৰে গাঁওখনত পৰিয়ালসহ বসবাস কৰি থকা সুকুমাৰ চৌহান, খুশীমোহন মণ্ডল, জয়মালা মণ্ডল আৰু ৰবি দাসৰ ঘৰ-বাৰী মঙলদৈ নদীৰ প্ৰৱল সোঁতে উটুৱাই লৈ যায়। কেৱল সেয়ে নহয় নদীখনৰ খহনীয়াই এক কিলোমিটাৰতকৈ অধিক দূৰত্ব সামৰি এটা বৃহৎ অঞ্চলৰ আন বহু পৰিয়ালৰ জীৱন আৰু সা-সম্পত্তিৰ লগতে শিক্ষানুষ্ঠান, ধৰ্মীয়নুষ্ঠান আদি কে'বাটাও ৰাজহুৱা অনুষ্ঠানলৈকো ভাবুকি কঢ়িয়াই আনিছে শেহতীয়া বিভীষিকাময় বানে। পঞ্চায়ত প্ৰতিনিধিজনে অঞ্চলটোত শীঘ্ৰে খহনীয়া প্ৰতিৰোধী ব্যৱস্থা গ্ৰহণ কৰিবলৈ জলসম্পদ বিভাগক দাবী জনাইছে। ইয়াৰ উপৰি ক্ষতিগ্ৰস্ত পৰিয়ালকেইটাৰ পুনৰ সংস্থাপন আৰু দুৰ্যোগ ব্যৱস্থাপনা আঁচনিৰ অধীনত তৎকালীন আৰ্থিক সাহায্য প্ৰদানৰ বাবে প্ৰশাসন তথা চৰকাৰক আহ্বান জনাইছে। এইক্ষেত্ৰত অঞ্চলটো তাৎক্ষণিকভাৱে পৰিদৰ্শন কৰি মঙলদৈ ৰাজহ চক্ৰ বিষয়া নয়নজ্যোতি পাঠকে প্ৰদান কৰা আশ্বাসত ৰাইজ বহুখিনি আশ্বস্ত হোৱা বুলিও পঞ্চায়ত প্ৰতিনিধিজনে উল্লেখ কৰে। ইফালে, গাঁওখনৰ খহনীয়া আক্ৰান্ত একাংশ লোকে অভিযোগ কৰা মতে, নদীখনে গতি সলোৱাৰ ফলত অঞ্চলটোত দীৰ্ঘদিন ধৰি খহনীয়া সমস্যাৰ সৃষ্টি হৈ আহিছে। ৰাইজে মঙলদৈৰ স্থানীয় বিধায়ক, সাংসদ তথা এসময়ৰ জলসম্পদ মন্ত্ৰী বসন্ত দাসক খহনীয়া প্ৰতিৰোধী ব্যৱস্থা গ্ৰহণৰ বাবে আবেদন-নিবেদন কৰি আহিছে যদিও বছৰৰ পাছত বছৰ ৰাইজৰ নিৰ্বাচিত প্ৰতিনিধিসকলে বিষয়টোক গুৰুত্ব প্ৰদান কৰা নাই।



# এইবাৰ অসমৰ পৰা যাব চাৰে তিনি হেজাৰ হজযাত্ৰী

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ২৩ মে' ঃ** যোৱা দুটা বছৰে ক'ভিড পৰিস্থিতিৰ বাবে চৌদি আৰবলৈ হজ যাত্ৰীসকল যাব পৰা নাছিল যদিও ক'ভিড মহামাৰীৰ শাম কটাত এই বছৰ অৰ্থাৎ ২০২২ৰ কাৰণে অসমৰ হজ যাত্ৰীসকলো যাবলৈ প্ৰস্তুত হৈছে। অসম চৰকাৰৰ হজ কমিটীৰ অধ্যক্ষ তথা বিশিষ্ট অধিবক্তা নেকিবুৰ জামানে জানিবলৈ দিয়ে যে এই বছৰ ভাৰতৰ পৰা সৰ্বমুঠ ৮০ হেজাৰ আৰু অসমৰ পৰা মুঠ চাৰে তিনি হেজাৰ হজ যাত্ৰীয়ে অহা ৩১ মে'ৰ পৰা চৌদি আৰবৰ মক্কা-মদিনালৈ পৰ্যায় ক্ৰমে ৰাওনা হ'ব। হজ যাত্ৰীসকলে ইতিমধ্যে বিমান ভাড়াৰ কাৰণে দুটা কিস্তি জমা দিছে আৰু এটা কিস্তিৰ ধন চৌদি আৰব আৰু কেন্দ্ৰীয় হজ কমিটীৰ পৰা সেউজ সংকেত পালে বাকীখিনি আদায় দিব লাগিব লগতে তেতিয়া হাজীসকলক টিকাকৰণ কৰিব বুলি জামানে জানিবলৈ দিয়ে। ডিব্ৰুগড়তো অহা ২৮ আৰু ২৯ মে'ত ডিব্ৰুগড় আৰু তিনিচুকীয়াৰ হজ যাত্ৰীসকলক প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে বুলি ডিব্ৰুগড় জিলাৰ হজ কমিটীৰ আহ্বায়ক তথা যুটীয়া সম্পাদক চৌকত লতিফে জানিবলৈ দি কয় যে এই বছৰ ডিব্ৰুগড় জিলাৰ পৰা মুঠ ৩২ গৰাকী আৰু তিনিচুকীয়া জিলাৰ পৰা মুঠ ২০ গৰাকী হজ যাত্ৰীয়ে আৰবলৈ ৰাওনা হ'ব। সেয়েহে ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ হজ যাত্ৰীসকলক অহা ২৮ মে' শনিবাৰে ডিব্ৰুগড়ৰ নালীয়াপুলত থকা নেইনা বেন'কুয়েট প্ৰেক্ষাগৃহত পুৱা ঠিক ৯.৩০ বজাত সকলো হজ যাত্ৰীকে উপস্থিত থাকি প্ৰশিক্ষণ ল'বলৈ চৌকত লতিফে আহ্বান জনাইছে। এইবাৰৰ হাজীসকলক প্ৰশিক্ষণ দিয়াৰ বাবে কেন্দ্ৰীয় হজ কমিটীৰ পৰা অভিজ্ঞ প্ৰশিক্ষক আব্দুল্লা আল মামুন, চৈয়দ অতিকুৰ ৰহমান, ছামছুল হুছেইন আৰু ছাহাবুদ্দিন উপস্থিত থকাৰ কথা। লগতে ডিব্ৰুগড় জিলা প্ৰশাসনৰ ফালৰ পৰা অতিৰিক্ত উপায়ুক্ত ড° মণিকা বৰা উপস্থিত থাকিব বুলি যুটীয়া সম্পাদক চৌকত লতিফে জানিবলৈ দিয়ে। উল্লেখ্য যে শেষৰ কিস্তিৰ ধন থকা খোৱা-লোৱা বা বিমান ভাড়াৰ বাবদ কিমান পৰিব সেই সকলো হিচাপ চৌদি চৰকাৰে নিৰ্ধাৰণ কৰি ভাৰত চৰকাৰক জনায় আৰু ভাৰত চৰকাৰৰ হজ মন্ত্ৰণালয়ে অসম ৰাজ্যিক হজ কমিটীক জনায় আৰু সেইমতে যাৱতীয় ধন পৰিশোধ কৰিব লাগে। উল্লেখ্য যে প্ৰতি বছৰে বিশ্বৰ বিভিন্ন দেশৰ পৰা আৰবলৈ প্ৰায় ৪০-৫০ লাখ হজ যাত্ৰী যায় যদিও তাৰে প্ৰায় দুই লাখ মানকৈ ভাৰতৰ পৰা যায়। এইবাৰ বিভিন্ন দেশত এতিয়াও ক'ভিড সংক্ৰমণ অব্যাহত থকাত মাত্ৰ ১০ লাখ হজ যাত্ৰীকহে যাবলৈ দিয়া বুলি চৌদিশে চৰকাৰে ইতিমধ্যে জনাইছে, তদুপৰি এই বছৰ ক'ভিডৰ প্ৰতি লক্ষ্য ৰাখি ৬৫ বছৰৰ উৰ্ধ্বৰ লোকক হজ কৰিবলৈ যাবলৈ দিয়া নাই বুলি এম হাছিম আলীয়ে জনাইছে।

# শালবাৰীত ডলু চাহ বাগিচাৰ উচ্ছেদক লৈ আছাৰ অৱস্থান ধৰ্মঘট



**অগ্রদূত বার্তা**

**শালবাৰী, ২৩ মে' ঃ** বাগ্‌সা জিলাৰ শালবাৰী মহকুমাধিপতিৰ কাৰ্যালয়ৰ সন্মুখত আজি ডলু চাহ বাগিচাৰ উচ্ছেদক লৈ সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ আছাৰ বাগ্‌সা জিলা সমিতিৰ অন্তৰ্ভুক্ত বাঁহবাৰী আঞ্চলিক সমিতিৰ উদ্যোগত দুঘণ্টীয়া অৱস্থান ধৰ্মঘটেৰে এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। প্ৰতিবাদীসকলে হাতে হাতে প্লে'কাৰ্ড লৈ ডলু চাহ বাগিচাৰ উচ্ছেদ অভিযান বন্ধ কৰক, বিজেপি চৰকাৰ হুচিয়াৰ, আদিবাসী মন্ত্ৰী মুৰ্দাবাদ, আছা জিন্দাবাদ' আদি ভিন্ন শ্ল'গান দি প্ৰতিবাদ সাব্যস্ত কৰে। শীঘ্ৰেই ডলু চাহ বাগিচাৰ উচ্ছেদ অভিযান বন্ধ নকৰিলে আৰু চাহ শ্ৰমিক তথা আদিবাসীসকলৰ সমস্যা সমাধান নকৰিলে ভয়াৱহ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ প্ৰদান কৰে। উল্লেখ্য যে প্ৰতিবাদৰ জৰিয়তে সংগঠনটোৱে শালবাৰী মহকুমাধিপতিৰ জৰিয়তে আদিবাসীসকলৰ বিভিন্ন সমস্যাৰ দাবী তুলি অসম চৰকাৰলৈ এখন স্মাৰকপত্ৰ প্ৰদান কৰে।

# ২২ নম্বৰ ককলাবাৰী পৰিষদীয় সমষ্টিত বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভৰ সম্ভাৱনা

**অগ্রদূত বার্তা,**

**জালাহ, ২৩ মে' ঃ** বি টি আৰৰ ২২ নম্বৰ ককলাবাৰী পৰিষদীয় সমষ্টিৰ উপ-নিৰ্বাচনত ইউপিপিএলৰ মনোনীত প্ৰাৰ্থী হিচাপে মন্টু বড়োৰ নাম ঘোষণা কৰাৰ লগে লগে দলীয় সদস্যসকলৰ মাজত আনন্দৰ বন্যা বৈ যায়। সমষ্টিৰ বিভিন্ন ঠাইত দলীয় সদস্যসকলে আতচবাজী ফুটাই আনন্দ উল্লাহ কৰে।

ইফালে, বিটিআৰৰ আন এটা ৰাজনৈতিক দল বিপিএফৰ তৰফৰ পৰা বৰ্তমানলৈকে প্ৰাৰ্থীৰ নাম ঘোষণা কৰা নাই। বিপিএফৰ নেতা শংকৰ বসুমতাৰীক প্ৰক্ষেপ কৰিব বুলি ইতিমধ্যে চৰ্চা হৈছে। কিন্তু বিজেপিৰ ওচৰ চপাৰ স্বাৰ্থত শেষ মুহূৰ্তত হয়তো প্ৰাৰ্থী প্ৰক্ষেপ নকৰিবও পাৰে বুলি ৰাজনৈতিক মহলত চৰ্চা হৈছে।

আনহাতে, অবড়ো সুৰক্ষা মৰ্চাই সোণাৰাম দাসক প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছে। অবড়ো সুৰক্ষা মঞ্চৰ পৰাই ভুমিসহ হোৱা গণ সুৰক্ষা পাৰ্টি চমুকৈ জিএছপিয়ে প্ৰমোদ বড়ো নেতৃত্বাধীন মৰ্চা চৰকাৰৰ অংশীদাৰ হৈ আছে। সেয়েহে অবড়ো সুৰক্ষা মঞ্চৰ এটা প্ৰতিনিধি দলক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ৰাজনৈতিক সচিব জয়ন্তমল্ল বৰুৱাই বিষয়টো আলোচনা কৰাৰ বাবে নলবাৰীলৈ আমন্ত্ৰণ জনাইছে। আলোচনা ফলপ্ৰসূ হ'লে হয়তো অন্তিম মুহূৰ্তত অবড়ো সুৰক্ষা মঞ্চই প্ৰাৰ্থী প্ৰক্ষেপ নকৰিবও পাৰে। তেতিয়া ইউপিপিএলৰ প্ৰাৰ্থীজন বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱাৰ পথ সুগম হ'ব।

# দলগাঁৱত পানীত পৰি শিশুৰ মৃত্যু

**অগ্রদূত বার্তা**

**দলগাঁও, ২৩ মে' ঃ** দৰঙৰ দলগাঁও থানাৰ অন্তৰ্গত এক নম্বৰ শিয়ালমাৰী গাঁৱত আজি আবেলি পানীত পৰি এটি শিশুৰ মৃত্যু হোৱাৰ লগতে আন এটি শিশুক সংকটজনক অৱস্থাত মঙলদৈৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। নুৰ আলমৰ পুত্ৰ চোৰাব আলী (১০) আৰু নুৰজামালৰ পুত্ৰ আনাৰুল হক (৮) নিজ গৃহৰ ওচৰতে বৰকুৰত জলাশয় এটাত গা ধুবলৈ যায়। পাছত আনাৰুলক মৃত অৱস্থাত আৰু চোৰাবক সংকটজনক অৱস্থাত ৰাইজে উদ্ধাৰ কৰে। আনহাতে, সংকটজনক অৱস্থাত চোৰাবক মঙলদৈ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# টিহুৰ দীঘেলী হাইস্কুলত প্ৰাচীৰ পত্ৰিকা উন্মোচন



**অগ্রদূত বার্তা**

**টিহু, ২৩ মে' ঃ** টিহুৰ দীঘেলী হাইস্কুলত আজি এখন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰা হয়। হাইস্কুলখনৰ প্ৰধান শিক্ষক যতীন বৰ্মনৰ তত্ত্বাৱধানত প্ৰস্তুত কৰা প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে বাগ্‌সা জিলাৰ জিলা পৰিকল্পনা বিষয়া প্ৰণৱজ্যোতি কলিতাই। বিদ্যালয়ৰ সহকাৰী শিক্ষক সুভাষ মেধিয়ে আঁত ধৰা উন্মোচনী অনুষ্ঠানটো বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰে এক নম্বৰ মাধপুৰ মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক কল্পনা বৰ্মনে। বিদ্যালয়ৰ প্ৰধান শিক্ষক সমন্বিতে শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰা অনুষ্ঠানত উন্মোচক কলিতাই প্ৰাচীৰ পত্ৰিকা প্ৰকাশৰ তাৎপৰ্য আৰু গুৰুত্ব সম্পৰ্কে বক্তব্য আগবঢ়ায়।

# মাৰ্ঘেৰিটাৰ পৰা মহিলা নিৰুদ্দেশ

**অগ্রদূত বার্তা**

**মাৰ্ঘেৰিটা, ২৩ মে' ঃ** তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা থানাৰ অন্তৰ্গত মাৰ্ঘেৰিটা এক নম্বৰ লাজুমৰ নিৱাসী প্ৰয়াত শশী দাসৰ পত্নী মিনু দাস (৬৩) যোৱা ১৯ মে'ৰ পৰা নিৰুদ্দেশ হৈ আছে। পৰিয়ালৰ লোকে থানাত জনোৱা এজাহাৰ মৰ্মে ১৯ মে'ৰ বিয়লি প্ৰায় ৪-৫০ বজাত মিনু দাস ঘৰৰ পৰা ওলাই গৈ আজি পৰ্যন্ত নিৰুদ্দেশ হৈ আছে। আনহাতে, বৃদ্ধাগৰাকীৰ লগত থকা ম'বাইল ফোনটো বৰ্তমান চুইছ অফ হৈ থকাত পৰিয়ালৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে গাৰ ৰং বগা, ক্ষীণ আৰু চাৰি-পাঁচ ফুট উচ্চতাৰ মহিলাগৰাকীৰ কোনো সদাশয় লোকে কিবা সম্ভেদ পালে ৮৮৭৬৬৩২৫১৯ আৰু ৭০০২০৮১৪ নম্বৰত কিম্বা মাৰ্ঘেৰিটা থানাত অৱগত কৰিবৰ বাবে পুত্ৰ কংকণজ্যোতি দাসে আহ্বান জনাইছে। ইতিমধ্যে মাৰ্ঘেৰিটা থানাত জিডিই ৫২১ নম্বৰত এক গোচৰ ৰুজু কৰি আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

# গছ ধ্বংসৰ মাজতে পথৰ কাষত তামোল গছ ৰোপণ

**অগ্রদূত বার্তা**

**গৰুভাষা, ২৩ মে' ঃ** পূৰ্বে ৰোপণ কৰা গছপুলিৰ গুৰিৰ বন-বাত আঁতৰাই সাৰ-গোবৰ দিয়াৰ লগতে জহি-খহি যোৱা খাছা-জেওৰা মেৰামতি কৰি মৰহি যোৱা গছপুলিৰ ঠাইত নতুনকৈ গছপুলি ৰোপণ কৰাৰ লগতে বছৰে বছৰে আয় হোৱাৰ উদ্দেশ্যে তামোলৰ পুলি ৰোপণ কৰা হৈছে । গাঁৱৰে ধনঞ্জয় ৰায় আৰু জনোৰঞ্জন ৰায় নামৰ যুৱকৰ তৎপৰতাত বিটিআৰৰ সদৰ কোকৰাঝাৰ জিলাৰ ছালাকাটি উপ-আৰক্ষী চকীৰ অন্তৰ্গত জৰেগাঁও শ্ৰীশ্ৰীলক্ষ্মীনাৰায়ণ মন্দিৰৰ পৰা পদ্মপাৰালৈ যোৱা পথৰ দুয়োফালে ৰোপণ কৰা হয় তামোলৰ পুলি। উল্লেখ্য যে এসপ্তাহ আগতে শ্ৰীশ্ৰীলক্ষ্মীনাৰায়ণ মন্দিৰ চৌহদৰ তিতাচপা, গমাৰি আদি অপূৰ্ঠ প্ৰায় ১৫ ডাল মান গছ মাত্ৰ ১৫ হেজাৰ টকাত বিক্ৰী কৰে। সুস্থ পৰিৱেশ, সৌন্দৰ্য বৰ্ধন কৰি অহা পথৰ কাষৰ গছকেইডালৰ তলত মানুহ, গৰু, ছাগলী জিৰণি লোৱাৰ লগতে বিভিন্ন চৰাই-চিৰিকটিৰ বাসস্থান আছিল যদিও নগণ্য সংখ্যক টকাৰ বিনিময়ত কোনো আগ-পাছ নভবা-নিশ্চিন্তাকৈ চোৰাং কাঠ কাৰবাৰীৰ ওচৰত বিক্ৰী কৰি দিয়ে । যিসকলে গছপুলি ৰোপণ, পৰিচৰ্যা কৰি ডাঙৰ-দীঘল কৰাত আগভাগ লৈ আহিছিল তেওঁলোকক অন্ধকাৰত ৰাখি বন ধ্বংস কাৰ্যত লিপ্ত হোৱাত তেওঁলোক হতভম্ব হৈ পৰে । ভৱিষ্যতে সাধাৰণ অজুহাততে গছ ধ্বংস নকৰিবলৈ প্ৰকৃতিপ্ৰেমী লোকে আহ্বান জনায়।

অৱশ্যে কি কাৰণে অপূৰ্ঠ গছ-গছনি কাটি তহিলং কৰা হ'ল উক্ত সংক্ৰান্তত শ্ৰীশ্ৰীলক্ষ্মীনাৰায়ণ মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি কিৰণ চন্দ্ৰ ৰায় আৰু সম্পাদক দীপজ্যোতি ৰায় 'কিস্তূ'ই কয় যে নাচঘৰ মেৰামতিৰ বাবে টকাৰ প্ৰয়োজন হোৱাত গছকেইডাল বিক্ৰী কৰি উক্ত টকাৰে মেৰামতিৰ আলোচনা হোৱা বুলি স্বীকাৰ কৰে যদিও কোনো সঠিক সিদ্ধান্ত হোৱা নাছিল। কিন্তু তেওঁলোককে অন্ধকাৰত ৰাখি গছ বিক্ৰী আৰু কটা কাৰ্য সম্পূৰ্ণ হয়। তেওঁলোকেও ঘটনাটোত আশ্চাৰ্য প্ৰকাশ কৰে । সাধাৰণ অজুহাততে গছ ধ্বংসৰ সতে জড়িত লোকৰ সুমতি হওঁক। এডাল গছ ধ্বংসৰ বিনিময়ত ১০ ডাল গছপুলি ৰোপণ কৰি তুলি-তালি ডাঙৰ-দীঘল কৰাত আগভাগ লওঁক ইয়াকে আশা প্ৰকাশ কৰে প্ৰকৃতিপ্ৰেমীয়ে।

# দিছৈ চাৰিআলিক কেন্দ্ৰ কৰি গৰু ছিণ্ডিকেটৰ বেহা

## ■ দেৰগাঁৱত সৰৱ ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি

**দেৰগাঁও, ২৩ মে' ঃ** ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে আজি দেৰগাঁৱত এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেলত উপস্থিত থাকে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ উপদেষ্টা ৰিপুন মহন্ত, ভাস্কৰ পূজাৰী আদিয়ে। আনহাতে, জিলা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কাৰ্যকৰী সভাপতি বিচিত্ৰ বৰাই সংবাদমেলৰ আঁত ধৰি দেৰগাঁও অঞ্চলত দীৰ্ঘদিনৰ পৰা চলি থকা গৰু ছিণ্ডিকেটৰ কেতবোৰ উল্লেখযোগ্য কথা কৈ ছিণ্ডিকেটৰাজৰ তীব্ৰ বিৰোধিতা কৰে। বিগত সময়ত দিছৈ চাৰিআলিক কেন্দ্ৰ কৰি এক গৰুৰ ছিণ্ডিকেটৰ অবৈধ ব্যৱসায় আৰম্ভ হৈছে, এই ছিণ্ডিকেটত বিভিন্ন পৰ্যায়ৰ ব্যক্তি, দল-সংগঠনৰ নেতৃবৃন্দ, সাংবাদিক জড়িত আছে বুলি তেওঁ উল্লেখ কৰে। শান্ত সমাহিত দেৰগাঁও যে আজি ছিণ্ডিকেটৰ ঘৰ হৈছে সেয়া কাৰ ছত্ৰছায়াত হৈ আছে বুলি প্ৰশ্ন কৰি গৰু ছিণ্ডিকেটৰ সমান্তৰালভাৱে কাঠৰ ছিণ্ডিকেট, অবৈধ মদৰ ছিণ্ডিকেট, সাৰৰ ছিণ্ডিকেট আদিৰ প্ৰসংগও উল্লেখ কৰে। জিলা সমিতিৰ সম্পাদক জ্যোতিষ্মান বৰাই বাতো আলী, ৰাচান, ৰিজুল, হামিদ, মইনা আদিৰ দৰে কুখ্যাত ব্যৱসায়ী এই ছিণ্ডিকেটৰ লগত জড়িত বুলি অভিযোগ কৰে। লগতে ইয়াৰ পাছৰ পৰ্যায়ত এই স্থিতি সদায় যে একে থাকিব, এই ছিণ্ডিকেটৰ বিৰোধিতা কৰা হ'ব বুলি সংবাদমেলত ঘোষণা কৰে। এই ছিণ্ডিকেটৰাজৰ ক্ষেত্ৰত যে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ স্থিতি স্পষ্ট, কোনো কাৰণতে কম্প্ৰমাইজ নহয় এই কথাও সংবাদমেলত তেওঁলোকে ঘোষণা কৰে।

# আজাৰাৰ ৰাষ্ট্ৰীয় ঘাইপথত পাৰ্কিং

## ■ যিকোনো মুহূৰ্ততে ভয়াৱহ দুৰ্ঘটনাৰ আশংকা

**অগ্রদূত বার্তা**

**আজাৰা, ২৩ মে' ঃ** আজাৰা অঞ্চলৰ মাজেৰে যোৱা ৩৭ নম্বৰ ঘাইপথৰ দাঁতিৰ ওপৰতে একাংশ লোকে বেআইনীভাৱে বিভিন্ন যানবাহন পাৰ্কিং কৰিবলৈ ধৰাত যিকোনো মুহূৰ্ততে ভয়াৱহ দুৰ্ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনাই প্ৰকট হৈছে। আজাৰা যানবাহন আৰক্ষীৰ সন্মুখতে নিতৌ এনেদৰে বেআইনীভাৱে বিভিন্ন যানবাহন পাৰ্কিং কৰি থকাৰ পাছতো যানবাহন আৰক্ষীয়ে কোনো ব্যৱস্থা নোলোৱাত ৰাইজৰ মাজত তীব্ৰ ক্ষোভ সৃষ্টি হৈছে।

উল্লেখ্য যে আজাৰা অঞ্চলৰ মাজেৰে যোৱা ৩৭ নম্বৰ ঘাইপথত নিতৌ পুৱা-গধূলি একাংশ লোকে বিভিন্ন যানবাহন পাৰ্কিং কৰে। বিশেষকৈ আজাৰা আৰক্ষী থানাৰ গাতে লাগি থকা গধূলি বজাৰ, মাছৰ বজাৰ, মাউন্টেইন চেডো আদি স্থানত গঢ়ি উঠা বিভিন্ন হাট-বজাৰ, ৰেষ্টুৰেন্ট আদিলৈ অহা গ্ৰাহকসকলে তেওঁলোকৰ যানবাহনসমূহ ঘাইপথত ঘন্টাৰ পাছত ঘন্টা পাৰ্কিং কৰি থয়। ফলত উক্ত পথেৰে আহ-যাহ কৰা অন্যান্য যানবাহন ভীষণ সমস্যাত পৰে। বিশেষকৈ উক্ত পথেৰে আহ-যাহ কৰা পদযাত্ৰীসকলে যাতায়াতৰ ক্ষেত্ৰত নিজৰ জীৱটো টোপোলা বান্ধি মৰণত শৰণ দি অহা-যোৱা কৰিবলগীয়া হৈছে। এনে অৱস্থাত উক্ত পথছোৱাত যিকোনো মুহূৰ্ততে ভয়াৱহ দুৰ্ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনাই দেখা দিছে।

উল্লেখ্য যে উক্ত পথটোৰ দাঁতিতে থকা কালমণি নৈখন জলসম্পদ বিভাগৰ জৰিয়তে পুনৰ



খনন কাৰ্য আৰম্ভ কৰাত পথটোৰ পশ্চিম দিশটোত মাটিৰে দ'ম হৈ পৰিছে। তাৰ ফলত জনসাধাৰণে যাতায়াতৰ ক্ষেত্ৰত পথটোৰ ওপৰৰে আহ-যাহ কৰাত বাহিৰে অইন উপায় নাই।

# মৰাণত পথৰ বিধ্বস্ত ৰূপ ঃ ৰাইজৰ প্ৰতিবাদ

**অগ্রদূত বার্তা**

**মৰাণ, ২৩ মে' ঃ** চৰাইদেউ জিলাৰ অন্তৰ্গত মৰাণৰ ডোমৰ দলঙত এটা বিধ্বস্ত পথ মেৰামতিৰ দাবীত প্ৰতিবাদমুখৰ হৈ পৰিছে ৰাইজ। ৩৭ নম্বৰ ঘাইপথৰ পৰা ডোমৰ দলং চাহ বাগিচাৰ ছয় নম্বৰ শাখা হৈ চেপন সোণাৰি পথত সংলগ্ন পথটো বিগত প্ৰায় তিনি দশক কাল মেৰামতি নকৰাৰ ফলত অতি শোচনীয় ৰূপ লৈছে। ঠায়ে ঠায়ে দ গাঁত, একাঁঠু বোকা পানীৰে যাতায়াতৰ ক্ষেত্ৰত এতিয়া চৰম দুৰ্যোগৰ সন্মুখীন হৈছে ডোমৰ দলঙৰ ছয় নম্বৰ শাখাৰ কে'বা সহস্ৰাধিক ৰাইজ। দীৰ্ঘদিনীয়া দাবীৰ পাছতো জনপ্ৰতিনিধিয়ে পথটো নিৰ্মাণৰ বাবে কোনো পদক্ষেপ গ্ৰহণ নকৰাত ক্ষুব্ধ অঞ্চলটোৰ ৰাইজে আজি প্ৰতিবাদ জনায় আৰু অনতিপলমে পথটো মেৰামতি কৰিবৰ বাবে স্থানীয় বিধায়ক তথা ৰাজহ মন্ত্ৰী যোগেন মহনক দাবী জনাইছে।

# পাৰ্থেনিয়াম গছেৰে ভৰিছে আমনিৰ ৰাষ্ট্ৰীয় পথৰ দাঁতি

■ টেম্প' ষ্টেণ্ড বজাৰৰ কাষতে ফুল ফুলি বিয়পিছে বিষাক্ত ৰেণু ■ প্ৰশাসনে লোৱা নাই নিৰ্মূলকৰণৰ ব্যৱস্থা



**অগ্ৰদূত বাৰ্তা**
**চামগুৰি, ২৩ মে' ঃ** নগাঁও জিলাৰ চামগুৰিৰ আমনিৰ ৩৭ নম্বৰ ঘাইপথৰ কাষত মাৰাত্মক পাৰ্থেনিয়াম গছেৰে ভৰি পৰিছে। আমনি তিনিআলিৰ টেম্প' ষ্টেণ্ডৰ ওচৰত আৰু সেনাবাহিনীৰ চৌহদৰ গাতে লাগি পাৰ্থেনিয়াম গছত ফুল ফুলি বংশ বিস্তাৰ কৰি জীৱকুললৈ ভাবুকি কঢ়িয়াই আনিছে। চন্দ্ৰমল্লিকা ফুল গছৰ পাতৰ দৰে গছ জোপাত সৰু সৰু বগা ফুল ইতিমধ্যে ফুলিবলৈ ধৰা উদ্ভিদ বিধে এজোপা গছৰ পৰাই চাৰি পাঁচ হেজাৰ জোপা গছ গজাব পৰা সক্ষমতা আছে। উত্তৰ আৰু দক্ষিণ আমেৰিকা, ৱেষ্টইণ্ডিজ, উত্তৰ-পূব মেক্সিকো দেশৰ পৰা গম খেতিৰ বীজৰ লগত মিহলি হৈ আহি সম্প্ৰতি সমগ্ৰ দেশতে বিয়পি পৰিছে এই বিধ বিষাক্ত উদ্ভিদ। চিকিৎসা বিজ্ঞানৰ মতে, এই গছজোপাৰ পৰা চৰ্মৰোগ, কৰ্কট, জ্বৰ আদি হোৱাৰ সম্ভাৱনা অধিক। ইয়াৰ ফুলৰ ৰেণুত থাকে চেস্কুটাৰ্পিণ লেক্টন জাতীয় বিষাক্ত পদাৰ্থ 'পাৰ্থেনিন'। তদুপৰি, কেফেইক এচিড, পি এনিচিক এচিড আদি। ফলত মানৱ দেহৰ ক্ষতস্থানত তেজৰ লগত মিলি চৰ্মৰোগ, একজিমা, ছালৰ এলাৰ্জি হোৱাৰ সম্ভাৱনা প্ৰবল। ইয়াৰ ফুলৰ ৰেণু বা বীজ নাকেৰে প্ৰৱেশ কৰিলে হাপানী, শ্বাসকষ্ট, জ্বৰ আদি হয়। তদুপৰি এই গছজোপাই মাটিত নাইট্ৰ'জেন ধৰি ৰখাৰ ক্ষমতা কমাই দিয়াৰ ফলত মাটিৰ উৰ্বৰতা হ্ৰাস পায়। সম্প্ৰতি এই বিষাক্ত পাৰ্থেনিয়াম গছত ফুল ফুলিব ধৰিছে। আমনি তিনিআলিৰ ঘাইপথৰ দক্ষিণ দিশত থকা টেম্প' ষ্টেণ্ড আৰু পথৰ কাষত বহা বজাৰৰ পিছফালে সেনা ছাউনীৰ চৌহদৰ কাঁটা তাঁৰৰ বেৰৰ লগত। বজাৰ আৰু টেম্প' ষ্টেণ্ডৰ নিচেই কাষতে মিহি মিহি পাতৰ গা গছত বগা সৰু সৰু ফুল ফুলি থকাৰ ফলত বিভিন্ন ঠাইলৈ ইয়াৰ ফুলৰ ৰেণুৰ জৰিয়তে মানৱ দেহলৈ বিষাক্ত পদাৰ্থ সোমাই মানুহক ৰুগীয়া কৰাৰ সম্ভাৱনা প্ৰবল হৈ উঠিছে। ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে জনবহুল বজাৰ, টেম্প' ষ্টেণ্ডৰ গাতে লাগি বিষাক্ত ফুল ফুলি থকা সত্ত্বেও প্ৰশাসনে পাৰ্থেনিয়াম গছ বিধৰ অপকাৰিতা আৰু নিৰ্মূলীকৰণৰ বাবে জনসাধাৰণৰ মাজত সজাগতা শিবিৰ অথবা গছ বিধ পুলিয়ে-পখাই নাইকিয়া কৰাৰ ব্যৱস্থা কৰা নাই।

# তিনিচুকীয়াত পেট্ৰ'লিয়াম মন্ত্ৰী তেলীৰ গুণোৎসৱ উপলক্ষে বিদ্যালয় পৰিদৰ্শন



**অগ্ৰদূত বাৰ্তা**
**তিনিচুকীয়া, ২৩ মে' ঃ** ভাৰত চৰকাৰৰ পেট্ৰ'লিয়াম, প্ৰাকৃতিক গেছ, শ্ৰম আৰু নিয়োগ মন্ত্ৰণালয়ৰ মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে আজি গুণোৎসৱৰ উপলক্ষে তিনিচুকীয়াৰ চলিহানগৰস্থিত বিমলা প্ৰসাদ চলিহা বিদ্যালয় পৰিদৰ্শন কৰি প্ৰতিটো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ স'তে মত বিনিময় কৰে। মন্ত্ৰীজনৰ পৰিদৰ্শন কালত তিনিচুকীয়া জিলাৰ উপায়ুক্ত নৰসিং পৱাৰ, তিনিচুকীয়া পৌৰসভাৰ ৱাৰ্ড কমিছনাৰ পুলক চেতিয়া, জিলা প্ৰাথমিক শিক্ষা বিষয়া বিন্তী শৰ্মা প্ৰমুখ্যে শিক্ষা বিভাগৰ অন্যান্য বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। মন্ত্ৰী তেলীয়ে ছাত্ৰ-ছাত্ৰীসকলক উজ্জ্বল ভৱিষ্যৎ গঢ় দিবৰ বাবে কঠোৰ পৰিশ্ৰম আৰু অধ্যাৱসায় কৰাৰ লগতে সৎ চৰিত্ৰৰ ১৩ পৃষ্ঠাত চাওক

# অবিভক্ত নগাঁও জিলাত নাই পৰ্যাপ্ত পণ্যাগাৰ নিগমৰ গুদাম

■ ভীষণ সমস্যাৰ সন্মুখীন হৈছে কৃষক-ব্যৱসায়ী

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৩ মে' ঃ** ধান, মাহ, সৰিয়হ, মৰাপাট আদিৰ উপৰি বিভিন্ন ধৰণৰ শাক-পাচলি উৎপাদন হয় অবিভক্ত নগাঁও জিলাত। অবিভক্ত জিলাখনৰ কৰ্মঠ কৃষক ৰাইজে প্ৰতিটো ঋতুতে হাড়ভঙা পৰিশ্ৰমেৰে কৃষিজাত শস্য, শাক পাচলিৰ উৎপাদন কৰে যদিও এইবোৰ মজুত ৰখাৰ বাবে অবিভক্ত জিলাখনত নাই প্ৰয়োজনীয় শীতলীকৰণ ভঁৰাল। ফলত কৃষক ৰাইজ অসুবিধাৰ সন্মুখীন হৈছে। কৃষক ৰাইজৰ উৎপাদিত সামগ্ৰীসমূহ বিজ্ঞানসন্মতভাৱে মজুত ৰখাৰ বাবে ৰাজ্যৰ পণ্যাগাৰ নিগম নামৰ বিয়াগোম বিভাগটোৱে সুব্যৱস্থা কৰিব পাৰে যদিও এই ক্ষেত্ৰত মুঠেই সফল হ'ব পৰা নাই বিভাগটো। উল্লেখ্য যে ৰাজ্যখনৰ ২১খন জিলাৰ বিভিন্ন স্থানত অসম ৰাজ্যিক পণ্যাগাৰ নিগমৰ ৪২টা কেন্দ্ৰ আছে। ইয়াৰে নগাঁও জিলাত আছে তিনিটা কেন্দ্ৰ। আনহাতে, হোজাই জিলাত তিনিটা ৰাজ্যিক পণ্যাগাৰ কেন্দ্ৰ আছে। নগাঁও জিলাৰ ধিং, হয়বৰগাঁও আৰু ৰহাত, হোজাই জিলাৰ হোজাই, যমুনামুখ আৰু লংকাত পণ্যাগাৰ নিগমৰ কেন্দ্ৰকেইটা আছে। ইপিনে, নগাঁও জিলাৰ ধিং কেন্দ্ৰৰ অধীনত এটা, হয়বৰগাঁৱত সাতটা আৰু ৰহাত চাৰিটা পণ্যাগাৰ নিগমৰ গুদামঘৰ আছে। ইয়াৰে ধিঙৰ গুদামটোৰ সামগ্ৰীৰ মজুত কৰিব পৰা ক্ষমতা দুহেজাৰ মেট্ৰিকটন। ইয়াত কেৱল ধান আৰু চাউলহে মজুত ৰাখিব পৰা ব্যৱস্থা আছে। নগাঁও চহৰৰ হয়বৰগাঁৱৰ সাতটা পণ্যাগাৰ গুদামত সামগ্ৰী মজুত কৰিব পৰা ক্ষমতা ১৩,১১৮ মেট্ৰিকটন। এই গুদামকেইটাত চাউল, আটা, দাইল, ৰাসায়নিক সাৰ আৰু বৈদ্যুতিক সৰঞ্জাম মজুত ৰখাৰ ব্যৱস্থা আছে। একেদৰে, ৰহাৰ চাৰিটা গুদামত সামগ্ৰী মজুত ৰাখিব পৰা ক্ষমতা ৪,৭৭০ মেট্ৰিকটন। ইয়াতো ধান আৰু খাদ্য সামগ্ৰী জমা ৰখাৰ ব্যৱস্থা আছে। হোজাই জিলাৰ হোজাই নগৰত থকা পণ্যাগাৰ নিগমৰ আঠটা গুদামত ধান, মৰাপাট, খাদ্য সামগ্ৰী মজুত ৰখাৰ ক্ষমতা আছে ৬,৪৬২ মেট্ৰিকটন, যমুনামুখৰ এটা গুদামত চাৰি হেজাৰ মেট্ৰিকটন ধান আৰু চাউল মজুত ৰাখিব পৰা ক্ষমতা আছে। জিলাখনৰ লংকাত থকা এটা পণ্যাগাৰ গুদামত পাঁচ মেট্ৰিকটন গুড় আৰু চিমেন্ট মজুত ৰখাৰ সুবিধা আছে। অবিভক্ত জিলাখনত যিমান পৰিমাণৰ ধান, মৰাপাট, মাহজাতীয় শস্য, ঘেঁহু, গোমধান, গুড় আৰু বিভিন্ন শাক-পাচলিৰ উৎপাদন হয় তাৰ বিপৰীতে পণ্যাগাৰ ১৩ পৃষ্ঠাত চাওক

# মিলনজ্যোতি সংঘৰ উদ্যোগত বৰগাছাত ব'হাগী সন্মিলন সম্পন্ন



**অগ্ৰদূত বাৰ্তা**
**বাহাৰঘাট, ২৩ মে' ঃ** নলবাৰী আৰু কামৰূপ জিলাৰ মিলন ক্ষেত্ৰ বৰগাছা দুৰ্গা মন্দিৰ প্ৰাংগণত কালি দিনজোৰা কাৰ্যসূচীৰে মিলনজ্যোতি সংঘৰ উদ্যোগত অনুষ্ঠিত হয় ৪১ সংখ্যক বড়িগোগ বৰভাগ আঞ্চলিক ব'হাগী সন্মিলন। কাৰ্যসূচী মতে, পুৱা সংঘৰ আৰু বিহু পতাকা উত্তোলন কৰাৰ পাছতে ৪০খন পতাকা ৪০গৰাকী বিশিষ্ট লোকৰ দ্বাৰা উত্তোলন কৰা হয়। ইয়াৰ পাছতে গছপুলি ৰোপণ, খেল-ধেমালি প্ৰতিযোগিতাৰ অন্তত সন্ধিয়া বিশেষ সম্বৰ্ধনা, আমন্ত্ৰিত বিহু হুঁচৰি দলৰ বিহু হুঁচৰি প্ৰদৰ্শন, নৃত্য প্ৰদৰ্শন কৰা হয়। নিশা সমাজৰত্ন কুশল কুমাৰ তালুকদাৰ সোঁৱৰণী সাংস্কৃতিক সন্ধিয়া 'সুৰৰ অলকানন্দা' উদ্বোধন কৰে ধমধমা মহাবিদ্যালয়ৰ অধ্যক্ষ কুমুদ চন্দ্ৰ গোস্বামীয়ে।

# বিহপুৰীয়াত প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ পথ নিৰ্মাণত দুৰ্নীতি

■ মুখ্যমন্ত্ৰীৰে ঘনিষ্ঠ হোৱাৰ সুবাদতে ঠিকাদাৰৰ দম্ভালি



**অগ্ৰদূত বাৰ্তা**
**বিহপুৰীয়া, ২৩ মে' ঃ** প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত নিৰ্মাণ কাৰ্য চলি থকা বিহপুৰীয়া দুই নম্বৰ দহঘৰীয়া সংযোগী গড়কাপ্তানী পথৰ নিৰ্মাণ কাৰ্যত ব্যাপক দুৰ্নীতি অনিয়ম সংঘটিত হোৱাৰ গুৰুতৰ ৰাজহুৱা অভিযোগ উত্থাপন হৈছে। লখিমপুৰ, নাওবৈছা, বিহপুৰীয়া টেৰিটৰিয়েল গড়কাপ্তানী পথ সংমণ্ডলৰ অধীনত বিহপুৰীয়া, বদতিৰ পৰা দহঘৰীয়ালৈকে প্ৰায় আঠ কিল'মিটাৰ দৈৰ্ঘ্যৰ পথছোৱাৰ নিৰ্মাণকাৰ্য অত্যন্ত লেহেমীয়া গতিৰে চলি থকাত ক্ষুব্ধ হৈ পৰিছে স্থানীয় ৰাইজ। বিগত ২০২০ ৰ ২৫ মে'তে নিৰ্মাণকাৰ্য আৰম্ভ কৰা পথছোৱাৰ নিৰ্মাণ দুবছৰেও বিশেষ অগ্ৰগতি লাভ নকৰাত পথছোৱাৰে যাতায়াত কৰা লোকসকল যথেষ্ট হাৰাশাস্তিৰ সন্মুখীন হ'বলগাত পৰিছে। ঠিকাদাৰী প্ৰতিষ্ঠান মেছাৰ্চ কৃষাণে তিনি কোটি ৬১ লাখ ২৫ হেজাৰ নশ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিব লগা পথছোৱা নমাহত নিৰ্মাণ সম্পূৰ্ণ কৰিব লাগিছিল যদিও দুবছৰেও পথছোৱাৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈ নুঠিল। বিশেষকৈ গড়কাপ্তানী বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ঘনিষ্ঠ হোৱাৰ সুবাদতে ঠিকাদাৰ, প্ৰাক্তন আলফা তথা বিজেপিৰ বিয়াগোম নেতা প্ৰফুল্ল বৰা ওৰফে ঢেকিয়াল ফুকনে পথছোৱা নিৰ্মাণত ব্যাপক দুৰ্নীতি অনিয়মৰ আশ্ৰয় লোৱাৰ অভিযোগ উঠিছে। ইতিমধ্যে আঢ়ৈ কিলোমিটাৰ পথৰ নিৰ্মাণ যোৱা বৰ্ষৰ ডিচেম্বৰৰ শেষৰ ফালে সম্পূৰ্ণ কৰাৰ পাছত বদতি জামুগুৰিৰ পৰা দুই নম্বৰ ১৩ পৃষ্ঠাত চাওক

# তামুলপুৰৰ সাহপুৰত চানতালী লোকসংগীত উন্মোচন



**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ২৩ মে' ঃ** ইণ্টাৰ্ণ কালচাৰেল চেণ্টাৰ, কলকাতাৰ পৃষ্ঠপোষকতাত আৰু ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ৰ গুৰু-শিষ্য পৰম্পৰা আঁচনিৰ অধীনত কালি তামুলপুৰ জিলাৰ সাহপুৰত এটি চানতাল লোক সংগীত উন্মোচন কৰা হয়। এক মাংগলিক পৰিৱেশত ১৩ পৃষ্ঠাত চাওক

# কাকৈজানাত নিৰুদ্দিষ্ট যুৱকৰ মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ২৩ মে' ঃ** বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা আৰক্ষী চকীৰ অন্তৰ্গত কাকৈজানাত উৰলি যোৱা অৱস্থাত আজি এটা মৃতদেহ উদ্ধাৰ হয়। তথ্য মতে, কাকৈজানা শিমিলাগুৰিৰ নলাৰ পানীত অচিনাক্ত লোকৰ মৃতদেহ এটা ওপঙি থকা অৱস্থাত স্থানীয় লোকে প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে। উত্তৰ শালমাৰা আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰাত মৃতদেহত থকা সাজ-পোছাকৰ জৰিয়তে মৃতদেহটো কাকৈজানা শিমিলাগুৰিৰ দেৱব্ৰত ৰায় (২৮)ৰ বুলি পৰিয়ালৰ লোকে চিনাক্ত কৰে। পৰিয়ালৰ লোকে জনোৱা মতে, যোৱা বুধবাৰৰ পৰাই দেৱব্ৰত ঘৰত নাছিল। প্ৰথমাৱস্থাত দেৱব্ৰতে বায়েকৰ ঘৰত থকা বুলি ভাবিছিল যদিও পাছত নথকা কথাটো জানিব পাৰি বিভিন্ন ঠাইত বিচাৰি থকা সময়তে আজি মৃত অৱস্থাত উদ্ধাৰ হয়।

# মধুপুৰ সত্ৰত ভকত-বৈষ্ণৱৰ জনমতক অৱজ্ঞা

**অগ্ৰদূত বাৰ্তা**
**হাউলী, ২৩ মে' ঃ** অসমৰ বৈষ্ণৱ-ভকতসকলৰ মনত বৃন্দাবন সদৃশ, মহাপুৰুষ গুৰু দুজনাৰ স্মৃতি বিজৰিত তিনি ৰাজ্যৰ 'বন্দনিষ্ঠান', 'দ মুকুতৰ থান' অসমীয়া জাতিৰ আবেগ জড়িত মধুপুৰ সত্ৰত অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈ সিঁচৰতি হৈ থকা অগণন ভকত-বৈষ্ণৱৰ আকুল আহ্বানক নেওচি সত্ৰখনৰ চৌহদত দুগৰাকী আতা ক্ৰমে ৰাম আতা আৰু হৰিহৰ আতাৰ চিৰ বন্দনীয় ভেটি উচন কৰি ধুবুৰী জিলা প্ৰশাসনৰ পৃষ্ঠপোষকটাত গঢ়ি উঠা এটা অশুভ চক্ৰই বৰ্তমানেও তিনিমহলীয়া ভৱনৰ নিৰ্মাণ কাৰ্য অবাধ গতিত চলাই থকাৰ অভিযোগ উত্থাপিত হৈছে।

■ ধুবুৰী জিলা প্ৰশাসনৰ সত্ৰীয়া পৰম্পৰা ভংগ অব্যাহত

মধুপুৰ সত্ৰ সমিতিৰ প্ৰচাৰ সম্পাদক যুগান্ত বায়নে সদৰী কৰা মতে, ধুবুৰী জিলাৰ গড়কাপ্তানী বিভাগৰ আশীৰ্বাদত মধুপুৰ সত্ৰৰ বৰ্তমানৰ সত্ৰাধিকাৰজনৰ শাৰীৰিক অসুস্থতাৰ সুযোগ গ্ৰহণ কৰি এই চক্ৰটোৱে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ইহলীলা সম্বৰণ কৰা, অসমীয়া জাতিৰ প্ৰাণস্বৰূপ মধুপুৰ সত্ৰত মহাপুৰুষীয়া কৃষ্টি-সংস্কৃতি তথা পৰম্পৰা ধ্বংসৰ কফিনত শেষৰ গজালটো মাৰিবলৈ তৎপৰ হৈছে। যোৱা ১২ এপ্ৰিলত বৰপেটা, বৰদোৱা, সুন্দৰীদিয়া, ময়নবড়ী, সত্ৰশাল আদি সত্ৰৰ সত্ৰাধিকাৰৰ লগতে উত্তৰ-বংগৰ ভকত-বৈষ্ণৱসকলৰ সভাই আৰু যোৱা ২০ মে'ত গুৱাহটী প্ৰেছ ক্লাবত অনুষ্ঠিত মধুপুৰ সত্ৰ সমিতিৰ এখন সংবাদমেলত সত্ৰখনত বৰ্তমানে বিৰাজ কৰা আৰজক পৰিস্থিতিৰ প্ৰতি ৰাইজ তথা চৰকাৰক দৃষ্টি আকৰ্ষণ কৰাৰ লগত উক্ত সত্ৰীয়া পৰম্পৰা বিৰোধী কাৰ্য তৎকালীনভাৱে বন্ধ কৰিবলৈ আহ্বান জনোৱা হয়। ইয়াৰ লগতে সত্ৰ সমিতিৰ তৰফৰ পৰা ধুবুৰী জিলাৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ লগতো সঘনে যোগাযোগ চলাই থকা হৈছে যদিও চৰকাৰে এই পৰ্যন্ত আনুষ্ঠানিকভাৱে এই নিৰ্মাণ কাৰ্য বন্ধ কৰাৰ বাবে ১৩ পৃষ্ঠাত চাওক

# সৰ্থেবাৰীৰ পথ দুৰ্ঘটনাত আক্ৰান্তৰ ঘৰত বিধায়ক শিকদাৰ



**অগ্ৰদূত বাৰ্তা**
**সৰ্থেবাৰী, ২৩ মে' ঃ** যোৱা ১৬ মে'ত সৰ্থেবাৰীত সংঘটিত শোকাৱহ পথ দুৰ্ঘটনাত নিহত কাৰাকুছি গাঁৱৰ নিবাসী বিশিষ্ট ব্যৱসায়ী হৰগোবিন্দ ডেকাৰ বাসগৃহত আজি সৰুক্ষেত্ৰী সমষ্টিৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰ উপস্থিত হয়। আজি আবেলি প্ৰায় চাৰি বজাত দলীয় সতীৰ্থসকলক লগত লৈ বিধায়কজনে প্ৰয়াত ডেকাৰ কাৰাকুছিস্থিত বাসগৃহত উপস্থিত হৈ ডেকাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে তেওঁৰ পত্নী-পুত্ৰ সমন্বিতে আত্মীয়-স্বজনক সমবেদনা জ্ঞাপন কৰে। ইয়াৰ পাছত বিধায়কজনে একেটা দুৰ্ঘটনাতে প্ৰাণ হেৰুওৱা নামশালা গাঁৱৰ প্ৰণৱ ভূঞা আৰু চিত্ত ভূঞাৰ ঘৰত উপস্থিত হৈ শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে। তদুপৰি বিধায়কজনে দুৰ্ঘটনাত আহত নামশালা গাঁৱৰ কে'বাজনো ব্যক্তিৰ বাসগৃহত উপস্থিত হৈ তেওঁলোকৰ খা-খবৰ লয় আৰু আশু আৰোগ্য কামনা কৰে। এই দুৰ্ঘটনাত আক্ৰান্ত প্ৰতিটো পৰিয়ালে যাতে ন্যায় লাভ কৰে তাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবে তেওঁ জিলা প্ৰশাসন আৰু আৰক্ষীক দাবী জনায়। লগতে বিধায়ক শিকদাৰে অনাগত দিনত এনে ধৰণৰ দুৰ্ঘটনাৰ পৰা হাত সাৰি থাকিবলৈ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ বাবেও প্ৰশাসনক অনুৰোধ জনায়। অঞ্চলটোত সংঘটিত এনে ধৰণৰ দুৰ্ঘটনাৰ বাবে মাদক দ্ৰব্য সেৱন কৰি গাড়ী চলোৱাটো এটা কাৰণ হ'ব পাৰে বুলি তেওঁ সন্দেহ ব্যক্ত কৰে। এই ক্ষেত্ৰত অবৈধ মদৰ ব্যৱসায়ৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ বাবে তেওঁ আৰক্ষী প্ৰশাসনক দাবী জনায়। লগতে ১৩ পৃষ্ঠাত চাওক

# টিহু ছোৱালী হাইস্কুলত আন্তৰ্জাতিক জীৱ বৈচিত্ৰ্য দিৱস



**অগ্ৰদূত বাৰ্তা**
**টিহু, ২৩ মে' ঃ** আন্তৰ্জাতিক জীৱ বৈচিত্ৰ্য দিৱস উপলক্ষে আজি টিহু ছোৱালী হাইস্কুলত শিক্ষানুষ্ঠানখনৰ ইক' ক্লাবৰ উদ্যোগত এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। টিহু ছোৱালী হাইস্কুলৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী নিলীমা দেৱীৰ সঞ্চালনাত 'ভাল ভৱিষ্যৎ সকলো জীৱৰ ১৩ পৃষ্ঠাত চাওক

# বাসুগাঁও ছিনিয়ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ সভাত হিচাপ পৰীক্ষা

**অগ্ৰদূত বাৰ্তা**
**গৰুভাষা, ২৩ মে' ঃ** বাসুগাঁও ছিনিয়ৰ উচ্চতৰ মাধ্যমিক স্কুল পৰিচালনা সমিতিৰ প্ৰথমখন সভা যোৱা ২২ মে'ত বাসুগাঁও মহাবিদ্যালয়ত অনুষ্ঠিত হয়। পূৰ্বৰ সভাপতি তথা বাসুগাঁও মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি দেৰসাচাত বসুমতাৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত নতুন সমিতিক দায়িত্বভাৰ অৰ্পণ কৰিবলৈ লোৱাত নৱগঠিত পৰিচালনা সমিতিৰ সভাপতি তথা স্থানীয় বিধায়ক জয়ন্ত বসুমতাৰীয়ে বিদ্যালয়ৰ হিচাপ পৰীক্ষা অবিহনে দায়িত্ব গ্ৰহণ কৰাত অপাৰগতা প্ৰকাশ কৰাত সভাপতি বসুমতাৰীয়ে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰণেন মুছাহাৰীৰ সহযোগিতাৰে আৰু বিদ্যালয়ৰ গাণনিক তথা কাৰ্যালয়ৰ সহায়কক অহা ১০ দিনৰ ভিতৰত হিচাপ পৰীক্ষা কাৰ্য সম্পন্ন কৰিবলৈ নিৰ্দেশ দিয়ে। উক্ত সভাতে পৰিচালনা সমিতিৰ তিনিজন সদস্য ক্ৰমে দেবেন ৰায়, প্ৰদীপ দত্ত আৰু ৰবীন বড়োক হিচাপ পৰীক্ষকৰূপে মনোনীত কৰা হয়। সভাখনত বাসুগাঁও ছিনিয়ৰ উচ্চতৰ মাধ্যমিক স্কুলৰ সুকীয়া অধ্যক্ষ মাংফুঙছাৰ বসুমতাৰীক দায়িত্ব দিয়া হয় যদিও বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী গোটে বিষয়টো এৰাই চলে। হিচাপ পৰীক্ষা সম্পন্নৰ লগতে সভাপতি তথা বিধায়কৰ সন্মতি সাপেক্ষে পৰৱৰ্তী সভাখন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

# দৰংগিৰি কল বজাৰক কেন্দ্ৰ কৰি উদ্যোগ গঢ়াৰ সম্ভাৱনা আছে

কলৰ বজাৰত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাৰ আলোচনাচক্ৰ

**অগ্ৰদূত বাৰ্তা**
**দুধনৈ, ২৩ মে' ঃ** এছিয়াৰ বিখ্যাত কলৰ বজাৰৰূপে খ্যাত দৰংগিৰিৰ কলৰ বজাৰ অধ্যয়নৰ বাবে আজি উপস্থিত হয় দুধনৈ কলেজ আৰু গুৱাহাটীৰ কে চি দাস মহাবিদ্যালয় কলেজৰ অধ্যাপক-অধ্যাপিকাৰ দল। 'জইণ্ট এক্সটেনচন ৱাৰ্ক' শীৰ্ষক কাৰ্যসূচীৰ অংশৰূপে দুয়োখন কলেজৰ অধ্যাপক আৰু অধ্যাপিকাসকলে দৰংগিৰি কল বজাৰ পৰিচালনা সমিতি তথা দৰংগিৰি আঞ্চলিক উন্নয়ন সমিতিৰ বিষয়ববীয়াসকলৰ স'তে দৰংগিৰি আঞ্চলিক উন্নয়ন সমিতিৰ কাৰ্যালয়ত এক আলোচনা চক্ৰত মিলিত হয়। দৰংগিৰি আঞ্চলিক উন্নয়ন সমিতিৰ উপ-সভাপতি আনন্দ ৰাম খাখলাৰীৰ সভাপতিত্বত অনুষ্ঠিত আলোচনা চক্ৰত কে চি দাস কমাৰ্চ কলেজৰ অধ্যক্ষ ড° হৃষিকেশ বৰুৱাই উল্লেখ কৰে যে দৰংগিৰিৰ কলৰ বজাৰখন দেশৰ ভিতৰত বা এছিয়াৰ ভিতৰত কোন স্থানত আছে তাৰ তথ্য সংগ্ৰহ কৰি ইয়াৰ প্ৰকৃত স্থান নিৰূপণ কৰা, কল বজাৰখনক কেন্দ্ৰ কৰি কিছুমান উদ্যোগ গঢ়ি তুলিব পাৰি নেকি আৰু কল বজাৰৰ পেলনীয়া কলৰ ঠাৰিৰ পৰা মানুহৰ প্ৰয়োজনীয় সামগ্ৰী যেনে কেচু সাৰ বা পোচন সাৰ আদি প্ৰস্তুত কৰি লাভবান হ'ব পাৰি নেকি লগতে বজাৰৰ পৰিৱেশ কেনেকৈ সুন্দৰভাৱে ৰাখিব পাৰি এই বিষয়ে বক্তব্য আগবঢ়ায়। ইপিনে, উন্নয়ন সমিতিৰ বিষয়ববীয়া হিতেশ ৰায় পাটগিৰিয়ে বজাৰখনৰ পূৰ্বৰ অৱস্থা আৰু বৰ্তমানৰ অৱস্থাৰ বিষয়ে ১৩ পৃষ্ঠাত চাওক




■ বিতৰ্কৰ পাছতে নিয়ম বহিৰ্ভূতভাৱে নিয়া ধনৰাশি পৌৰসভাক ওভতাই দিলে পৌৰপতিয়ে

# তিতাবৰ পৌৰসভাত এলাগী ভ্ৰাম্যমাণ প্ৰস্ৰাৱাগাৰ-শৌচালয়

**তিতাবৰ, ২৩ মে' ঃ** তিতাবৰ পৌৰসভাই দায়িত্বভাৰ গ্ৰহণ কৰিলে যদিও বৰ্তমানলৈকে সমস্যা সমাধানৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ নকৰাৰ অভিযোগ উত্থাপিত হৈছে। তিতাবৰ তিনিআলিৰ পৰা চাৰিআলিৰ পৰিসীমাৰ ভিতৰত অত্যাধুনিক স্বাস্থ্যসন্মত ৰাজহুৱা প্ৰস্ৰাৱাগাৰ এটাৰ ব্যৱস্থা কৰিবলৈ দীৰ্ঘদিনৰ পৰা দাবী জনাই অহাৰ পাছতো পৌৰসভাই আজিলৈকে কোনো গুৰুত্ব প্ৰদান কৰা নাই। তিতাবৰ নগৰ অঞ্চলত ৰাজহুৱা প্ৰস্ৰাৱাগাৰ আৰু শৌচালয় স্থাপন কৰিবলৈ সুবিধাজনক ভূমি নথকাত ভাৰতীয় তেল আৰু প্ৰাকৃতিক গেছ নিগমে কোম্পানীটোৰ সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত তিতাবৰ পৌৰসভাক দুখন ভ্ৰাম্যমাণ বায়'টয়লেটযুক্ত বাহন যোগান ধৰিছিল। কিন্তু পৌৰসভাই আজি দুবছৰে বায়'টয়লেটযুক্ত বাহন দুখন ব্যৱহাৰ কৰি পথচাৰীসকলৰ বাবে সুবিধা প্ৰদানত ব্যৰ্থ হৈছে। ফলত বছৰ বছৰ ধৰি অচল অৱস্থাত থকা বাহন দুখন পৌৰসভাৰ গেৰেজতে অকামিলা হৈ আছে। তদুপৰি নুমলীগড় তেল শোধনাগাৰৰ সামাজিক দায়বদ্ধতা আঁচনিৰ পুঁজিৰে ঘৰে ঘৰে জাবৰ সংগ্ৰহ কৰিব পৰাকৈ তিতাবৰ পৌৰসভাক চাৰিখন জাবৰ কঢ়িয়াব পৰা এ চি গাড়ী যোগান ধৰিছিল। পৌৰ নিৰ্বাচনৰ আগলৈকে এই চাৰিখন গাড়ীয়ে পৌৰ বাসিন্দাসকলক সুন্দৰভাৱে সেৱা আগবঢ়াই আহিছিল। শেহতীয়াকৈ ইয়াৰে দুখন গাড়ী কাৰিকৰী বিজুতিৰ বাবে সেৱা বন্ধ ৰাখিবলগীয়া হোৱাৰ পাছতো পুঁজিৰ অভাৱত পৌৰসভাখনে গাড়ী দুখন মেৰামতি নকৰাকৈ পেলাই থোৱা বুলি অভিযোগ ১৩ পৃষ্ঠাত চাওক

## সোণাইপাৰ শিমলুগুৰি প্ৰাথমিক বিদ্যালয়ৰ চুৰি সামগ্ৰী উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ২৩ মে' ঃ** নগাঁও জিলাৰ খাগৰিজান প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত সোণাইপাৰ শিমলুগুৰি প্ৰাথমিক বিদ্যালয়ৰ পৰা কিছুদিন আগতে বিদ্যালয়ৰ দুৱাৰৰ তলা ভাঙি দুৰ্বৃত্তই বৈদ্যুতিক ফেনকে ধৰি বিভিন্ন সামগ্ৰী চুৰি কৰে। এই সন্দৰ্ভত পাছত হয়বৰগাঁও নগৰ আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষক হবিবুৰ ৰহমানে। পাছত আৰক্ষীয়ে ঘটনাৰ তদন্ত কৰিছিল যদিও চোৰ ধৰিব পৰা নাছিল। কালি পশ্চিম শিমলুগুৰি গাঁওৰক্ষী বাহিনী আৰু বিদ্যালয়খনৰ প্ৰধান শিক্ষকজনে বিশেষ সূত্ৰৰ তথ্যৰ ভিত্তিত স্থানীয় ৰাইজৰ সহযোগত নুৰ ইছলাম নামৰ যুৱক এজনৰ ঘৰৰ পৰা চুৰি হোৱা এখন ফেন উদ্ধাৰ কৰিবলৈ সক্ষম হয়। গাঁওখনৰে খাইৰুল ইছলাম নামৰ আন এজন যুৱকে উক্ত ফেনখন জমা ৰাখিবলৈ দিছিল বুলি নুৰ ইছলামে স্বীকাৰ কৰিছে। পৰৱৰ্তী সময়ত যুৱকজনক হয়বৰগাঁও আৰক্ষীক গতাই দিয়া হয়।

## শংকৰদেৱ সংঘৰ সদস্য হিৰণ্য নাথৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ২৩ মে' ঃ** গোলাঘাট জিলাৰ ঢেকীয়াল নাথ গাঁৱৰ বাসিন্দা কৃষক, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ঢেকীয়াল আঞ্চলিক শাখাৰ মধুসুধন প্ৰাথমিক শাখাৰ সংগী হিৰণ্য নাথ (৬০)ৰ আজি পুৱা ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈ আকস্মিকভাৱে পৰলোকপ্ৰাপ্তি হয়। পুৱা শুই উঠি বাহিৰলৈ যাবলৈ পত্নীক গাটো বেয়া লাগিছে বুলি কৈয়েই বিছনাত ঢলি পৰে আৰু লগে লগেই তেওঁৰ মৃত্যু ঘটে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ এগৰাকী কন্যা আৰু এজন পুত্ৰসহ চাৰিজন ভ্ৰাতৃ আৰু দুগৰাকী ভগ্নীকে ধৰি বহু আত্মীয়ক এৰি যায়। নাথৰ অকাল মৃত্যুত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গোলাঘাট জিলা আৰু ঢেকীয়াল আঞ্চলিক শাখাৰ উপৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰি বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰিছে।

## আত্মহত্যাৰ হুংকাৰ ৰেল কৰ্মচাৰীৰ




## তামুলপুৰ কেন্দ্ৰীয় বিদ্যালয়ত গছপুলি ৰোপণ



**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ২৩ মে' ঃ** তামুলপুৰ জিলা সদৰত অৱস্থিত তামুলপুৰ কেন্দ্ৰীয় বিদ্যালয় চৌহদত আজি তামুলপুৰ বন বিভাগৰ সহযোগত দুই শতাধিক বিভিন্ন প্ৰজাতিৰ ফলমূলৰ গছপুলি ৰোপণ কৰা হয়। পুৱা গছপুলি ৰোপণৰ কাৰ্যসূচী আৰম্ভ কৰে কেন্দ্ৰীয় বিদ্যালয় তামুলপুৰৰ অধ্যক্ষ গুৰুপদ তালুকদাৰে। কেন্দ্ৰীয় বিদ্যালয়ৰ চৌহদৰ সৌন্দৰ্যবৰ্ধনৰ উপৰি ছাত্ৰ-ছাত্ৰীৰ মাজত থলুৱা জাতৰ বিভিন্ন প্ৰজাতিৰ আম, কঠাল, আমলখি, মধুৰী আমৰ লগতে আন আন সৌন্দৰ্যবৰ্ধনকাৰী গছৰ পুলি ৰোপণ কৰে। আজি গছপুলি ৰোপণ কাৰ্যসূচীত তামুলপুৰ বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ ভাৰপ্ৰাপ্ত বনাঞ্চলিক বিষয়া গিৰিন বৰ্মন, বনপালক কনক ঠাকুৰীয়া, বনপালক মিনিসৌ বসুমতাৰী, বনৰক্ষী জগত দাস আৰু আন কৰ্মচাৰীসকল উপস্থিত থাকে।

## মেৰাপানীত দুৰ্ঘটনাত তিনি বছৰীয়া শিশুৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**মেৰাপানী, ২৩ মে' ঃ** গোলাঘাট জিলাৰ মেৰাপানী আৰক্ষী থানাৰ অন্তৰ্গত দুই নম্বৰ নেঘেৰিবিল গাঁৱত আজি বিয়লি সংঘটিত এক শোকাৱহ পথ দুৰ্ঘটনাত এটি তিনি বছৰীয়া শিশুৱে কৰুণভাৱে মৃত্যুক সাবটি লয়। গাঁওখনৰ উমৰ আলীৰ তিনি বছৰীয়া সন্তানটি পথৰ কাষত খেলি থকা অৱস্থাত এখন তীব্ৰবেগী মিনি ট্ৰাকে মহটিয়াই নিয়াত থিতাতে মৃত্যু ঘটে কণমানিটিৰ। এ এছ-০২ চি চি-৮০১৩ নম্বৰৰ মিনি ট্ৰাকখনে দুই নম্বৰ নেঘেৰিবিল গাঁৱৰ পৰা শাক-পাচলি বোজাই কৰিবলৈ যাওঁতেই দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনা সংঘটিত কৰিয়েই বাহনখন পথৰ ওপৰতে এৰি পলায়ন কৰে চালক আৰু সহযোগীয়ে। শিশুটিৰ এনে শোকাৱহ মৃত্যুত পৰিয়ালবৰ্গৰ লগতে গাঁওবাসীৰ মাজত কান্দোনৰ ৰোল উঠে। মেৰাপানী আৰক্ষীয়ে দুৰ্ঘটনা সংঘটিত কৰা মিনি ট্ৰাকখন জব্দ কৰাৰ লগতে শিশুটিৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে গোলাঘাট সদৰৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে।

## ডিব্ৰুগড়ত আনলাৰ দুই সদস্যৰ আত্মসমৰ্পণ

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ২৩ মে' ঃ** ডিব্ৰুগড়ত দুজন আনলাৰ দুৰ্ধৰ্ষ সদস্যই অস্ত্ৰসহ আত্মসমৰ্পণ কৰে। দীপক গোৱালা (৪৯) আৰু ৰাজ সাহানী (২৩) নামৰ দুই আনলাৰ সদস্যই এটা সাত পইণ্ট ৬৫ পিষ্টল আৰু জিৰ' পইণ্ট ২২ পিষ্টল জমা দিয়াৰ লগতে ছটা সক্ৰিয় গুলি আৰু এ কে-৪৭ৰ তিনিটা সক্ৰিয় গুলি জমা দিয়ে। ডিব্ৰুগড় আৰক্ষী অধীক্ষক কাৰ্যালয়ত সেনাৰ ১৮ জন গাড়োৱাল আৰু চি আৰ পি এফৰ ১৭১ বেটেলিয়নৰ জৰিয়তে আত্মসমৰ্পণ কৰে দুই উগ্ৰপন্থী সদস্যই। গোলাঘাটৰ ৰঙাগড়াৰ দীপক আৰু ৰাজক আৰক্ষীয়ে অধিক তথ্যৰ বাবে সোধ-পোছ অব্যাহত ৰাখিছে।

## ৰাজগড়ত জনজাতিকৰণৰ দাবীত আটাছুৰ অৱস্থান ধৰ্মঘট ৰূপায়ণ



**অগ্ৰদূত বাৰ্তা**

**ৰাজগড়, ২৩ মে' ঃ** জনজাতিকৰণৰ দাবীত সদৌ তাই আহোম ছাত্ৰ সন্থা চমুকৈ আটাছুৰ ৰাজগড় আঞ্চলিক সমিতিয়ে আজি দুপৰীয়া টিংখাং সমষ্টিৰ ৰাজগড়ত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। মৰাণ মহকুমা সমিতিৰ উদ্যোগত ৰাজগড় ছহিদ বেদীৰ সমীপত সংগঠনটোৰ শতাধিক সদস্যই দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে আটাছুৱে জন্মলগ্নৰে পৰা তাই আহোমক জনজাতিকৰণৰ দাবীত এক দীঘলীয়া সংগ্ৰাম অব্যাহত ৰাখিছে যদিও অতি পৰিতাপৰ বিষয় যে আজিকোপতি এই দাবী সমাধানৰ ক্ষেত্ৰত ফলপ্ৰসূ কাৰ্যব্যৱস্থা গ্ৰহণ কৰা নহ'ল। ৰাজনৈতিক দলসমূহে নিৰ্বাচনৰ সময়ত ভুৱা প্ৰতিশ্ৰুতিৰে নিৰ্বাচনী বৈতৰণী পাৰ হোৱা এক

### বিজেপি পুঁজিপতিৰ হাতৰ মুঠিত আবদ্ধ

আহিলা হিচাপে ব্যৱহাৰ কৰি অহা বুলি অভিযোগ উত্থাপন কৰে প্ৰতিবাদকাৰীয়ে। বিজেপিয়ে চৰকাৰ গঠন কৰিলেই জনজাতিকৰণ প্ৰদান কৰিব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল যদিও সেই প্ৰতিশ্ৰুতি কিছু আলোচনা আৰু কমিটী গঠনতে কিয় সীমাবদ্ধ হৈ থাকিল বুলি প্ৰশ্ন উত্থাপন কৰি 'সবকা সাথ সবকা বিকাশ'ৰ শ্ল'গান দি অহা চৰকাৰখনে আজি দুখীয়া ৰাইজৰ পক্ষত নাথাকি কেৱল পুঁজিপতি ব্যক্তিৰ হাতৰ মুঠিত আবদ্ধ বুলি ক্ষোভ উজাৰে। কাৰ্যসূচীত অংশগ্ৰহণ কৰা আটাছুৰ কেন্দ্ৰীয় সমিতিৰ যুটীয়া সম্পাদক মিলন বুঢ়াগোহাঁই, উপ-সভাপতি দেৱজিৎ গগৈ, ডিব্ৰুগড় জিলাৰ সম্পাদক ৰূপম গগৈ, সহকাৰী সম্পাদক ভাস্কৰজ্যোতি বৰুৱা, মৰাণ মহকুমা সমিতিৰ সভাপতি পাপু গগৈ, সম্পাদক নিৰঞ্জন গন্ধীয়া আদিয়ে শীঘ্ৰে জনজাতিকৰণৰ ক্ষেত্ৰত ইতিবাচক পদক্ষেপ গ্ৰহণ নকৰিলে শাসকীয় ডাবল ইঞ্জিনৰ চৰকাৰখনৰ বিৰুদ্ধে জংগী প্ৰতিবাদ গঢ়ি তুলিব বুলি হুংকাৰ দিয়ে।

## লোশলীয়া মিলনজ্যোতি মইনা পাৰিজাতৰ প্ৰথম বাৰ্ষিক শিশু সমাৰোহ সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**বৰহোলা, ২৩ মে' ঃ** তিতাবৰ জিলা মইনা পাৰিজাতৰ অন্তৰ্গত বৰহোলা আঞ্চলিক মইনা পাৰিজাতৰ এটি সক্ৰিয় শাখা মইনা পাৰিজাত মিলনজ্যোতি মইনা পাৰিজাতে আজি দিনজোৱা কাৰ্যসূচীৰে লোশলীয়া ৰংগমঞ্চত প্ৰথম বাৰ্ষিক শিশু সমাৰোহ অনুষ্ঠিত কৰে। মৰাণ, বেতনি, বামুণ কলিতা আৰু লোশলীয়া গাঁৱক অন্তৰ্ভুক্ত কৰি গঠন কৰা শাখা পাৰিজাতটোৰ প্ৰথম বাৰ্ষিক শিশু সমাৰোহৰ পতাকা উত্তোলন লোশলীয়া গাঁৱৰ গাঁওবুঢ়া হিৰণ্য হাজৰিকাই আৰু স্মৃতি তৰ্পণ কৰে মইনা হীৰকজ্যোতি শইকীয়াই। ইয়াৰ পাছতে মইনাসকলৰ মাজত দুটা শাখাত বিয়া নাম, কবিতা আবৃত্তি আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাসমূহ পৰিচালনা কৰে ভৰেশ চুতীয়াই। ইয়াৰ পাছতে বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ বুধিন হাজৰিকাৰ সভাপতিত্বত মুকলি আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। মইনা কৰ্মী নৱ ৰাজখোৱাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত বিশিষ্ট অতিথি হিচাপে বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষদ্বয় বিজয় মোহন সন্দিকৈ আৰু মহেন্দ্ৰ নাথ হাজৰিকা, তিতাবৰ জিলা মইনা পাৰিজাতৰ সম্পাদক ৰবীন মহন্ত, বৰহোলা বালিকা উচ্চ ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দ্বীপেন শইকীয়াই বক্তব্য ৰাখে। মিলনজ্যোতি মইনা পাৰিজাতৰ প্ৰাক্তন মইনা নৱজ্যোতি নেওগেও বক্তব্য ৰাখে। সমাৰোহত স্থানপ্ৰাপ্ত মইনাসকলক কিতাপ আৰু মানপত্ৰৰে অভিনন্দন জনায়। সভাত বচা চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক মহেন্দ্ৰ নাথ হাজৰিকা, বৰহোলা বালিকা উচ্চ ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ৰূপা নেওগ, ইকৰানি আঞ্চলিক পঞ্চায়তৰ প্ৰাক্তন সদস্য লাৱণ্য সোণোৱাল, সেউজী মইনা পাৰিজাতৰ পৰিচালিকা কস্তুৰী ৰাজখোৱা প্ৰমুখ্যে বহুসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাৰ অন্তত মিলনজ্যোতি মইনা পাৰিজাতৰ মইনাসকলে গীত, নৃত্য প্ৰদৰ্শন কৰে। কাৰ্যসূচীসমূহৰ আৰম্ভ কৰে মিলনজ্যোতি মইনা পাৰিজাতৰ প্ৰাক্তন মইনা ইন্দ্ৰাণী হাজৰিকাই।

## কঠিয়াতলি কন্দলীৰ ১৩ নম্বৰ বাগানত মৃত বন্যহস্তী উদ্ধাৰ



**কঠিয়াতলি, ২৩ মে' ঃ** নগাঁও জিলাৰ কঠিয়াতলি আঞ্চলিক বন বিভাগৰ অন্তৰ্গত কন্দলী ১৩ নম্বৰ বাগানৰ পাহাৰৰ নামনিত এটি বন্যহস্তীৰ মৃতদেহ উদ্ধাৰ হয়। আজি পুৱা বনকৰ্মীৰ টহলদাৰী গোটে দৈনিক টহল দিয়াৰ সময়ত এটি মৃত হাতী প্ৰত্যক্ষ কৰি কঠিয়াতলি কাৰ্যালয়ত খবৰ দিয়ে। বন্যহস্তীৰ জাকৰ মাজত হোৱা যুঁজৰ ফলত হাতীটোৰ মৃত্যু হোৱা বুলি একাংশ লোকে আশংকা কৰাৰ বিপৰীতে একাংশ লোকে খাদ্য সংকটত পৰি মৃত্যু হোৱাৰ শংকা কৰিছে। বন বিভাগৰ লোক তথা স্থানীয় ৰাইজে মৃত হাতীটোৰ অকাল মৃত্যুত শোক প্ৰকাশ কৰাৰ লগতে চাকি-বন্তি জ্বলাই হাতীটোৰ আত্মাৰ সদগতি কামনা কৰে। কঠিয়াতলিস্থিত পশু চিকিৎসা কেন্দ্ৰৰ লোকে মৃত হাতীটোৰ মৰণোত্তৰ পৰীক্ষা কৰে যদিও বৰ্তমানলৈকে হাতীটোৰ মৃত্যুৰ কাৰণ উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই।

## শিক্ষয়িত্ৰী ভদ্ৰেশ্বৰী বৰুৱাৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ২৩ মে' ঃ** গোলাঘাট জিলাৰ মিছামৰা অঞ্চলৰ খনিকৰ উচ্চ বুনিয়াদী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী তথা ধৰ্মপ্ৰাণা মহিলা ভদ্ৰেশ্বৰী বৰুৱা (৮৪)ৰ যোৱা নিশা যোৰহাটৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাতে পৰলোকপ্ৰাপ্তি ঘটে। কিছুদিন অসুখত ভুগি থকা খনিকৰৰ অগ্ৰণী মহিলাগৰাকী কালি গুৰুতৰভাৱে অসুস্থ হৈ পৰাত চিকিৎসালয়ত পৰিয়ালৰ লোকে ভৰ্তি কৰে যদিও নিশালৈ মৃত্যু ঘটে। ১৯৯৮ত খনিকৰ উচ্চ বুনিয়াদী বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা শিক্ষয়িত্ৰীগৰাকী খনিকৰ নৰহৰি প্ৰাথমিক বিদ্যালয়, দুলীয়া গাঁও উচ্চ বুনিয়াদী বিদ্যালয়তো শিক্ষকতা কৰিছিল। জীৱনৰ দীৰ্ঘ সময় শিক্ষকতা কৰি সকলোৰে মাজত জনপ্ৰিয় হৈ পৰা বৰুৱাৰ মৃত্যুত স্থানীয় খনিকৰ ঐক্যমঞ্চ, বিভিন্ন অনুষ্ঠান তথা ব্যক্তিৰ লগতে খনিকৰ উচ্চ বুনিয়াদী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, পৰিচালনা সমিতিৰ সভাপতি প্ৰমুখ্যে সদস্য-সদস্যা, মাতৃগোটৰ বিষয়ববীয়াসকলৰ উপস্থিতিত বিদ্যালয়ৰ প্ৰাতঃসভাত এক মিনিট সময় মৌন প্ৰাৰ্থনাৰে বিদেহ আত্মাৰ সদগতি কামনা কৰা হয়। মৃত্যুৰ সময়ত তেওঁ এজন পুত্ৰসহ বোৱাৰী, চাৰিগৰাকী জীয়ৰীসহ তিনিজন জোঁৱাই, নাতি-নাতিনী আৰু আত্মীয়ৰ লগতে বহু গুণমুগ্ধক এৰি গৈছে।

## বহুভাষিক কবি সন্মিলনৰ লখিমপুৰ সৰ্বশ্ৰেষ্ঠ জিলাৰূপে নিৰ্বাচিত

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ২৩ মে' ঃ** অসম বহুভাষিক কবি সন্মিলনৰ বঙাইগাঁও বীৰঝৰাস্থিত পাব্লিক লাইব্ৰেৰী প্ৰেক্ষাগৃহত সদ্য অনুষ্ঠিত কেন্দ্ৰীয় দ্বি-বাৰ্ষিক অধিবেশনত অসমৰ সৰ্বশ্ৰেষ্ঠ জিলা সমিতিৰূপে লখিমপুৰ নিৰ্বাচিত হোৱাৰ লগতে লখিমপুৰৰ বিশিষ্ট কবি কোচ ৰূপজ্যোতি দত্ত উপ-সভাপতি হিচাপে নিৰ্বাচিত হোৱাৰ বাবে লখিমপুৰ জিলা বহুভাষিক কবি সন্মিলনৰ প্ৰচাৰ সম্পাদক ৰূপম বিকাশ কোচে অভিনন্দন জনাইছে। এক বিজ্ঞপ্তিযোগে কোচে উল্লেখ কৰে যে লখিমপুৰ জিলা বহুভাষিক কবি সন্মিলনৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক কোচ ৰূপজ্যোতি দত্তক পুনৰ আগন্তুক দ্বি-বৰ্ষৰ বাবে নিৰ্বাচিত কৰাত কাব্য, সাহিত্য সংস্কৃতিপ্ৰেমীয়ে শুভেচ্ছা জনাইছে।










এছিয়া কাপ পুৰুষ হকী

## পাকিস্তানৰ লগত ড্ৰ খেলি অভিযান চেম্পিয়ন ভাৰতৰ

**নতুন দিল্লী, ২৩ মে' ঃ** ডিফেণ্ডিং চেম্পিয়ন ভাৰতে ইণ্ডোনেছিয়াৰ জাকাৰ্টাত আৰম্ভ হোৱা এছিয়া কাপ পুৰুষৰ হকী প্ৰতিযোগিতাত ড্ৰ খেলি নিজৰ অভিযান আৰম্ভ কৰিছে। উল্লেখ্য যে ভাৰতৰ পুৰুষৰ হকী দলে আজি প্ৰথমখন মেচ খেলে পাকিস্তানৰ বিৰুদ্ধে। প্ৰথমে গ'ল কৰাৰ পাছতো অন্তিম ক্ষণত গ'ল হজম কৰি মেচখনত পইণ্ট ভগাই লয় ভাৰতৰ পুৰুষৰ হকী দলে। উল্লেখ্য যে আজি খেলৰ অষ্টম মিনিটত কাৰ্থী চেলভামৰ জৰিয়তে ভাৰতে প্ৰথমে মেচত অগ্ৰগতি লাভ কৰাৰ পাছত দলে জয়ৰ দিশে অগ্ৰসৰ হয়। কিন্তু পকিস্তানৰ হৈ আব্দুল ৰানাই ৫৯ মিনিটত পেনাল্টি কৰ্ণাৰত গ'ল কৰি মেচত সমতা স্থাপন কৰিবলৈ সক্ষম হয় আৰু প্ৰতিবেশী দলটোৰ হৃদয় ভাঙি পেলায়। ইয়াৰপূৰ্বে তৃতীয় মিনিটত পেনাল্টি কৰ্ণাৰৰ ৰূপত পাকিস্তানে প্ৰথমটো গ'ল দিয়াৰ সুযোগ লাভ কৰিছিল যদিও ভাৰত সেয়া ৰক্ষা কৰে। আজি পাকিস্তানৰ লগত ১-১ গ'লত ড্ৰ' খেলা ভাৰতে পৰৱৰ্তী মেচত কাইলৈ জাপানৰ বিৰুদ্ধে খেলিব।

বক্সিং ৰিঙত পুনৰ 'জয় আই অসম' ধ্বনি ঃ পৰৱৰ্তী মেচ টানজানিয়াত ঃ প্ৰতিপক্ষ হ'ব বিদেশী

# অভিজিতৰ অপ্ৰতিৰুদ্ধ অপৰাজেয় যাত্ৰা অব্যাহত

**ষ্টাফ ৰিপৰ্টাৰ**

**গুৱাহাটী, ২৩ মে' ঃ** বক্সিং ৰিঙত আকৌ এবাৰ অংকুৰিত হ'ল 'জয় আই অসম', 'অভিজিত জিন্দাবাদ' ধ্বনি। অসমীয়া গামোছা লৈ বক্সিং ৰিঙত সাফল্যৰ উল্লাসেৰে অসম জননীৰ প্ৰতিভাবান আৰু এজন সন্তানে গৌৰৱান্বিত কৰিলে অসমীয়া জাতীক। উল্লেখ্য যে অসমৰ প্ৰথম পেছাদাৰী বক্সাৰৰূপে বিশ্ব বক্সিং পৰিষদ আৰু এচিয়ান বক্সিং পৰিষদৰ অধীনত নতুন দিল্লীত ৰয়েল স্পৰ্টচ প্ৰমোশ্যনছে আয়োজন কৰা পেছাদাৰী বক্সিং প্ৰতিযোগিতাত অসম সন্তান অভিজিত বৰুৱাৰ অপ্ৰতিৰুদ্ধ অপৰাজেয় যাত্ৰা অব্যাহত আছে। প্ৰতিযোগিতাত যোৱানিশাৰ দ্বিতীয় ৰাউণ্ডৰ মেচত অভিজিত মুখামুখি হয় উত্তৰ প্ৰদেশৰ শিৰম তিৱাৰীৰ। মাত্ৰ ১৯ ছেকেণ্ডতে ৰিঙত শিৰমক ধাৰাশায়ী কৰি নকআউট কৰি দিয়ে অভিজিতে। তাৰপাছতে ষ্টেডিয়ামত অংকুৰিত হ'ল 'জয় আই অসম', 'অভিজিত জিন্দাবাদ' ধ্বনি। ইফালে, অভিজিতৰ জন্মস্থান যোৰহাটত আৰম্ভ হয় অবতৰীয়া দীপাৱলীও। ইয়াৰপূৰ্বে প্ৰতিযোগিতাৰ নিজৰ প্ৰথমখন খেলতে জয়লাভ কৰি চমকপ্ৰদ আৰম্ভনি কৰিছিল অভিজিতে। প্ৰথম ৰাউণ্ডৰ মেচত অভিজিতে প্ৰতিদ্বন্দ্বী হিতেশ কাচানক হেলাৰঙে নক আউট কৰি পেছাদাৰী বক্সিং জগতত নিজৰ গৌৰৱময় অভিযান আৰম্ভ কৰিছিল। অভিজিতে দহ ছেকেণ্ডৰ ভিতৰতে বিধ্বস্ত কৰিছিল প্ৰতিদ্বন্দ্বী হিতেশ কাচানক। অভিজিতৰ নিৰ্দয় পাঞ্চত ধৰাশায়ী হৈ ৰিঙত বাগৰি পৰা প্ৰতিদ্বন্দ্বী হিতেশ কাচানে হাত উঠাই আত্মসমৰ্পন কৰাত ৰেফাৰীয়ে মেচ সমাপ্তৰ সংকেট দিয়ে। সেই সফলতাৰে দৃঢ় হৈ থকা অভিজিতে যোৱানিশা দ্বিতীয় ৰাউণ্ডৰ মেচখনত আৰম্ভনিৰ পৰাই আত্মবিশ্বাসৰে খেলে আৰু প্ৰত্যাশিত সফলতা লাভ কৰে। এই সফলতাৰে পৰৱৰ্তী ৰাউণ্ডলৈ উন্নীত হোৱা অভিজিতে তৃতীয় মেচ খেলিব বিদেশৰ ভূমিত। অহা ১৫-২০ জুনৰ ভিতৰত টানজানিয়াত হ'ব অভিজিতৰ পৰবৰ্তী মেচ। প্ৰতিদ্বন্দ্বীও এইবাৰ বিদেশী বক্সাৰ হ'ব। কিন্তু এতিয়াও নিশ্চিত হোৱা নাই অভিজিতৰ প্ৰতিদ্বন্দ্বী। তৃতীয় ৰাউণ্ডৰ মেচত সফলতা লাভ কৰিলেও ৱল্ড ৰাউণ্ডত প্ৰৱেশ কৰিব অসম সন্তান।



## ডব্লিউ বি চিত অংশ লৈ বিশ্ব চেম্পিয়নশ্বিপ লাভৰ সপোন অভিজিতৰ

**ষ্টাফ ৰিপৰ্টাৰ**

**যোৰহাট, ২৩ মে' ঃ** অসমৰ প্ৰথম পেছাদাৰী বক্সাৰৰূপে বিশ্ব বক্সিং পৰিষদ আৰু এচিয়ান বক্সিং পৰিষদৰ অধীনত নতুন দিল্লীত ৰয়েল স্পৰ্টচ প্ৰমোশ্যনছে আয়োজন কৰা পেছাদাৰী বক্সিং প্ৰতিযোগিতাত অশ্বমেধৰ ঘোৰাৰ দৰেই আগুৱাই যোৱা অসম সন্তান অভিজিত বৰুৱাক ৰাজকীয়ভাৱে আদৰিবলৈ সাজু হৈছে যোৰহাটবাসী। উল্লেখ্য যে অহা ২৬ মে'ত গৃহভূমিত উপস্থিত হ'ব অভিজিত। প্ৰতিযোগিতাৰ যোৱানিশাৰ দ্বিতীয় ৰাউণ্ডৰ মেচত অভিজিত মুখামুখি হয় উত্তৰ প্ৰদেশৰ শিৰম তিৱাৰীৰ। মাত্ৰ ১৯ ছেকেণ্ডতে ৰিঙত শিৰমক ধাৰাশায়ী কৰি নকআউট কৰি দিয়ে অভিজিতে। এয়া তেওঁৰ ক্ৰমাগত দ্বিতীয়টো সফলতা। ইয়াৰপূৰ্বে প্ৰথম মেচত অভিজিতে দহ ছেকেণ্ডৰ ভিতৰতে বিধ্বস্ত কৰিছিল প্ৰতিদ্বন্দ্বী হিতেশ কাচানক। উল্লেখ্য যে ২০১১ ত যোৰহাটত খালী ভৰিৰে ২৪ ঘণ্টা দৌৰি গিনীজ ৱৰ্ল্ড ৰেকৰ্ড গঢ়িবলৈ সক্ষম হোৱা অভিজিত বৰুৱাই



পৰৱৰ্তী সময়ত অসম আৰক্ষীত যোগদান কৰে যদিও ২০১৪ ত চাকৰি ত্যাগ কৰি পেছাদাৰী বক্সিঙৰ কঠোৰ অনুশীলনত ব্ৰতী হয়। তেওঁ যোৱা এটা বছৰ হাৰিয়ানাত ৰাজেশ কিশানৰ ওচৰত পেছাদাৰী বক্সিঙৰ প্ৰশিক্ষণ গ্ৰহণ কৰি প্ৰতিযোগিতাৰ বাবে নিজকে সাজু কৰি তোলে। যোৱানিশাৰ বিজয় সাব্যস্ত কৰাৰ পাছত 'দৈনিক অগ্ৰদূত'ৰ লগত হোৱা বাৰ্তালাপত তেওঁ কয়, 'এই জয়ে মোক আত্মবিশ্বাস অধিক দৃঢ় কৰি তুলিছে। পেছাদাৰী বক্সিং খেলাৰ কোনো অভিজ্ঞতা নাছিল। সেয়ে চাপ আছিল যদিও ৰিঙত প্ৰৱেশ কৰাৰ পাছত আত্মবিশ্বাসী হৈ খেলিছিলো। মানসিক শক্তি আছিল মোৰ মূল অস্ত্ৰ।' উল্লেখ্য যে ভৱিষ্যতে তেওঁ বিশ্ব বক্সিং চেম্পিয়নশ্বিপত (ডব্লিউ বি চি) অংশগ্ৰহণ কৰি বিশ্ব চেম্পিয়নশ্বিপ অৰ্জন কৰাৰ সপোন বুকুত বান্ধি ৰাখিছে। উল্লেখ্য যে পৰৱৰ্তী খেলৰ প্ৰতিদ্বন্দ্বী কোন হব সেয়া এতিয়াও নিশ্চিত হোৱা নাই। পেছাদাৰী বক্সিং প্ৰতিযোগিতাৰ নিয়ম অনুসৰি তেওঁৰ পৰৱৰ্তী প্ৰতিদ্বন্দ্বিতা বিদেশী খেলুৱৈৰ বিৰুদ্ধে হোৱাটো নিশ্চিত। অহা ১৫-২০ জুনৰ ভিতৰত টানজানিয়াত হ'ব অভিজিতৰ পৰবৰ্তী মেচ।




## থমাছ কাপৰ চেম্পিয়ন ভাৰতীয় দলক আৰ্থিক পুৰস্কাৰ প্ৰদান সন্থাৰ

**নতুন দিল্লী, ২৩ মে' ঃ** ইতিহাস গঢ়ি ৭৩ বছৰ পাছত থমাছ কাপ বেডমিণ্টনৰ খিতাপ লাভ কৰা ভাৰতীয় পুৰুষ দলক ইতিপূৰ্বে এই গৌৰৱময় সফলতাৰ বাবে ঘোষণা কৰা আৰ্থিক পুৰস্কাৰ আজি আনুষ্ঠানিকভাৱে প্ৰদান কৰে ভাৰতীয় বেডমিণ্টন ফেডাৰেছনে। এই উপলক্ষ্যে নতুন দিল্লীত হোৱা এক অনুষ্ঠানত ভাৰতীয় বেডমিণ্টন ফেডাৰেছনে থমাছ কাপ বিজয়ী ভাৰতীয় পুৰুষ দলক এক কৌটি টকাৰ চেক প্ৰদান কৰাৰ লগতে দলৰ প্ৰশিক্ষকসহ অন্য সহকাৰী সদস্যসকলক ২০ লাখ টকাৰ চেক দিয়ে। উল্লেখ্য যে ভাৰতৰ পুৰুষ দলে পুনৰ নিজৰ শক্তি আৰু দৃঢ়তাৰে যুঁজ দি ইতিহাস ৰছনাৰে যোৱা সপ্তাহত থমাছ কাপ বেডমিণ্টনৰ খিতাপ লাভ কৰিছিল। কালি থমাছ কাপৰ চেম্পিয়ন ভাৰতীয় বেডমিণ্টন দলৰ লগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও নিজৰ বাস ভৱনত বাৰ্তালাপ কৰিছিল। অনুষ্ঠানত অংশ গ্ৰহণ কৰে অসমৰ মুখ্যমন্ত্ৰী তথা ভাৰতীয় বেডমিণ্টন সন্থাৰ সভাপতি হিমন্ত বিশ্ব শৰ্মায়ো। উপস্থিত থাকে কেন্দ্ৰীয় ক্ৰীড়ামন্ত্ৰী অনুৰাগ সিং ঠাকুৰ। উল্লেখ্য যে থমাছ কাপ বেডমিণ্টনৰ ফাইনেলত ভাৰতৰ পুৰুষ দল মুখামুখি হৈছিল পূৰ্বৰ ১৪ বাৰৰ বিজয়ী ইণ্ডোনেছিয়াৰ। প্ৰথমবাৰৰ বাবে ফাইনেল খেলা ভাৰতৰ পুৰুষ দলে প্ৰথম তিনিখন মেচতে জয়ী হৈ ৩-০ ৰ ব্যৱধানত ইণ্ডোনেছিয়াক পৰাস্ত কৰি প্ৰথমবাৰৰ বাবে চেম্পিয়ন খিতাপ লাভ কৰে। লক্ষ্য সেন একক মেচত জয়ী হোৱাৰ পাছত ডাবলছত চিৰাগ আৰু ৰেংকিৰেড্ডীয়েও নিজৰ মেচত জয়ী হয়। তৃতীয় মেচত কিদাম্বি শ্ৰীকান্তে জয়লাভ কৰি ভাৰতক ৩-০ ৰ ব্যৱধান মেচ জয় কৰোৱাৰ লগতে ইতিহাস গঢ়ি থমাছ কাপ বেডমিণ্টনৰ খিতাপ লাভ কৰোৱায়। উল্লেখ্য যে ছেমিফাইনেলত ডেনমাৰ্কক ৩-২ ৰ ব্যৱধানত পৰাস্ত কৰি খিতাপৰ যুঁজলৈ অগ্ৰসৰ হোৱা ভাৰতৰ পুৰুষ দলৰ সপোন আৰু লক্ষ্য আছিল ইতিহাস সৃষ্টি কৰা। ইয়াৰপূৰ্বে ভাৰতীয় পুৰুষ দলটোৱে শক্তিশালী মালয়েছিয়া আৰু ডেনমাৰ্কক হৰুৱাই নিজৰ দক্ষতা প্ৰদৰ্শন কৰি বিশ্ব বেডমিণ্টনৰ এই সন্মানীয় প্ৰতিযোগিতাখনত প্ৰথমবাৰৰ বাবে ফাইনেলত প্ৰৱেশ কৰিছিল। আজিৰ অনুষ্ঠানত উপস্থিত থাকে প্ৰশিক্ষক গোপীচান্দ, দলৰ মেনেজাৰ অসমৰে গৌতম মহন্ত আৰু ভাৰতীয় দলৰ সদস্যসকল।

## চাপত আছিল ইণ্ডোনেছিয়া ঃ শ্ৰীকান্ত

**নতুন দিল্লী, ২৩ মে' ঃ** থমাছ কাপ বেডমিণ্টন প্ৰতিযোগিতাৰ ফাইনেল মেচত ভাৰতৰ শক্তি আৰু ধাৰাবাহিক সফলতাৰ বাবে চাপত আছিল ডিফেণ্ডিং চেম্পিয়ন ইণ্ডোনেছিয়া। এই মন্তব্য দলৰ জ্যেষ্ঠ সদস্য কিদাম্বি শ্ৰীকান্তৰ। উল্লেখ্য যে ইণ্ডোনেছিয়াই থমাছ কাপ বেডমিণ্টন প্ৰতিযোগিতাত অপৰাজেয় অভিলেখৰ গঢ়ি অদম্য হৈ আছিল। কিন্তু ফাইনেলত দল প্ৰথম ব্যৰ্থতাৰ সন্মুখীন হয়। বিপৰীতে ভাৰতে প্ৰতিযোগিতাখনত মাত্ৰ এখন মেচত পৰাস্ত হৈছিল গ্ৰুপ পৰ্যায়ত চীনা টাইপেইৰ বিৰুদ্ধে। গ্ৰুপৰ অন্তিম মেচখনত প্ৰথম পৰাজয়ৰ সন্মুখীন হয় ভাৰতৰ পুৰুষ দল। গ্ৰুপ 'চি'ৰ মেচত চাইনিছ টাইপে ৩-২ ৰ ব্যৱধানত পৰাস্ত কৰে ভাৰতৰ পুৰুষ দলক। অৱশ্যে ভাৰতে গ্ৰুপৰ প্ৰথম দুখন মেচত জয়লাভ কৰি ইতিমধ্যে কোৱাৰ্টাৰ ফাইনেলত নিজৰ স্থান নিশ্চিত কৰিছিল। সেয়ে সেই পৰাজয় কাৰ্যতঃ গুৰুত্বহীন আছিল। তাৰপাছতে ইতিহাস গঢ়ি সুদীৰ্ঘ ৪৩ বছৰ পাছত ভাৰতৰ পুৰুষ দলে থমাছ কাপ বেডমিণ্টন প্ৰতিযোগিতাত পদক জয় কৰাৰ গৌৰৱময় সফলতা লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে বেংককত অনুষ্ঠিত থমাছ কাপ বেডমিণ্টন প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ পুৰুষ দলে ৩-২ ৰ ব্যৱধানত পৰাস্ত কৰে মালয়েছিয়াক আৰু প্ৰথমবাৰৰ বাবে পদক নিশ্চিত কৰাৰ সফলতা লাভ কৰে। কিন্তু ভাৰতৰ পুৰুষ দলে ইয়াতে থমকি নৰ'ল। ছেমিফাইনেলত ভাৰত মুখামুখি হয় ডেনমাৰ্কৰ। ৰোমাঞ্চকৰ মেচত ডেনমাৰ্কক ৩-২ ৰ ব্যৱধানত পৰাস্ত কৰি খিতাপৰ যুঁজলৈ অগ্ৰসৰ হয় ভাৰতৰ পুৰুষ দল। ফাইনেলত ভাৰতৰ পুৰুষ দলে প্ৰথম তিনিখন মেচতে জয়ী হৈ ৩-০ ৰ ব্যৱধানত ইণ্ডোনেছিয়াক পৰাস্ত কৰি প্ৰথমবাৰৰ বাবে চেম্পিয়ন খিতাপ লাভ কৰে।




এষ্টন ভিলাক হৰুৱাই ই পি এলৰ খিতাপ নিশ্চিত কৰিলে চিটীয়ে।

নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট

## ১০ পইণ্টৰে ছেমিফাইনেলত তেজপুৰ

**গুৱাহাটী, ২৩ মে' ঃ** তেজপুৰে মৰিগাঁৱক এক ইনিংছ আৰু ৪০ ৰাণত পৰাস্ত কৰি চলিত নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্যে যে মৰিগাঁৱে প্ৰথম ইনিংছত ১৬৩ ৰাণ কৰাৰ পাছত তেজপুৰে অনুৰাগ তালুকদাৰৰ (১১০ ৰাণ) শতকেৰে ৩৬০-৭ ৰাণ কৰিছিল। মৰিগাঁৱৰ ভৈৰৱ ভড়ালীয়ে পাঁচটা উইকেট পায়। কিন্তু দ্বিতীয় ইনিংছত মৰিগাঁৱ দলে ১৫৭-৯ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। ইয়াৰপূৰ্বে তেজপুৰে গুৱাহাটীৰ বিৰুদ্ধেও তিনি পইণ্ট লাভ কৰিছিল। উল্লেখ্য যে এ চি এৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামৰ মুল খেলপথাৰত হোৱা তিনিদিনীয়া মেচখন ড্ৰ ৰূপে সমাপ্ত হয় যদিও তেজপুৰে প্ৰথম ইনিংছৰ অগ্ৰগতি লাভ কৰি তিনি পইণ্ট অৰ্জন কৰিছিল গুৱাহাটীৰ বিৰুদ্ধে। মেচখনত তেজপুৰে প্ৰথম ইনিংছত ৩৭৪ ৰাণ কৰাৰ পাছত গুৱাহাটীয়ে হৃশিকেশ তামুলীৰ (১০১ ৰাণ) শতকৰ সত্তেও প্ৰথম ইনিংছত ২১৩ ৰাণ কৰি ফল'অনৰ সন্মুখীন হয়। তেজপুৰৰ সিদ্ধাৰ্থ শৰ্মাই ছটা উইকেট লাভ কৰি দলক তিনি পইণ্ট দিয়াত সহায় কৰে। ইফালে, মৰিগাঁৱৰ এয়া দ্বিতীয় ব্যৰ্থতা। উল্লেখ্য যে ইয়াৰপূৰ্বে প্ৰথমখন গ্ৰুপ মেচত মৰিগাঁৱৰ বিৰুদ্ধে এক ইনিংছ আৰু ২২ ৰাণত জয়লাভ কৰিছিল গুৱাহাটীয়ে।





## প্ৰথম ৰাউণ্ডতে পৰাস্ত হৈ ফ্ৰেন্স অপেনৰ পৰা বিদায় জাপানৰ অ'চাকাৰ



**পেৰিছ, ২৩ মে' ঃ** গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেনৰ পৰা প্ৰথম ৰাউণ্ডতে বাহিৰ হৈছে জাপানৰ নাওমি অ'চাকা। আজি হোৱা মেচত ভুলৰ ফলত পইণ্ট হেৰুওৱা জাপানী তাৰকাগৰাকীয়ে আমেৰিকাৰ আমাণ্ডা এনিছিমোভাৰ হাতত ৭-৫, ৬-৪ ৰ ব্যৱধানত পৰাস্ত হয়। মেচখনত অ'চাকাই মুঠ আঠটা ডাবল ফ'ল্ট আৰু ২৯টা অবাধ্যতামূলক ভুল কৰে। উল্লেখ্য যে যোৱাবছৰ বিতৰ্কিতভাৱে প্ৰতিযোগিতাখন এৰি দিয়াৰ ১২ মাহৰ পিছত আজি কৰ্টত নমি প্ৰথম ৰাউণ্ডতে ফ্ৰেন্স অ'পেনৰ অভিযান সামৰে অ'চাকাই। বিশ্বৰ প্ৰাক্তন এক নম্বৰ স্থান আৰু চাৰিবাৰৰ গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা বিজয়ী অ'চাকাই ২০২১ ত সংবাদ মাধ্যমৰ প্ৰতিশ্ৰুতিসমূহ পালন কৰিবলৈ অস্বীকাৰ কৰিছিল আৰু ফ্ৰেন্স অ'পেনৰ পৰা আঁতৰি আহিছিল। সংবাদমেলৰ বিৰোধিতা কৰাৰ বাবে অ'ছাকাক জৰিমনাও বিহা হৈছিল আৰু গ্ৰেণ্ড শ্লেম নিষিদ্ধ কৰাৰ ভাবুকি দিয়া হৈছিল। ইফালে, ফ্ৰেন্স অ'পেনত ইগা ছিয়াটেকে আজি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰে ইউক্ৰেইনৰ কোৱালিফায়াৰ লেছিয়া চুৰেংকোক ৬-২, ৬-০ ত পৰাস্ত কৰি। এয়া তেওঁৰ ২৯ খন মেচৰ বিজয়ী দৌৰৰ যাত্ৰা। উল্লেখ্য যে বিশ্বৰ এক নম্বৰ স্থানত থকা ইগাই যোৱা পাঁচখন প্ৰতিযোগিতাত জয়লাভ কৰি তিনিটা প্ৰচেষ্টাত দ্বিতীয়বাৰৰ বাবে ফ্ৰেন্স অ'পেনৰ বাবে খিতাপ জয়ৰ লক্ষ্য লৈছে। ক'ৰ্ট ফিলিপ চেট্ৰিয়েৰত ছাদৰ তলত খেলা মেচত জয়ৰ বাবে মাত্ৰ ৫৪ মিনিটৰ প্ৰয়োজন হয় ইগাক। ২০২০ ৰ চেম্পিয়নগৰাকীয়ে ইউক্ৰেইনৰ ডায়ানা ইয়াষ্ট্ৰেমস্কা বা আমেৰিকান এলিছন ৰিস্কেৰ বিৰুদ্ধে পৰবৰ্তী মেচত অংশ ল'ব।





## প্ৰথম ইনিংছত অগ্ৰগতি ডিব্ৰুগড়-বিশ্বনাথ-শিলচৰৰ

**গুৱাহাটী, ২৩ মে' ঃ** চলিত নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ মেচত বঙাইগাঁৱৰ বিৰুদ্ধে শক্তিশালী স্থিতিত উপনীত হৈছে ডিব্ৰুগড়। উল্লেখ্য যে সৌৰভ সাহা (১৩৪ ৰাণ) আৰু ঈষান আহমেদৰ (১২৩ ৰাণ) শতকেৰে ডিব্ৰুগড়ে প্ৰথম ইনিংছত ৩৬৪-৭ ৰাণ কৰে। কিন্তু দ্বিতীয় দিনাৰ খেলৰ অন্তত বঙাইগাঁও দলে ৮৬ ৰাণতে প্ৰথম ইনিংছ সামৰে। উল্লেখ্য যে বঙাইগাঁও আৰু ডিব্ৰুগড়ৰ মাজৰ নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ মেচখন চলি আছে নেহৰু ষ্টেডিয়ামত। ইফালে, জজ খেলপথাৰত চলি আছে কাৰ্বি আংলং আৰু বিশ্বনাথ চাৰিআলিৰ মেচ। শ্ৰাৱন কুমাৰৰ (১০৪ ৰাণ) শতকেৰে বিশ্বনাথে প্ৰথম ইনিংছত কৰে ২৯৫ ৰাণ। উল্লেখ্য যে ইয়াৰপূৰ্বে কাৰ্বি আংলঙে প্ৰথম ইনিংছত কৰিছিল ১৭৯ ৰাণ। ইফালে আমিনগাঁৱত চলি থকা মেচত





তিনিচুকীয়াই প্ৰথম ইনিংছত ১৪৯ ৰাণ কৰাৰ পাছত আজি শিলচৰে প্ৰথম ইনিংছত ১৬৩ ৰাণ কৰি অগ্ৰগতি লাভ কৰে। কিন্তু দ্বিতীয় ইনিংছত তিনিচুকীয়াই ১৭৭ ৰাণ কৰিছে। কাইলৈ অন্তিম দিন। তিনিচুকীয়াৰ আকাশ চেত্ৰী আৰু শিলচৰৰ ৰাহুল সিংও পাঁচটাকৈ উইকেট পায়। উল্লেখ্য যে নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ বাবে যোগ্যতা অৰ্জন কৰা ১২ টা দলক চাৰিটা গ্ৰুপত বিভক্ত কৰা হৈছে। গ্ৰপ 'এ'ৰ মেচ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত খেলিছে গুৱাহাটী, মৰিগাঁও আৰু তেজপুৰে। ইফালে, জজ খেলপথাৰত গ্ৰুপ 'বি'ৰ মেচ খেলিছে এন এফ ৰেলৱে, বঙাইগাঁও আৰু ডিব্ৰুগড়ে । একেদৰে গ্ৰুপ 'চি'ৰ মেচ আমিনগাঁৱত খেলিছে নগাঁও, তিনিচুকীয়া আৰু শিলচৰে। আনহাতে, বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামৰ দ্বিতীয় খেলপথাৰত গ্ৰুপ 'ডি'ৰ মেচত খেলিছে বৰপেটা, বিশ্বনাথ আৰু কাৰ্বি আংলঙে। প্ৰতিখন মেচ তিনিদিনীয়া কৰা হৈছে।



# নৱাগত খেলুৱৈৰ বাবে শিৱসাগৰত ভাৰোত্তোলনৰ প্ৰশিক্ষণ কেন্দ্ৰ মুকলি

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৩ মে' ঃ** শিৱসাগৰ জিলা পৰিষদৰ কাৰ্যালয় চৌহদত আজি 'য়াৰি-৫ ক্লাৱ' নামৰ ক্ৰীড়া আৰু সাংস্কৃতিক উৎকৰ্য সাধনৰ বাবে এটি ক্লাৱৰ শুভ উদ্বোধন কৰা হয়। 'য়াৰি-৫ ক্লাৱ'টো উদ্বোধন কৰি শিৱসাগৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া তথা য়াৰি-৫ ক্লাৱৰ সভাপতি অশ্বিনী কুমাৰ দলেই কয় যে য়াৰি-৫ ক্লাৱৰ অৰ্থ হৈছে 'বিজুলীৰ দৰে উজ্বলি উঠা'। ক্ৰীড়াক্ষেত্ৰত বিভিন্ন খেলুৱৈ অলিম্পিকৰ সপোন দেখা শিৱসাগৰৰ প্ৰতিভাৱান খেলুৱৈসকলক লগত লৈ য়াৰি-৫ ক্লাৱে উঠি অহা প্ৰজন্মক উৎসাহিত কৰা মানসেৰে এই য়াৰি-৫ ক্লাৱটো গঠন কৰা হয় বুলি তেওঁ মন্তব্য কৰাৰ লগতে কয় যে, শিৱসাগৰ জিলাই ভাৰোত্তোলন খেলত ইতিমধ্যে ৰাষ্ট্ৰীয় আৰু



আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বহুতো খেলুৱৈৰ সৃষ্টি কৰিছে আৰু কেইবাটাও প্ৰশিক্ষণ কেন্দ্ৰ শিৱসাগৰৰ বিভিন্ন গ্ৰামাঞ্চলত চলাই আছে। কিন্তু শিৱসাগৰ নগৰৰ মাজমজিয়াত আৰম্ভ কৰা এই ক্লাৱটোৱে আজি বহুদিনীয়া এটি অভাৱ পূৰণ কৰিলে বুলিও মন্তব্য কৰে। এই ক্লাৱৰ জৰিয়তে শিৱসাগৰ নগৰৰ লগতে দাঁতিকাষৰীয়া অঞ্চলৰ ৮ বছৰ বয়সৰ পৰা সকলো ছাত্ৰ-ছাত্ৰীয়ে প্ৰশিক্ষণ ল'ব পাৰিব বুলি সভাপতিগৰাকীয়ে জানিবলৈ দিয়ে। সভাত শিৱসাগৰ জিলাৰ ভাৰোত্তোলন সভাৰ সম্পাদক ধ্ৰুৱজ্যোতি বৰা, শিৱসাগৰ জিলা সন্থাৰ উপ-সভাপতি উৎপল শৰ্মা, শিৱসাগৰ জিলাৰ ভাৰোত্তোলন সন্থাৰ যুটীয়া সম্পাদক অসীম দত্তকে প্ৰমুখ্য কৰি গৌৰাংগ বৰা, প্ৰশিক্ষক ৰঞ্জন দত্ত, ৰিতু গগৈ, দুলজিৎ বৰুৱা, আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ অনন্ত ৰাজকোঁৱৰ, মিনতি দিহিঙীয়া, জমিৰ হুছেইন, খ্যাতি দৰ্শনা বৰাৰ লগতে শৰীৰ চৰ্চাৰ আন্তঃৰাষ্ট্ৰীয় বিচাৰক অদিতি দত্ত, পৌৰসভাৰ উপ-পৌৰপতি সঞ্জীৱ বৰা, ৱৰ্ল্ড ফিটনেচ ফেডাৰেচনৰ শিৱসাগৰ জিলা সভাপতি ধ্ৰুৱজ্যোতি হাজৰিকাৰ লগতে বিভিন্ন সমাজ আৰু খেলজগতৰ লগত জড়িত ব্যক্তি তথা খেলুৱৈ উপস্থিত থাকে। সভাখনিৰ আঁত ধৰে ৱ'ৰ্ল্ড ফিটনেছ ফেডাৰেচন, অসমৰ সাধাৰণ সম্পাদক তথা শিৱসাগৰ জিলা ভাৰউত্তোলন সন্থাৰ কোষাধ্যক্ষ আৰু শিৱসাগৰ জিলা যোগ প্ৰশিক্ষক জয়ন্ত বেজে। প্ৰশিক্ষণ কেন্দ্ৰটোত প্ৰশিক্ষণ গ্ৰহণ কৰিব বিচৰা ইচ্ছুক ছাত্ৰ-ছাত্ৰীৰ লগতে সকলো প্ৰশিক্ষাৰ্থীক ৭০০২০-৫৫৯৯৬, ৯৯৫৭২-৬৫৯৮৫ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।

Azadi Ka Amrit Mahotsav

অসম চৰকাৰ

মাধ্যমিক শিক্ষা বিভাগ

সংকল্পৰ পৰা সিদ্ধিলৈ...



অসমৰ চাহ বাগিচাত
প্ৰথমবাৰলৈ হাইস্কুল নিৰ্মাণেৰে

# চাহ বাগিচাত শিক্ষাৰ সোণালী যুগৰ সূচনা

২৫ আৰু ২৬ মে' ২০২২ তাৰিখে
৯৬খন চাহ বাগিচা এলেকাত নৱনিৰ্মিত
আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ
**মাংগলিক শুভ উদ্বোধন**



মুখ্য উদ্বোধক
**ড° হিমন্ত বিশ্ব শৰ্মা**
মুখ্যমন্ত্ৰী, অসম

লগতে প্ৰতিখন বিদ্যালয়ত
উপস্থিত থাকিব
মাননীয় মন্ত্ৰী, সাংসদ
আৰু স্থানীয় বিধায়কসকল

"আমাৰ চাহ, আমাৰ গৌৰৱ
আমাৰ শিক্ষা, আমাৰ ভৱিষ্যৎ"

জনসংযোগ/ডি/৩৯০৪/২২

